Assam Lagislative Assembly Debates



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF OF INDIA

BUDGET SESSION

NO. 4

The 21st March, 1995

Price Rs. 32.90

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, the 21st March, 1995

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravorty, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : The position of Questions both oral and written for 21. 3. 1995 are as follows :
Oral Sl. No. 41 to 60,
Written Sl. No. 95 to 144.

Question No. 41, Hon'ble Member
Shri Pani Ram Rava, Minister, Industries to reply.

বিষয় – চিনটেক্স মিল

শ্রীপানীৰাম ৰাভায়ে সুধিছে :

* ৪১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসম চিনটেক্স (নাথকুছি) মিলটোৰ উৎপাদন বন্ধ হৈ থকাটো সঁচা নেকি ?

(খ) যদি সঁচা, পুনৰ খোলাৰ বাবে কি ব্যৱস্থা লৈছে জনাবনে ?

(গ) কর্মচাৰী সকলে ৭/৮ মাহৰ দৰমহা নোপোৱাটো সঁচা নেকি আৰু যদি সঁচা, দৰমহা দিয়াৰ ব্যৱস্থা লবনে ?

শ্রীবিজিত শইকীয়া, (উদ্যোগ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) মিলটো ব্যক্তিগত খণ্ডৰ জৰিয়তে পুনৰ খোলাৰ বাবে নিবিদা আহ্বান কৰা হৈছে।

(গ) দৰমহা সম্পূর্ণকৈ নোপোৱাটো সঁচা। ইতিমধ্যে জুন '৯৪ লৈ তেওঁ লোকৰ দৰমহা দিয়া হৈছে।

* শ্রীপানীৰাম বাভা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে মোৰ 'ক' প্রশ্নৰ উত্তৰত মিলটোৰ উৎপাদন বন্ধ হৈ থকাটো 'হয়' বুলি কৈছে। এতিয়া মোৰ প্রশ্ন হৈছে ১৯৮৬ চনৰ পৰা মিলটো চলি থকাৰ পিছত ১৯৯২ চনত মিলটোৰ উৎপাদন কিয় বন্ধ কৰিব লগা হ'ল সেই বিষয়ে মন্ত্রী মহোদয়ে কব নে ?

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই মিলটোৱে লোকচান ভৰাৰ কাৰণে আৰু কেচা সামগ্রীৰ অভাৱ হোৱাৰ কাৰণে ১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ পৰা মিলটো বন্ধ হৈ আছে।

* শ্রীপানীৰাম বাভা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কেচা সামগ্রীৰ অভাৱ হোৱা বুলি কৈছে। কিন্তু ব্যক্তিগতকৰণ কৰিলে কেচা সামগ্রীৰ অভাৱ নহব নেকি ?

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : অধ্যক্ষ মহোদয়, কেচা সামগ্রীৰ অভাৱ বুলি এই কাৰণেই কোৱা হৈছে মিলটোৱে লোকচান ভৰি আছে আৰু সেই কাৰণে কেচা সামগ্রী ক্রয় কৰিব নোৱাৰা হৈছে।

* শ্রীনগেন শর্মা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জনাবনে চিনটেক্স মিলটোৱে বর্ত্তমানলৈ কিমান টকা লোকচান ভৰিছে আৰু ১৯৯৪ চনৰ পৰা ১৯৯৫ চনৰ মাৰ্চ মাহলৈকে শ্রমিক সকলক দিব লগা দৰমহা কেতিয়া দিয়া হব ?

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্রশ্নৰ উত্তৰত মই কব খোজো যে চিনটেক্সৰ কর্মচাৰী সকলক ১৯৯৫ চনৰ জানুৱাৰী মাহলৈকে দৰমহা দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু যিমান সোনকালে পাৰি তেওঁলোকৰ দৰমহা মুকলি কৰি দিয়া হব। দ্বিতীয়তে মিলটো বন্ধ হোৱাৰ সময়লৈকে অর্থাৎ ৩১/৩/৯৪ চনলৈকে ১৫.৪৭ কোটি টকা একুমুলেটেড লচ হৈছে।

---

* Speech not Corrected

* শ্রীচন্দ্রমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এই মিলটো নলবাৰী জিলাত অৱস্থিত কাৰণে তাৰ কিছু খবৰ আমি জানো। এই মিলটো সময়ে সময়ে কেচা সামগ্রীৰ অভাৱ বুলি বন্ধ কৰি ৰখাৰ কাৰণে একুমুলেটেড লচ হোৱা বুলি কৈছে। কিন্তু এই মিলটো কনটিনিউ চলি থকা হলে লোকচান নহৈ লাভহে হ'লহেঁতেন। মই অসমৰ ৰাইজৰ স্বাৰ্থৰ খাতিৰত এই মিলটো চৰকাৰে চলাই থকাৰ কাৰণে অনুৰোধ কৰিব খুজিছো আৰু যিহেতু মিলটো চলাই থাকিলে লাভ হোৱাৰ আশা আছে গতিকে এই মিলটো ব্যক্তিগত-কৰণ নকৰি চৰকাৰৰ হাতত ৰখাৰ ব্যৱস্থা কৰিব নে ?

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীপাটো-ৱাৰী ডাঙৰীয়াৰ প্রশ্নটোৰ পৰিপ্রেক্ষিতত মই কব খোজো যে চৰকাৰৰ নতুন উদ্যোগ নীতিৰ আধাৰত যিবিলাক ৰাজহুৱা খণ্ডৰ উদ্যোগে লোকচান ভৰি আছে সেই উদ্যোগ বিলাক ব্যক্তিগত কৰণ কৰাৰ কাৰণে সিদ্ধান্ত লয় আৰু তেতিয়াৰ পৰা এনেধৰণৰ উদ্যোগ বিলাকৰ ক্ষেত্রত বাজেট প্রভিজন ৰখা নাই। এনেধৰণৰ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ কাৰণে চৰকাৰে এক বা ডেৰ কোটি টকা দিব লগা হয়। সেই কাৰণে বাজেটত এই টকাটো নোহোৱাৰ কাৰণে ব্যক্তিগতকৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

* শ্রীমুনীন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে এই মিলটো ব্যক্তিগতকৰণ কৰাৰ কথা কৈছে। এই মিলটো ব্যক্তিগতকৰণ কৰাৰ কাৰণে নিবিদা আহ্বান কৰাৰ আগতে তাৰ স্থাবৰ অস্থাবৰ সম্পত্তিৰ মূল্য নিৰুপন কৰা হৈছেনে ?

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : অধ্যক্ষ মহোদয়, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নির্দ্দেশমতে এই মিলটোৰ স্থাবৰ অস্থাবৰ সম্পত্তিৰ সম্পূর্ণ ভেলুৱেচন কৰা হৈছে।

* শ্রীমুনীন মহন্ত : অধ্যক্ষ মহোদয়, এই মিলটোৰ বাবে নিবিদা লোৱাৰ পিছত ভেলুৱেচন কৰা মূল্যতে ব্যক্তিগতকৰণ কৰা হব নেকি মন্ত্রী মহোদয়ে জনাব নে ?

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : অধ্যক্ষ মহোদয়, যোৱা ১৫ তাৰিখে শেষ দিন দি নিবিদা আহ্বান কৰা হৈছে আৰু সেই নিবিদাৰ ওপৰত চৰকাৰে

---

* Speech not Corrected

এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই। এই মিলটোৰ ভেলুৱেচন এনে ধৰণৰ :

এচেট্‌চ—	১। ভেলুৱেচন অৱ লেণ্ড, বিল্ডিং—	৪১০·০০ লাখ
	২। ভেলুৱেচন অৱ প্লেণ্ট, মেচিনেৰিজ এণ্ড ইকুইপমেণ্টচ—	৬৭০·৪৩ লাখ
	৩। ভেলুৱেচন অৱ ফার্ণিচাৰ ইত্যাদি—	৩·৫০ লাখ
	৪। ভেলুৱেচন অৱ কাৰেণ্ট এচেট্‌চ—	৩২·৭৯ লাখ
	মুঠ—	১১২৪·৭২ লাখ

লায়েবিলিটিজ :

১। ফিক্সড এণ্ড কাৰেণ্ট লায়েবিলিটিজ— ৯৫৪·১৭ লাখ।

এতিয়া মূল এচেটৰ পৰা লায়েবিলিটিজ বাদ দিলে ১৭০·৫৫ লাখ টকা লায়েবিলিটিজ থাকে।

* ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, এই মিলটো যিদিনা ব্যক্তিগতকৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল সেইদিনালৈকে মিলটোৰ নেট ওৱর্থ কিমান আছিল মন্ত্রী মহোদয়ে কবনে ?

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই প্রশ্নটোৰ তথ্য বর্তমান মোৰ হাতত নাই। ইয়াৰ কাৰণে এটা বেলেগ প্রশ্ন দিলে মই কব পাৰিম।

* ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, এইটো মূল প্রশ্নটোৰ লগত ৰিলেটেড প্রশ্ন। ইয়াৰ কাৰণে নিশ্চয় বেলেগে প্রশ্নৰ আৱশ্যক নাই। যিটো ব্যক্তিগতকৰণ কৰাৰ সিদ্ধান্ত লওঁতে চৰকাৰে নেট ওৱর্থটো কৰি লৈছিল নে নাই।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য গৰাকীক মই অনুৰোধ কৰিব খুজিছো যে মাননীয় মন্ত্রী মহোদয়ে এই বিষয়টোত তেখেতৰ হাতত বর্ত্তমান তথ্য নাই বুলি কৈছে। তথ্য নাথাকিলে তেখেতে উত্তৰ দিব কেনেকৈ।

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই মিলটো ব্যক্তিগত কৰণ কৰা সময়ত ১৭০.৫৫ লাখ টকা নেট ওৱর্থ আছিল।

* Speech not Corrected

* ডঃ জয়নাথ শর্মা : এই মিলটো কিমান টকাত পার্টিক দিয়া হব সেইটো জনাবনে ?

* শ্রীবিজিত শইকীয়া (মন্ত্রী) : অধ্যক্ষ মহোদয়, আমি এতিয়া নিবিদাহে আহ্বান কবিছো। তেওঁলোকে যি অফাব দিয়ে তাব ওপবতহে চবকাবে সিদ্ধান্ত লব।

মাননীয় অধ্যক্ষ : এতিয়া তবা চিহ্নিত প্রশ্ন নং ৪২

বিষয়— স্বীকৃতি প্রাপ্ত বিদ্যালয়।

শ্রীবামেশ্বব ধানোবাবে সুধিছে।

* ৪২। মাননীয় প্রাথমিক শিক্ষা বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

(ক) তিনিচুকীয়া জিলাত অষ্টম শ্রেণীলৈকে স্বীকৃতি প্রাপ্ত কেইখন উচ্চ মাধ্যমিক বিদ্যালয় আছে জনাবনে ?

(খ) উক্ত জিলাত ১০/১২ বছব ধবি মাধ্যমিক বিদ্যালয় হিচাবে চলি থকা ভেনচাব বিদ্যালয় সমূহক পূর্ণ পর্য্যায়ব বিদ্যালয়লৈ ৰূপান্তবিত নকবাব কাবণ কি জনাবনে ?

(গ) উক্ত জিলাত প্রাথমিক বিদ্যালয়ত ছাত্র শিক্ষক অনুপাতে শিক্ষক-শিক্ষয়িত্রী নিযুক্তি দিয়া হৈছে নেকি ? বহুতো প্রাথমিক বিদ্যালয়ত ছাত্র অনুপাতে শিক্ষক কম আৰু কিছুমান বিদ্যালয়ত শিক্ষক অনুপাতে ছাত্র যথেষ্ট বেছি এই তাৰতম্যব কাবণ কি জনাবনে ?

শ্রীযুত গৌতম বৰাই (শিক্ষা বিভাগব বাজ্যিক মন্ত্রী) উত্তব দিছে :

(ক) তিনিচুকীয়া জিলাত অষ্টম শ্রেণীলৈকে স্বীকৃতিপ্রাপ্ত ৪ খন বিদ্যালয় আছে।

(খ) ১৯৮৯ চনলৈকে স্বীকৃতি পোৱা সকলো মাধ্যমিক স্কুল আৰু মাধ্যমিক মাদ্রাছা স্কুল ইতিমধ্যে প্রাদেশিকীকৰণ কৰা হৈছে। সীমান্ত অঞ্চল আৰু চাহ বাগিছা এলেকাত অবস্থিত আৰু ১৯৯১ চনলৈ স্বীকৃতি পোৱা সকলো বিদ্যালয় প্রাদেশিকীকৰণ কৰা হৈছে। ইয়াৰ পিছৰ স্কুল সমূহ প্রয়োজনীয় অর্থৰ অভাৱত প্রাদেশিকীকৰণ কৰিব পৰা হোৱা নাই।

---

* Speech not Corrected

(গ) এজনীয়া শিক্ষক-শিক্ষয়িত্রী থকা সকলো বিদ্যালয়ক দুজনীয়া কৰাৰ বাবে যাৱতীয় পদ ইতিমধ্যে মঞ্জুৰী দিয়া হৈছে। যিবোৰ বিদ্যালয়ত ছাত্র-ছাত্রী অনুপাতে শিক্ষক-শিক্ষয়িত্রী বেছি আছে সেইবোৰ বিদ্যালয়ত শিক্ষক সকলৰ পদ সমবিতৰণ কৰিবলৈ নির্দেশ দিয়া হৈছে।

* শ্রীৰামেশ্বৰ ধানোৱাল : মাননীয় অধ্যক্ষ মহোদয়, তিনিচুকীয়া জিলাত প্রাথমিক বিদ্যালয় সমূহৰ কিমান ছাত্র-ছাত্রী আছে? কিমান শিক্ষক দিয়া আছে? মন্ত্রী মহোদয়ে জনাবনে?

* শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, মোৰ প্রশ্নোত্তৰত আছিল তিনিচুকীয়া জিলাত অষ্টম শ্রেণীলৈকে দিয়া আছিল। কিমান জন ছাত্র-ছাত্রী আছিল এই বিষয়ে সুকীয়া প্রশ্ন কৰিলে ভাল হয়।

* শ্রীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, নগৰৰ স্কুল অনুপাতে কিয় শিক্ষকৰ পদ বেছি, ইয়াৰ কাৰণ কি? মন্ত্রী মহোদয়ে জনাবনে?

* শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, গ প্রশ্নৰ উত্তৰত কৈছোৱেই, যিবিলাক স্কুলত ছাত্র-ছাত্রী অনুপাতে শিক্ষক বেছি আছে সেই বিদ্যালয় সমূহৰ পৰা শিক্ষক আনি সমবিতৰণ কৰাৰ কাৰণে নির্দেশ দিয়া আছে।

* শ্রীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, সমগ্র অসমৰ বিদ্যালয়ৰ সকলো চর্ত্ত পুৰণ কৰা স্বত্তেও মাধ্যমিক স্কুল আৰু মাধ্যমিক মাদ্রাছাৰ পাৰমিশ্বন বন্ধ কৰা হ'ল কিয় মন্ত্রী মহোদয়ে জনাব লাগে?

* শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, পাৰমিশ্বন বিকোগ-নাইজেশ্বন বন্ধ আছে। (সদনত গন্দোগোল হয়)

* শ্রীআলাউদ্দিন চৰকাৰ : অধ্যক্ষ মহোদয়, এই বন্ধ খুলি দিয়া হব নেকি? (গন্দোগোল)

মাননীয় অধ্যক্ষ : মাননীয় মন্ত্রীয়ে আপোনালোকক উত্তৰ দিছে।

* শ্রীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মই প্রশ্ন সুধিছিলো তাৰ উত্তৰ দিছে আৰু তাৰ লগতে এটা প্রশ্ন আহিছে। মন্ত্রী মহোদয়ে কোৱামতে যি তাৰিখৰ পৰা বিদ্যালয় সমূহ প্রাদেশিকৰণ কৰা হৈছে সেই মতে আগৰ বিদ্যালয় বাকী থাকিব নেলাগে। ১৯৮৫-৮৬ চনলৈকে

---

* Speech not Corrected

সকলো চর্ত্ত থকা বিদ্যালয়কো পাৰমিশ্বন দিয়া হোৱা নাই। কিয় লোৱা হোৱা নাই জনাবনে ?

* শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যই স্পেচিফিক কৈ দিলে ভাল হয়।

* শ্রীদেৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, মই স্পেচিফিক দি দিম। যিবিলাক বৈষম্য হৈছে চৰকাৰে সুনির্দ্দিষ্ট নীতি লব লাগে আৰু যি বিদ্যালয়ে সকলো চর্ত্ত পুৰণ কৰে সেই বিলাকক পাৰমিশ্বন দিব লাগে।

* শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো ৰাজনৈতিক কথা নহয় বা সমষ্টিৰ কথা নহয়। এইটো সমষ্টিৰ ভিত্তিত, জেষ্ঠতাৰ ভিত্তিত, প্রয়োজনীয়তাৰ ভিত্তিত দিয়া হৈছে। প্রাদেশীকৰণ জেষ্ঠতাৰ ভিত্তিত কৰা হৈছে।

* শ্রীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, গ প্রশ্নৰ উত্তৰ দিছিল যে প্রাথমিক বিদ্যালয়ত দ্বিতীয় শিক্ষক দিয়া হব। মাননীয় মুখ্য মন্ত্রী ডাঙৰীয়াই নাজিৰাৰ লিগিৰি পুখুৰীৰ মিটিং এখনত কৈছিল, তাৰিখটো পাহৰিলো, ৰাতিৰি কাকতত ওলাইছে যে দ্বিতীয় শিক্ষকৰ পদ সৃষ্টি কৰা হৈছে আৰু তৃতীয় শিক্ষকৰ পদ দিয়া হব বুলি ঘোষণা কৰিছিল। এই কথাটো সত্য নেকি ? শিক্ষা মন্ত্রী মহোদয়ে উত্তৰ দিছে যে জেষ্ঠতাৰ ভিত্তিত আৰু সমষ্টিৰ ভিত্তিত শিক্ষক পদ সম বিতৰণ কৰা হৈছে। মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ সমষ্টিতে ৬৪ খন দিয়া হৈছে, কিয় দিয়া হৈছে জনাব নেকি ?

* শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, সীমান্ত আৰু চাহ বাগিছাৰ স্কুল সমূহক অগ্রাধিকাৰ দিয়া হৈছে।

* শ্রীজয়নাথ শর্মা : অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ সমষ্টিত ৬৪ খন দিয়া হৈছে নে নাই মন্ত্রী মহোদয়ে সেইটো জনাব লাগে। নাজিৰা সমষ্টিত বেছি হব আৰু আন সমষ্টিবিলাকত কম হব নেকি ?

* শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্রীয়ে কৈছে যে পাৰমিশ্বন আৰু বিকোগনাইজেশ্বন বর্ত্তমানে চৰকাৰে বন্ধ ৰাখিছে। নীতিগত ভিত্তিত এই বন্ধ ৰখাৰ পিচতো মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ সমষ্টিত

---

* Speech not Corrected

চাৰিখন স্কুল বিশেষ ভাবে পাৰমিশ্বন দিয়া হৈছে নেকি ? যদি হৈছে এই ব্যৱস্থা চৰকাৰে প্রত্যাহাৰ কৰিব নেকি ?

* শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, এই কথাটো চাব লাগিব ।

* শ্রীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, ব্যৱস্থাটো প্রত্যাহাৰ কৰিব নেকি ?

* শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰি চোৱা হব ।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, আমি পাৰমিশ্বন বন্ধ কৰাটো সঁচা কাৰণে দেখা গৈছে যে বহুতো বেনামী কম ছাত্র-ছাত্রী থকা স্কুলো ৰিকোগনাইজেশ্বনৰ কাৰণে আহিছে । নীতিগত ভাবে যিবিলাক স্কুলক ৰিকোগনাইজেশ্বন দিব পৰা হয় সেই বিলাককহে দিয়াৰ ব্যৱস্থা ৰখা হৈছে। ইতিমধ্যে বিভাগক কোৱা হৈছে যে যিখিনি বিদ্যালয়ৰ প্রস্তাৱ হৈ গৈছে যি সকলৰ পাৰমিশ্বন হোৱা নাই সেইখিনি দুবছৰৰ কাৰণে বন্ধ কৰি ৰখা হৈছে। অহা বছৰ খুলি দিয়া হব । এই বছৰৰ ভিতৰত যি পাৰমিশ্বন ৰিকোগনাইজেশ্বন বিচাৰিছে চাব লাগিব। বহু সময়ত দেখা গৈছে যে অনাহকতে প্রস্তাৱ কৰি আহুকালৰ সৃষ্টি কৰে । যদি স্কুলত শিক্ষক দিব নোৱাৰি তেতিয়া হলে স্কুল পাতি লাভ নাই। সেই কাৰণে সময় বান্ধি দিয়া হৈছে । প্রাইমাৰী স্কুলত ৫ টা ক্লাচ আছে, প্রত্যেক শ্রেণীতে যাতে একোজন শিক্ষক দিব পাৰি তাৰ বাবে তিনিজনৰ পৰা পাচ-জনীয়া কৰাৰ এখন আঁচনি আছে। আঠ হেজাৰ এক শ ৫৩ টা পদ মঞ্জুৰী দিলে প্রত্যেক স্কুলতে দুজনীয়া শিক্ষক কৰা হব। কেন্দ্রীয় চৰকাৰৰ বাজেটত উল্লেখ আছে যে প্রাথমিক স্কুল কৰিব। ইয়াৰ বাবে এখন আঁচনি কৰা হৈছে। মাননীয় সদস্য শ্রীশর্মা ডাঙৰীয়া যেতিয়া মন্ত্রী আছিল তেতিয়া মই বিধান সভাৰ সদস্য আছিলো। তেতিয়া বিধান সভাৰ সদস্য বিলাকে কৈছিল যে আমাৰ সমষ্টিত ১২ খন আৰু মন্ত্রী মহোদয়ৰ সমষ্টিত ৬৪ খন দিয়া হৈছিল। চাহ বাগিছাৰ কথা আছে ।

---

* Speech not Corrected

মাননীয় অধ্যক্ষ : এতিয়া তৰা চিহ্নিত প্ৰশ্ন নং ৪৩।

বিষয়— বান প্ৰতিৰোধ আঁচনি।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

* ৪৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৰহাটৰ নিমাতীত বান প্ৰতিশোধৰ বাবে গ্ৰহণ কৰা আঁচনিখনৰ 'মডেল ষ্টেট' সম্পূৰ্ণ হ'লনে আৰু এই আঁচনিখন তৈয়াৰ কৰাৰ পৰা এই কাম সম্পূৰ্ণ হবলৈ কিমান সময় লাগিল ? যদি নাই হোৱা কিয় ?

(খ) আঁচনিখনত কাৰ্য্যকৰী কৰিবলৈ কিমান টকাৰ আৱশ্যক হ'ব আৰু এই পুজি কিদৰে আহিব বা আৱণ্টিত কৰাৰ কথা চৰকাৰে চিন্তা কৰিছে ?

(গ) মাজুলীবাসী জনসাধাৰণে এই আঁচনিখন কাৰ্য্যকৰী কৰিলে তেওঁ লোকৰ অঞ্চললৈ দুৰ্যোগ নামি আহিব বুলি আশংকা কৰি এই ক্ষেত্ৰত নিমাতীৰ লগতে মাজুলীতো খহনীয়া ৰোধৰ বাবে একে সময়তে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক অনুৰোধ কৰিছে নেকি ? যদি কৰিছে এই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টিভংগী কি আৰু মাজুলীবাসীৰ আশংকা বিজ্ঞান সম্মতনে ?

শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এতিয়ালৈ সম্পূৰ্ণ হোৱা নাই। প্ৰস্তাৱিত আঁচনিখনৰ কেতবোৰ সালসলনি কৰিব লগীয়া হোৱাত পুনৰ মডেল ষ্টেটৰ প্ৰয়োজন হৈছে। মডেল ষ্টেট সম্পূৰ্ণ হলেই আঁচনিখনৰ প্ৰাক্‌কলন অতি সোনকালেই পুনৰাই প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰা হৈছে।

(খ) বিশদ আঁচনি তৈয়াৰ কৰাৰ পিচতহে আঁচনিখন কাৰ্য্যকৰী কৰণৰ উদ্দেশ্যে আৱশ্যক হোৱা পুজিৰ পৰিমান ঠাৱৰ কৰা যাব আৰু কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ অনুমোদন সাপেক্ষে উক্ত ধন কেন্দ্ৰীয় ঋণ সাহায্য নিধিৰ শিতানত লোৱা হ'ব।

(গ) মাজুলীৰ 'সন্মিলিত মাজুলী সুৰক্ষা সংগ্ৰাম সমিতি' নামৰ এটা অনুষ্ঠানৰ পৰা এই সংক্ৰান্তত আবেদন পোৱা হৈছে। উপৰোক্ত আঁচনিখনৰ সন্দৰ্ভত মাজুলী বাসীৰ মনত উদয় হোৱা আশংকা। আঁচনিখনৰ মডেল ষ্টেট সম্পূৰ্ণ নোহোৱা পৰ্য্যন্ত ঠাৱৰ কৰা সম্ভৱ নহয়। এই ক্ষেত্ৰত

মডেল ষ্টেটৰ ফলাফল আৰু কেন্দ্ৰীয় জল আয়োগৰ পৰামৰ্শৰ ভিত্তিত বিহিত ব্যৱস্থা লোৱা হ'ব।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই এম, এল, এ হৈ আহিছো যোৰহাটৰ পৰা এটা মূল সমস্যা লৈ। সেইটো হৈছে বান পানীৰ সমস্যা। এইটো এটা অতি গুৰুত্বপূৰ্ণ সমস্যা। মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো যোগ্য উত্তৰ হোৱা নাই। ১৯৯২ চনৰ মাৰ্চ মাহতে মন্ত্ৰী মহোদয়ে কৈছিল যে মডেল ষ্টেটৰ কাম ছমাহত সম্পূৰ্ণ হব। কিন্তু আজি ১৯৯৫ চনলৈ এই মডেল ষ্টেটৰ কাম সম্পূৰ্ণ হোৱা নাই। ইয়াৰ দ্বাৰা অসমৰ ৰাইজক ভুৱা দি থকা হৈছে। এই ভুৱা দি থকা কামবিলাক বন্ধ কৰিব লাগে। মডেল ষ্টেটৰ অগ্ৰগতিৰ বিষয়ে ৰাইজক জনাব লাগে। বিভাগীয় বিষয়া সকলে যদি গাফিলতি কৰিছে তেতিয়া হলে সেই সকল বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লব লাগে। মডেল টেষ্টৰ কামত গাফিলতি কৰি অসমৰ ৰাইজক বানপানীত উটুৱাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। মাননীয় লোকসভাৰ সদস্য বি, কে, সন্দিকৈ ডাঙৰীয়াই ২১'৯৫ তাৰিখে মুক্ত ভাৱে ঘোষণা কৰিছে যে নিমাটি ঘাটৰ ৰক্ষাৰ হেতু মঠাউৰী নিৰ্মাণৰ কাম কেন্দ্ৰীয় চৰকাৰে ২৮ কৌটি টকা দিছে। তেখেতে যি ২৮ কৌটি টকাৰ কথা কৈছে সেইটো শুদ্ধ নহয় নেকি মন্ত্ৰী মহোদয়ে কব লাগে। দ্বিতীয় কথা হৈছে টকাটো কৰ পৰা আহিব। শতকৰা ১০০ ভাগ লোন লৈ চৰকাৰে কৰিব নেকি? ব্ৰহ্মপুত্ৰ বোৰ্ডক এই আঁচনিখনৰ ৰূপায়ণৰ কাম কিয় কৰিবলৈ দিয়া হোৱা নাই। অধ্যক্ষ মহোদয় আৰু কথা হৈছে বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত শতকৰা ১০০ ভাগ কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য হিচাবে দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক কিয় অসম চৰকাৰে বাধ্য কৰিব পৰা নাই। অন্যথাই ৯০ শতাংশ গ্ৰাণ্ট পোৱাত সহায়ক হবলৈ ফলত কণ্ট্ৰোল বিভাগক ৰাজ্যিক পৰিকল্পনাৰ শিতানত সোমোৱাৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীহৰেন ভূমিজ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি অভিযোগ আনিছে সেইটো সত্য নহয়। প্ৰস্তাৱিত আঁনিখনৰ কেতবোৰ সালসলনি কৰিব লগীয়া হোৱা কাৰণেহে পুনৰ মডেল ষ্টেট কৰাৰ প্ৰয়োজন হৈছে। প্ৰতিশ্ৰুতি দিয়া মতেই আমি মডেল টেষ্টৰ কাম বান

নিয়ন্ত্রণ বিভাগত ন্যস্ত কৰিছো। ১৯৯৩ চনৰ বানপানীৰ সময়ত নদীৰ গতি পথ শালশলনি ঘটে আৰু সেই কাৰণতেই এই আঁচনিখনৰ পৰিবৰ্ত্তন ঘটাব লগীয়া হয়। আৰু সেইবাবে বানপানীৰ পাচৰ অৱস্থা মডেল প্ৰতিফলিত কৰিবলৈ পুনৰ জৰীপ আৰু তথ্য সংগ্ৰহ কৰিব লগাত পৰে। উক্ত জৰীপ আৰু তথ্যৰ ভিত্তিত মডেল নিৰ্মাণ কৰি আৰু মডেল ষ্টেট সম্পূৰ্ণ কৰি ১৯৯৪ চনৰ মে মাহত ৰিপোৰ্ট দাখিল কৰা হয় আৰু তাৰ প্ৰতিলিপি কেন্দ্ৰীয় চৰকাৰৰ জলশক্তি আ.য়োগলৈ মন্তব্যৰ বাবে পঠোৱা হয়। লগতে উক্ত মডেল ষ্টেটৰ ভিত্তিত ২৮.৪৬ কোটি টকাৰ চাৰিটা লেণ্ডস্পাৰ সহ এখনি আঁচনি যুগুতাই কেন্দ্ৰীয় জল আয়োগৰ অনুমোদনৰ বাবে পঠোৱা হয়।

মাননীয় অধ্যক্ষ : মাননীয় মন্ত্ৰীক শেষ কৰি কবলৈ দিয়ক। So he has to prove his filness as the minister flood control.

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, উক্ত মডেল টেষ্টৰ ৰিপোৰ্ট পৰীক্ষা কৰি কেন্দ্ৰীয় জলশক্তি আয়োগ পুনেই ৪ টা লেণ্ড স্পুটৰ সলনি দুটাৰ দ্বাৰাই প্ৰতিৰোধ আঁচনিখন কাৰ্য্যকৰী কৰিব পাৰি নেকি পৰীক্ষা কৰি চাবলৈ পৰামৰ্শ আগবঢ়াই। আঁচনিখনৰ ব্যৱস্থাসমূহৰ বিষয়ে চালিজাৰি চাবলৈ কেন্দ্ৰীয় জলশক্তি আয়োগ আৰু কেন্দ্ৰীয় জল আয়োগৰ এটি বিশেষজ্ঞ দলে ২৫ ফেব্ৰুৱাৰী '৯৫ তাৰিখে খহনীয়া আক্ৰান্ত অঞ্চল চৰজমীন পৰিদৰ্শন কৰে আৰু অধিক জৰীপ আৰু তথ্য সংগ্ৰহ কৰি মডেলটো পুনৰ সক্ৰিয় কৰি পৰীক্ষা নিৰীক্ষা কৰি ৰিপোৰ্ট দাখিল কৰিবলৈ দিহা দি যায়হি। অহা ২ মাহৰ ভিতৰত মডেল পৰীক্ষাৰ ৰিপোৰ্ট সম্পূৰ্ণ কৰিব পৰা হব। (গণ্ডোগোল) মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যাই যিটো কথা উল্লেখ কৰিছে সেইটো সত্য নহয়। তেখেতে চেণ্টেল ঋণ সাহায্যৰ কথা উনুকিয়াইছে। তেখেতে কৈছে যে ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণ হিচাবে লব লাগে। এই সম্পৰ্কত আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কেইবাবাৰো মাননীয় প্ৰধান মন্ত্ৰীৰ লগত আলোচনা কৰিছে। বিত্ত মন্ত্ৰীৰ লগতো এই বিষয়ে আলোচনা কৰিছে। কিন্তু এতিয়ালৈ কোনো সহাৰি পোৱা হোৱা নাই। মাননীয় সদস্যাই কেন্দ্ৰীয় ঋণ সাহায্য কৰ্ত্তনৰ কথা উল্লেখ কৰিছে। যোৱা ৩ বছৰত কেন্দ্ৰই ঋণ সাহায্য শিতানত ১৯৯২-৯৩ চনত ২৫ কোটি টকাৰ বিপৰীতে ২৪.৪ কোটি টকা। ১৯৯৩-৯৪ চনত

২৫ কোটিৰ বিপৰীতে ২০.৯০ কোটি টকা আৰু ১৯৯৪ ৯৫ চনত ২৫ কোটি টকাৰ বিপৰীতে ২৩.৩৭ কোটি টকা কৰ্ত্তন কৰিছে। অধ্যক্ষ মহোদয়, মডেল টেষ্টৰ যিখিনি কাম বাকী আছে অহা ২ মাহৰ ভিতৰত শেষ কৰিব পৰা যাব।

Mr. Speaker : Questioner Shri Hitendra Nath Goswami and he is very much interested to know all the facts relating a matter of public importance. At this point it will not be fair to shout down the minister.

শ্রীহৰেণ ভূমিজ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে চেণ্ট্রেল কমিটিৰ টিম আহি পৰামর্শ দি গৈছেহি আৰু ১/২ মাহৰ ভিতৰতে মডেল টেষ্টৰ কাম শেষ হব।

শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা তিনিটা বর্ষত বান নিয়ন্ত্রণৰ বাবে কেন্দ্রীয় চৰকাৰে আগবঢ়োৱা ৭৫ কোটি টকাৰ প্রায় ৭০ কোটিয়েই উৎথতে কাটি ৰাখিছে আগৰ ধাৰ বুলি। ১০০% ভাগ ধাৰ হিচাবে দিয়াৰ বাবে এনে হৈছে। ইয়াক সলনি কৰিবই লাগিব। অধ্যক্ষ মহোদয় অসমৰ বানপানীৰ দৰে এই জ্বলন্ত সমস্যাটো সমাধান কৰিবৰ কাৰণে যি ধৰণে গুৰুত্ব দি অসম চৰকাৰে দাবী উৎথাপন কৰিব লাগিছিল, সেই ধৰণে কৰা হোৱা নাই। অসমৰ বানপানী সমস্যাটো বর্ত্তমান ভাৰতবর্ষৰ জ্বলন্ত সমস্যা হিচাবে চিহ্নিত হৈছে। এনে ক্ষেত্রত সম্পূর্ণ ১০০ ভাগ গ্রাণ্ট নেপালে ব্রহ্মপুত্রৰ দৰে ভয়াবহ বানপানী ৰোধ কৰিবৰ বাবে অসম চৰকাৰে কোনো কার্য্যকৰী ব্যৱস্থা লোৱাৰ সম্ভৱ নহয়। গতিকে আমি অসমৰ পৰা এটি সর্বদলীয় পার্টি দিল্লীত বানপানী প্রতিৰোধৰ কাৰণে যাতে ১০০ (এশ) পার্চেণ্ট গ্রাণ্ট দিব নোৱাৰিলেও ৯০ পার্চেণ্ট গ্রাণ্ট কেন্দ্রীয় চৰকাৰে বানপানী প্রতিৰোধৰ ক্ষেত্রত দিয়ে তাৰ বাবে হেচা দিব লাগে। এই দাবী মানিলেহে কিছু পৰিমাণে আমাৰ অসমৰ এই জ্বলন্ত সমস্যাটো সমাধান কৰিব পৰা হব। গতিকে এইটো মই প্রস্তাৱ হিচাবে লবলৈ বিভাগীয় মন্ত্রী মহোদয়ক আৰু মাননীয় মুখ্য মন্ত্রী মহোদয়ক মাননীয় অধ্যক্ষৰ যোগেদি দৃষ্টি আকর্ষণ কৰিলো। বিধান সভাৰ পিচত হলেও এই বিষয়ে যাতে চিন্তা কৰি চায়। ইতিমধ্যে, আমাৰ মুখ্য মন্ত্রী ডাঙৰীয়াই প্রধান মন্ত্রী ডাঙৰীয়ালৈ যি সমূহ মেম'ৰেন্দাম

দিছে এই কথা উল্লেখ কৰিছে যদিও কেন্দ্ৰই মনা নাই। সেয়ে বানপানীৰ ক্ষেত্ৰত কেন্দ্ৰীয় সাহায্য ১০০ পাৰ্চেণ্ট গ্ৰাণ্ট হিচাবে যাতে অনুমোদন কৰে, তাৰবাবে অধ্যক্ষ মহোদয়. আপোনাৰ নেতৃত্বত এটা সৰ্বদলীয় সজাতি দল দিল্লীলৈ যাৰ লাগে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰীয়ে আগতে কৈছে যে যোৱা ২৫ ফেব্ৰুৱাৰীত চেণ্ট্ৰেল কমিটীৰ লোক আহি বান বিধস্ত অঞ্চল পৰিভ্ৰমণ কৰি গৈছেহি। কিন্তু যোৱা জানুৱাৰী মাহতে, ধেমাজী অঞ্চলৰ ৫২ নং ওৱাৰ্দৰ অন্তৰ্ভুক্ত দলংখন বানপানীয়ে একেবাৰেই উটাই নিলে। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াও এই জানুৱাৰী মাহৰ বানপানীত হোৱা ক্ষয়-ক্ষতি নিৰীক্ষণ কৰিবলৈ গৈছিল। বানপানী হৈ যোৱা বহু দিনৰ বিৰতিৰ পিছতহে অৰ্থাৎ ২/৪ মাহৰ পিছতহে চেণ্ট্ৰেল কমিটী আহিব বা পৰীক্ষা নিৰীক্ষা কৰিবহি। তেতিয়ালৈ, অৰ্থাৎ এপ্ৰিল মাহলৈ পুনৰ বানপানী আহিবৰে হব। গতিকে, অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী তথা বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যাতে বানপানী হৈ যোৱাৰ লগে লগেই আহি পৰীক্ষা-নিৰীক্ষা যাতে কৰেহি আৰু যাতে সম্পূৰ্ণ ভাৱে চেণ্ট্ৰেল গ্ৰাণ্ট পাব পাৰি তাৰ বাবে সৰ্বদলীয় এটি কমিটী গঠন কৰি দিল্লীলৈ গৈ ভাৰতবৰ্ষৰ এই জ্বলন্ত সমস্যাটো সমাধানৰ বাবে অৰ্থনৈতিক ভাবে যাতে লাভবান হব পাৰি তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক টানি অনুৰোধ জনাব লাগে আৰু কেন্দ্ৰত অসমৰ প্ৰতিনিধি আই কংগ্ৰেছৰে বিত্ত মন্ত্ৰী মাননীয় মনমোহন সিং ডাঙৰীয়া যেতিয়া আছেই, এই বানপানী নিয়ন্ত্ৰণৰ দৰে জ্বলন্ত সমস্যাটোৰ সমাধানৰ কাৰণে জোৰদাৰ ভাবে লাগিব লাগে আৰু সেই বাবেই সৰ্বদলীয় দল এটি দিল্লীলৈ পঠাব লাগে।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গোস্বামী ডাঙৰীয়া, শইকীয়া ডাঙৰীয়াই কৰা প্ৰস্তাৱৰ সমৰ্থন কৰি কওঁ যে অসমৰ পৰা সৰ্বদলীয় এটি পাৰ্টি গৈ ৯০ পাৰ্চেণ্ট হলেও গ্ৰাণ্ট মুকলি কৰি আনিব লাগে। আৰু অধ্যক্ষ মহোদয়, মই জানিব বিচাৰো যে মাননীয় মুখ্য মন্ত্ৰী তথা বিভাগীয় মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰলৈ দিয়া স্মাৰক পত্ৰত ১০০ পাৰ্চেণ্ট গ্ৰাণ্ট দিয়াৰ সম্পৰ্কে কিবা যোগাযোগ কৰিছে নেকি ?

* Speech not corrected

* শ্রীমনসিং বংপী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বান নিয়ন্ত্রণ মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰো যে কাৰবি আংলং জিলাৰ বান নিয়ন্ত্রণ বিভাগৰ দায়িত্ব কাউন্সি কাউন্সিললৈ হস্তান্তৰ কৰা হব বুলি কৈছিল—সেইটো কৰা হ'ল নেকি ?

* শ্রীমতী বেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩ চনতে এটি চেণ্ট্রেল কমিটী নিমাটি ঘাট আৰু জাঁজী অঞ্চল মডেল টেষ্টিঙৰ কাৰণে আহিছিল। তেতিয়া নিমাটি ঘাট আৰু জাঁজী ঘাট একে কমিটীৰে অন্তর্ভুক্ত আছিল বুলি জানিব পাৰিছিলো। কিন্তু কেৱল নিমাটি ঘাটহে মডেল টেষ্টিঙৰ কাৰণে অনুমোদন কৰি গ'ল, জাঁজী ঘাট বাদ পৰি গ'ল কিয় ? অনুগ্রহ কৰি জনাবনে ?

Sri Haren Bhumij (Minister) : Hon'ble Speaker : জাঁজী ঘাট ইয়াৰ অন্তর্ভুক্ত কৰা নাই। গতিকেই পিছত এইটো কৰা হব।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে প্রস্তাৱ কৰিছে যে সর্বদলীয় কমিটী গৈ দিল্লীত ধৰিব লাগে। মই আগতে কৈছো যে আমাৰ মুখ্য মন্ত্রী ডাঙৰীয়াই প্রধান মন্ত্রী, ৰাষ্ট্রপতি আৰু বিত্ত মন্ত্রী আদিলৈ এই বিষয়ে বিতং ভাৱেই জনাইছে আৰু সেই বিষয়ে চেণ্ট্রেলৰ সকলো মূৰব্বী সকলে জানেই, গতিকে এনে ক্ষেত্রত অসমৰ পৰা সর্বদলীয় পার্টি পঠিওৱা কথাটোত মই অনুমোদন জনাব নোৱাৰো। আৰু কেন্দ্রত যিহেতু আমাৰ অসমৰ প্রতিনিধি আছেই, গতিকে বেলেগ এটা দল পঠাব লাগে বুলি মই নেভাবো।

মাননীয় অধ্যক্ষ : Now Question No. 44, (Noise)

(কেইবাজনো মাননীয় সদস্যই একেলগে কবলৈ থিয় হয়। কাৰো মাত স্পষ্টকৈ শুনা নাযায়।)

* শ্রীজয়নাথ শর্মা : চাৰ এইটো সাংঘাটিক কথা। ষ্টেট প্লেনত বান নিয়ন্ত্রণ এইটো সোমাই লব লাগে তেতিয়া হলে ৯০ ভাগ গ্রাণ্ট হিচাবে পাব পৰা হব। এতিয়া লোন হৈ আছে। এতিয়া ষ্টেট প্লেনত সোমাই দিয়াৰ দিহা কৰিবনে ?

* শ্রীচন্দ্র মোহন পাটোৱাৰী : এই বিষয়ত মুখ্যমন্ত্রী মহোদয়ে এটা বিবৃতি দিব লাগে কিয়নো বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ৰ পৰাই আজি তিনি

* Speech not corrected

বহুবে বহুতো দীঘলীয়া বিবৃতি শুনিলো আৰু তেনে বক্তৃতা শুনিব খোজা নাই। গতিকে মুখ্যমন্ত্রী মহোদয়ে এই বিষয়ত এটা বক্তব্য ৰাখিব লাগে কিয়নো বানপানী অসমৰ জ্বলন্ত সমস্যা।

* শ্রীতিৎস্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো আমিও মাননীয় সদস্যসকলে ভবাৰ দৰেই গুৰুত্ব সহকাৰে বিবেচনা কৰি আছো। প্রধান মন্ত্রীলৈ বহুবাৰ লিখা হৈছে। ব্রহ্মপুত্র নিয়ন্ত্রণ কৰাৰ কাৰণে আৰু অসমৰ বিভিন্ন নদী নিয়ন্ত্রণ কৰাৰ কাৰণে এইটো গ্র্যান্ট হিচাবে দিবলৈ বহুবাৰ লিখা হৈছে। গ্র্যান্ট দিয়াটো উচিত যদিও এই দিশত এতিয়া পর্য্যন্ত কোনো সিদ্ধান্ত কেন্দ্রীয় চৰকাৰে লোৱা নাই যদিও আমি ইতিমধ্যে বহুবাৰ লিখিছো। যোৱা তিনি বছৰত ওৱাটাৰ বিচোৰ্চ ডিপার্টমেণ্টৰ পৰা ১৯৯২ ৯৩ চনত পচিশ কোটিৰ ঠাইত পাইছো সাতানব্বৈ লাখ, ১৯৯৩-৯৪ চনত পচিশ কোটিৰ ঠাইত পাইছো চাৰি কোটি এঘাৰ লাখ। যদিও পচিশ কোটি চেংচন দিছিল পাইছো কিন্তু চাৰি কোটি এঘাৰ লাখহে আকৌ এই বছৰো পচিশ কোটিৰ পৰা কাটি মাত্র পচাশী লাখহে দিছে। আগৰ ঋণৰ বিপৰীতে এডজাষ্ট কৰি আছে কাৰণে আমি কম পাই আছো। তথাপিও আমি অসমৰ বান নিয়ন্ত্রণ বিভাগৰ পৰা যোৱা দুটা বছৰত ১১৭ টা মথাউৰি নির্মাণ কৰিব পাৰিছো। এই টকাতো যে ঋণ হিচাবে নহৈ গ্র্যান্ট হিচাবে পাব লাগে সেইটোত মই মাননীয় সদস্য সকলৰ লগত একমত আৰু এই ক্ষেত্রত এটা সর্বদলীয় প্রস্তাৱ বা দল যোৱাটো ভাল হব।

মাননীয় অধ্যক্ষ : এতিয়া তৰা চিহ্নিত প্রশ্ন নং ৪৪

বিষয় : অধ্যক্ষৰ দ্বাৰা টকা আত্মসাৎ।

শ্রীঅতুল বৰাই সুধিছে :

* ৪৪ মাননীয় উচ্চতৰ শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) দিশপুৰ সমষ্টিৰ ডিমৰীয়া কলেজৰ অধ্যক্ষ গৰাকীয়ে ঘাটী মঞ্জুৰী প্রাপ্ত বিলৰ জৰিয়তে ভুৱা চেংচন পোষ্ট দেখুৱাই টকা আত্মসাৎ কৰা কথাটো সচাঁনে ?

---

* Speech not corrected

(খ) যদি সঁচা কিমান টকা এইদৰে আত্মসাৎ কৰিছে জনাবনে ?

(গ) অধ্যক্ষই কিমানজন শিক্ষকৰ ভুৱা নিযুক্তি দেখুৱাইছে জনাবনে ?

শ্রীগোলোক ৰাজৱংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰৰ ভুৱা অনুমোদন দেখুৱাই অতিৰিক্ত টকা আদায় কৰা কথা তদন্তৰ প্রতিবেদনৰ পৰা দেখা যায়। টকা আত্মসাৎ কৰা কথাটো তদন্তাধীন হৈ আছে।

(খ) বিভাগীয় তদন্তৰ প্রতিবেদন অনুসৰি এনে ভুৱা চিঠি নং দেখুৱাই ১১,৯৫, ২২৫·০০ টকা অতিৰিক্ত ভাৱে আদায় কৰি নিয়া দেখা যায়।

ইয়াৰ ওপৰিও মহাবিদ্যালয়ৰ হিচাব নিকাচ পৰীক্ষা কৰি প্রতিবেদন দিবলৈ Local Accounts ৰ সঞ্চালকক অনুৰোধ জনোৱা হৈছে। তদন্ত সম্পূর্ণ নোহোৱালৈকে টকা আত্মসাৎ কৰিছে বুলি কব পৰা নাযায়।

(গ) ৮ (আঠ) জন শিক্ষকৰ ক্ষেত্রত চৰকাৰৰ ভুৱা অনুমোদন দেখুৱা দেখা যায়। অৱশ্যে উক্ত আঠজন শিক্ষকে মঞ্জুৰী নোহোৱা পদৰ বিপৰীতে কাম কৰি আছে।

* শ্রীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এজন অধ্যক্ষৰ বিৰুদ্ধে যিটো এটা অভিযোগ নিশ্চিত হৈছে আৰু ডি·পি আইৰ পৰা কলেজখনৰ শিক্ষক কর্মচাৰী সকলৰ দৰমহাৰ পৰা এক লাখ ছল্লিশ হাজাৰ টকা কাটিবলৈ দিছে সেই ক্ষেত্রত কলেজখনৰ অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে ব্যৱস্থা লৈ নিলম্বিত কৰা নাই কিয় অথবা সেই পদৰ পৰা অপসাৰিত কৰা নাই কিয় সেইটো মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। টকা আত্মসাৎ কৰা বুলি নিশ্চিত হোৱাৰ পিচতো কি ধৰণৰ তদন্তৰ কাৰণে বৈ আছে জনাব লাগে। টকা আত্মসাৎ কৰা প্রমাণ হৈছে তথাপিতো নিলম্বিত বা সেই পদৰ পৰা অপসাৰিত কৰা নাই কিয় ?

* শ্রীগোলোক ৰাজৱংশী (শিক্ষা মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, গোটেই বিষয়টো তদন্ত কৰিবলৈ দিয়া হৈছে। লোকেল একাউণ্টৰ দ্বাৰা তদন্ত কৰিবলৈ দিয়া হৈছে। সেই ৰিপোর্ট পালে ব্যৱস্থা লব পৰা হব।

---

* Speech not corrected

শ্রীজয়নাথ শর্মা : মন্ত্রী মহোদয়ে উত্তৰত এযাৰ লাখ কিমান টকা সেই অধ্যক্ষ জনে আত্মসাৎ কৰা বুলি কোৱাৰ পিচতো লোকেল একাউন্টৰ প্রতি-বেদনৰ কি দৰকাৰ আছে ?

শ্রীঅতুল বৰা : আমাৰ প্রশ্ন হৈছে দিশপুৰ সমষ্টিৰ ডিমৰীয়া কলেজৰ অধ্যক্ষ গৰাকীয়ে ঘাটি মঞ্জুৰী প্রাপ্ত বিলৰ জৰিয়তে ভুৱা চেংচন পোষ্ট দেখুৱাই টকা আত্মসাৎ কৰা কথাটো সঁচানে ? আৰু তাৰ উত্তৰত মন্ত্রী মহোদয়ে টকা আত্মসাৎ কৰাটো সঁচা বুলি কৈছে আৰু এযাৰ লাখ কিমান হাজাৰ টকা আত্মসাৎ কৰা বুলি জনাইছে। এতিয়া আকৌ তাৰ কাৰণে কিহৰ তদন্ত কৰিব লাগে আমি জানিব পৰা নাই। প্রমাণ নাথাকিলে তদন্ত কৰাৰ লাগে, কিন্তু প্রমাণ থকাৰ পিচতো ব্যৱস্থা নোলোৱাটোৰ মাজত কি ৰাজনৈতিক অভিসন্ধি লুকাই আছে সেইটো আমাকো জনাব লাগে। নহলে সেই কলেজৰ অধ্যক্ষজনক তৎক্ষণাত নিলম্বিত কৰিব লাগে।

* শ্রীগোলোক ৰাজবংশী : আত্মসাৎ কৰা কথাটো লোকেল একাউন্টৰ দ্বাৰা পৰীক্ষা কৰিবলৈ দিয়া হৈছে। অতিৰিক্ত ভাবে ১৯৯১-৯২, ১৯৯২-৯৩-১৯৯৪ আৰু তাৰ আগতেও কিবা ড্র কৰিছিল নেকি সেই বিলাক কথাকে তদন্ত কৰিবলৈ দিয়া হৈছে।

শ্রীজয়নাথ শর্মা : শিক্ষা মন্ত্রী মহোদয়ে বহুদিন ধৰি ওকালতি কৰিছিল তেনে ক্ষেত্রত এই অধ্যক্ষজনে সাক্ষী টেম্পাৰ কৰিব পাৰে বা তেনে কাগজ পত্র গোপন কৰিব পাৰে বুলিয়েই তৎক্ষণাত তেখেতক সেই পদৰ পৰা বা সেই অথৰিটিৰ পৰা এইবিলাক যাতে মিচইউজ কৰিব নোৱাৰে তাৰ কাৰণে নিলম্বন বা অপসাৰণ কৰি তদন্ত চলাত সুবিধা নকৰে কিয় এইটো বুজিব পৰা নাই।

(কেইবাজনো মাননীয় সদস্যই একেলগে ডাঙৰ ডাঙৰ কৈ কয়। কাৰো মাত স্পষ্টকৈ শুনা নাযায়।)

মাননীয় অধ্যক্ষ : আপোনালোক সকলোৱে কলে নহব। মন্ত্রীৰ কথা মইও নুশুনিম আৰু আপোনালোকেও শুনিব নোৱাৰিব। এইটো কেনেকৈ হব।

* শ্রীঅতুল বৰা : ইয়াত তদন্ত কৰিবলৈ আৰু কি প্রয়োজন আছে বুজিব পৰা নাই। অধ্যক্ষ গৰাকীয়ে কৰা আত্মসাতৰ টকা ডি-পি-আইৰ

---

* Speech not Corrected

পৰা শিক্ষক কৰ্মচাৰীৰ দৰমহাৰ পৰা কাটিবলৈ দিয়া নিৰ্দ্দেশৰ বিপৰীতে শিক্ষক কৰ্মচাৰী সকলে যোৱা ২৩ ফেব্রুৱাৰী তাৰিখে সভা পাতি সেই নিৰ্দেশৰ প্ৰতিবাদত নিজৰ নিজৰ দৰমহা নোলোৱাকৈ আছে আৰু তেনেকুৱা সিদ্ধান্ত লৈছে। এইবিলাক কথা মন্ত্ৰী মহোদয়ে জানে নে নেজানে ?

* শ্ৰীগোলোক ৰাজবংশী (শিক্ষা মন্ত্ৰী) : এক্‌চেচ্‌ এমাউণ্টৰ পৰা ডিডাক্ট কৰা হৈছে।

* শ্ৰীগিয়াচুউদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, একচেচ টকাটো ড্ৰ কৰা ৰেগুলাৰ হৈছে নে ইৰেগুলাৰ হৈছে ? যদি ইৰেগুলাৰ হৈছে তেতিয়াহলে ডিমৰীয়া কলেজৰ অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে আইনৰ ভাষাত তেখেতৰ বিৰুদ্ধে প্ৰাইমাৰ ৰেনকেচ এচটাব্লিচ হৈছে নে নাই ? যদি হৈছে তদন্ত সাপেক্ষে সেই পদৰ পৰা তেখেতক আঁতৰাই দিয়া নাই কিয় ?

* শ্ৰীগোলোক ৰাজবংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী) : টকা একচেচ্‌ নিয়া বিষয়টো তদন্ত কৰি চাৰৰ কাৰণে লোকেল একাউণ্টচৰ সঞ্চালকক অনুৰোধ কৰা হৈছে।

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কি কাৰণত অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে তদন্তৰ ব্যৱস্থা কৰা নাই।

* Shri Golok Rajbangshi (Minister, Higher Education) : I am not Atul Bora to care for political interference. I do not care any political interference.

* শ্ৰীযতীন মালি : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কথাখিনি কোৱাৰ কাৰণে ভাল পাইছো কিন্তু অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে ব্যৱস্থা নলয় কিয় ? মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

* Shri Golok Rajbangshi (Minister Higher Education) : I shall take steps in appropriate time.

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ভৰত নৰহৰ সমষ্টিৰ ফালে পি, ডব্লিউ, ডি, ৰ এজন ইঞ্জিনিয়াৰক ২৪ ঘণ্টাৰ ভিতৰত নিলম্বিত কৰিব লাগে বুলি এবাৰ প্ৰশ্ন উত্থাপিত হৈছিল। তেতিয়া ৰাতি মেনথেল লৈ নাওঁৰে পাৰ হৈ গৈ নিলম্বিত কৰা হৈছিল। গতিকে অধ্যক্ষ গৰাকীক হয় অপসাৰণ কৰক নহলে তেখেতক কেয়াৰ নকৰাৰ প্ৰমাণ কাৰ্য্যৰ

* Speech not Corrected

দ্বাৰা দাঙি ধৰক। মাননীয় অধ্যক্ষ মহোদয়, প্ৰমাণ থকাৰ পিচতো এনেকৈ বিধান সভা চলি যাব নেকি ?

(সদনত গণ্ডগোল, কাৰো মাত শুনা নাযায়)

Mr. Speaker : Hon'ble minister has stated that he will take action is care of time. Now started question No. 45.

(মাননীয় সদস্য সকলে একেলগে ডাঙৰ ডাঙৰ কৈ কথা কোৱাৰ কাৰণে কাৰো মাত শুনা নাযায়।)

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, কলেজৰ অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে প্ৰমাণ নোপোৱা হলে বেলেগ কথা আছিল। কিন্তু প্ৰমাণ পাইছে আৰু মন্ত্ৰী মহোদয়ে কথাটো স্বীকাৰও কৰিছে। তেনে স্থলত অধ্যক্ষ গৰাকীক নিলম্বিত কৰিব লাগে।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে চোৰক কিয় কেয়াৰ বৰে ?

মাননীয় অধ্যক্ষ : এতিয়া তৰা চিহ্নিত প্ৰশ্ন নং—৪৫

প্ৰাইমাৰী বিদ্যালয় প্ৰাদেশীকৰণ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

* ৪৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান চলিত চৰকাৰৰ দিনত তিনি হাজাৰখন প্ৰাইমাৰী বিদ্যালয় প্ৰাদেশীকৰণ কৰা হ'ল বুলি তিনি বছৰৰ সাফল্য প্ৰতিবেদনত ঠাই দিয়া হৈছে যদিও প্ৰকৃততে কিমানখন হ'ল জনাবনে ? আৰু কিমানখন বাকী থাকিল ?

(খ) প্ৰাদেশীকৃত বিদ্যালয় সমূহত প্ৰতিস্থাপক দ্বিতীয় আৰু তৃতীয় শিক্ষক সকলক নিযুক্তিৰ ব্যৱস্থা চৰকাৰে কিবা কৰিছে নেকি ?

(গ) এম, ই, স্কুল সমূহত বাকী থকা প্ৰাদেশীকৃত বিদ্যালয় সমূহত প্ৰতিস্থাপক শিক্ষক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলৰ নিযুক্তিৰ ব্যৱস্থা চৰকাৰে কিবা লৈছে নেকি ?

---

* Speech not Corrected

শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২৩০৫ খন। বাকী ৬৫২ খন বিদ্যালয়ৰ তথ্য-পাতি পৰীক্ষা কৰি থকা হৈছে।

(খ) দ্বিতীয় শিক্ষকৰ পদ ইতিমধ্যে দিয়া হৈছে। তৃতীয় শিক্ষকৰ পদৰ কাৰণে প্রস্তাৱ কৰা নাই।

(গ) পুঁজি সাপেক্ষে প্রয়োজন ভিত্তিত ব্যৱস্থা লব পৰা হব।

(Starred Question No. 46 deemed to have been lapsed)

(বিৰোধী দলৰ মাননীয় সদস্য সকলোৱে নিজ আসনৰ পৰা উঠি গৈ অধ্যক্ষৰ টেবুল ঘেৰাও কৰে।)

Mr. Speaker : Now Question No. 47

(সদনত হুলস্থুল হয়, কাৰো মাত শুনা নাযায়)

* শ্রীযতীন মালি ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সদনৰ পৰা ওলাই যাম নেকি ? অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে ব্যৱস্থা লম বুলি কলে আমি ওলাই নাযাওঁ।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূর্ণ বিষয়। উক্ত বিষয়টো মন্ত্রী মহোদয়ে স্বীকাৰও কৰিছে। কিন্তু এতিয়ালৈকে কোনো দায়িত্ব বা ব্যৱস্থা লব পৰা নাই। এইটো বৰ দুখৰ বিষয়। ইয়াৰ ওপৰত ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ ঃ Please sit down. তদন্ত কৰিবলৈ দিয়া হৈছে বুলি মন্ত্রীয়ে কৈছেই।

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ প্রতিবাদত আমি ওলাই গৈছো।

(চি, পি, এম, আৰু বি, এল, পি, ৰ একাংশৰ বাহিৰে বাকী বিৰোধী সকলো সদস্যই সদন কক্ষ ত্যাগ কৰে)।

Re : Loan from various sources by A.I.D.C. Limited.

Sri Zoii Nath Sarma asked :

* 47. Will the minister of Industries be please to state :

---

* Speech not Corrected

(a) What are the total amount that have been taken as loan from various sources by A. I. D. C. Ltd. during 1991-92, 92-93, 93-94 ? (The figure may kindly be furnished yearwise / sourceswise).

(b) How and where such amount of loan have been utilised ? (Yearwise and projectwise figure be shown).

(c) How the rate of Interest and other terms and conditions were chalked out and finalised ? (Copy of the loan agreement be placed in the table of the House).

(d) Whether the repayment of such loan is going on regularly or not ? Total amount of repayment may be shown ?

(e) What will be total amount with principal and interest to be repaid by the A. I. D. C. for such loan ?

Shri Bijit Saikia (Minister of Industries) replied :

(a) Assam Industrial Development Corpn. Ltd. have taken a total of Rs. 158 crores and Rs. 45 lakhs as loan from various sources during 1991-92, 92-93, & 93 94 (shown below).

	1991-92	1992-93	1993-94 (Rs. in lakhs).
Loan from Industrial Development Bank of India.	332.68	100.13	Nill
Loan from Peerless General Finance & Investment Co. Ltd.	—	5,000.00	10,000.00
Loan from Govt. of Assam.	357.32	55.25	—

(b) Loan paid to Assisted Units under I. D. B. I's refinance Scheme (Yearwise and projectwise figure at Annexure—I) (See the Annexure—I)

Loan from P. G. F. I. C. L. deposited to Government of Assam in Revenue Accounts.

Loan from Government of Assam for subsidiaries and other Company (Annexure– II) (See the Annexure—II)

(c) Rate of Interest for

	1991-92	1992-93	1993-94 (Rs. in lakhs)
Industrial Dev. Bank of India.	Rs. 245.88 @9% P.A. Rs. 11 53 @10%P.A. Rs. 75 27 @15%P.A.	Rs. 5.85 @9% P.A. Rs.94.28@15%P.A. Rs. —	Nill — —
Peerless General Finance & Investment Co. Ltd.		@20%P.A.	@18% P.A.
Government Loan	@16.5%P.A.	@15.5%P.A.	—

(d) Yes, repayment made regularly by A. I. D. C. Ltd. total principal amount of Rs. Fifty crores Ninety seven lakhs ten thousand has already been repaid. And a total interest amount of Rs, I6.92 crores paid till 1993-94.

Loan from Industrial Dev. Bank of India	1991-92	1992-93	1993-94 (Rs. in lakhs)
Principal –	81.80	13.07	2.23
Interest—	200.82	78.07	50.00
(including loan taken against prior to 91-92)			
Loan from Peerless General Finance & Investment Co. Ltd.			
Principal—	Nill	Nill	5,000.00
Interest—	—	—	1,362.74

(e) Total amount of such loan to be repaid alongwith interest upto 93-94 (31-3-94)

Industrial Dev. Bank of India	Principal	4.32	crores.
	Interest	.49	crores.
Peerless General Finance & Investment Co. Ltd.	Principal	150.00	crores.
	Interest	19.92	crores,
Government Loan	Principal	4.13	crores.
	Interest	.85	crores.

(Starred Question Nos. 48 to 54 were deemed to have seen lapsed.)

Starred Question No. 55 was taken up for disposal, but at that time the clock stroke 10 A. M. and as such the remaining Starred Question Nos. 55 to 60 could not be taken up for disposal as the allotted time for Questions replies was over, However, the replies of the same deemed to have been laid on the table of the house.

Shri Kali Ranjan Deb, asked :

Re ; Construction work of Borak Dam.

* 55. Will the Minister of Flood Control be pleased to state.

(a) Whether construction work of Borak Dam has since been started ?

(b) If so what is the progress of work till date and how much amount of money has since been spent (Head-wise figure may be shown seperately) ?

(c) How long it will take to complete the work of the said project ?

Shri Haren Bhumij (Minister, Flood Control) replied :

(a) No.

(b) Does not arise.

(c) Approximately 12 years including 2 years of pre-construction period from the date of commencement of the work.

বিষয় ঃ অপাৰেচন ব্লেকবৰ্ড আঁচনি।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

* ৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অপাৰেচন ব্লেকবর্ড আঁচনিৰ মুখ্য উদ্দেশ্য কি আৰু ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪, ৯৪-৯৫ বিত্তীয় বছৰত এই আঁচনিৰ অধীনত কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰক কিমান ধনৰ যোগান ধৰিছে ? (বছৰৰ হিচাবত পৃথকে পৃথকে উল্লেখ কৰিব)

(খ) উক্ত আঁচনিৰ অধীনত অসমৰ প্রাইমাৰী বিদ্যালয় সমূহলৈ ছাত্র-ছাত্রীৰ বাবে কি কি বস্তুৰ যোগান ধৰিছে ? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(গ) উক্ত আঁচনিৰ জৰিয়তে কণ কণ ছাত্র-ছাত্রী সকল উপকৃত হৈছে বুলি চৰকাৰে ভাবেনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অপাৰেচন ব্লেকবর্ড আঁচনি খনৰ মুখ্য উদ্দেশ্য হল, আঁচনি খনৰ জৰিয়তে ৰাষ্ট্রীয় শিক্ষানীতিৰ আধাৰত দেশৰ সকলো প্রাথমিক বিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড সর্বভাৰতীয় পর্য্যায়লৈ উন্নীত কৰা।

১৯৯১-৯২ শিক্ষকৰ দৰমহা বাবদ— ৪২০·৪৮ লাখ।
১৯৯২-৯৩ শিক্ষা দানৰ সজুলীৰ বাবদ— ১০৩৮·০০ লাখ।
শিক্ষকৰ দৰমহাৰ বাবদ— ৩৭৪·০৪ লাখ।
১৯৯৩-৯৪ শিক্ষকৰ দৰমহাৰ বাবদ— ৫১৫·০৪ লাখ।
১৯৯৪-৯৫ এতিয়াও পাবলৈ বাকী আছে

(খ) উক্ত আঁচনিৰ অধীনত অসমৰ প্রাইমাৰী বিদ্যালয় সমূহলৈ যোগান ধৰা সজুলীৰ তালিকা এখন অনুৰদ্ধ 'ক' ত ৰখা হৈছে।

(See the Annexure—'ক')

(গ) হয়, ভাবো।

Re : Appointment of L. P. School Teachers

Shri Borgoram Deuri, asked :

* 57. Will the Minister of Education be pleased to state :

(a) How many teachers for L. P. Schools have been appointed since 1991 till December, 1994 in the state ?
(give Districtwise figure)

(b) On what basis the appointments were made ?

Shri Gautam Bora (Minister of State, Education) replied :

(a) Information have been called for from the concerned field officer.

(b) As per provisions of the Assam Elementary Education Act and Rules framed there under also as per Govt. instruction issued to that effect from time to time.

বিষয় ঃ সৈনিক স্কুলৰ ছাত্ৰৰ প্ৰতি চৰকাৰৰ অনিহা ।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ

* ৫৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আজিৰ বাতৰি কাকতৰ ১৯৯৫ চনৰ ২১ জানুৱাৰী তাৰিখৰ "সৈনিক স্কুলৰ ছাত্ৰৰ প্ৰতি চৰকাৰৰ অনিহা" শিতানৰ বাতৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছেনে ?

(খ) গোৱালপাৰা সৈনিক স্কুলৰ বিদ্যুৎ যোগান বন্ধ হোৱাত ৭০০ জন ছাত্ৰ আৰু ১০০ টা পৰিয়ালৰ স্বাভাৱিক জীৱন বিনষ্ট হৈছে এই অভিযোগ সত্যনে ?

(গ) যদি সত্য উপৰোক্ত দুয়োটা অভিযোগৰ সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বাতৰিটো দৃষ্টি গোচৰ হৈছে ।

(খ) নির্দ্দিষ্ট শিতানত যথেষ্ট পৰিমানৰ ধন নথকা বাবে যথাসময়ত টকা খিনি দিব পৰা হোৱা নাছিল যদিও অইন শিতানৰ পৰা পুনৰ বিনিয়োজন কৰি (বি এপ্রোপ্রিয়েচন) বিদ্যুতৰ বিলৰ ধন যোগান ধৰা হৈছে ।

(গ) প্রয়োজনীয়তাৰ ভিত্তিত পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব ।

Re, : Power Generation by ASEB and NEEPCO.

Shri Monsing Rongpi, asked.

* 59. Will the Minister of Power be pleased to state :

(a) What is the actual demand requirement of the Power in the state ?

(b) What is the actual generation by ASEB and NEEPCO ?

(c) How Government propose to solve the power crisis and what plan Government has taken to increase power generation ?

Shri Debananda Konwar (Minister, Power) replied :

1) Total requirement of power (Restricted) during peak hours is in the range of 445 MW and during off-peak hours the unrestricted demand is in the range of 200MW.

2) The actual gross generation during the year 1993-94 of ASEB and NEEPCO was 939.9089 Million Units and 904.9075 Million Units respectively.

3) i] ASEB has taken up a plan programme under the head "Renovation & Modernisation of all generating units". Through this scheme 120 MW of installed capacity would be restored in phased manner. So far 72.0 MW of generating capacity is restored from the existing inoperative units.

ii] During the year, out of 60 MW capacity from Lakwa Thermal Power Station Phase—II, 40 MW capacity has

already been added. The remaining 20 MW unit is expected to be commissioned shortly.

iii] The work on 20 MW Dhansiri Hydro-Electric Project is in progress and expected to be ready for commissioning within the 8th Five-Year Plan.

iv) The on-going 100 MW Karbi Langpi Hydro-Electric Project, now under execution by an assisted sector company, is expected to be commissioned within the 8th Five-year Plan.

v) In addition, Govt. of Assam have identified 4 Nos. of Gas based thermal generating projects namely, 270 MW CCGT Project at Amguri, 60 MW Extension project at Namrup, 15.5 MW project at Baskandi and 9.0 MW project at Adamtilla to be implemented through private promoters. The M.O.U. with the promoters for executing the projects have already been completed.

vi) Ministry of Power, Govt. of India, consented to the drawal of 100 MW of power by ASEB from NIPC at Kahalgaon & Farraka through EREB system.

vii) 290 MW Gas based power station at Kathalguri under NEEPCO is expected to be commissioned shortly in phases. On commissioning of all the units, ASEB shall receive the share of 144 MW.

বিষয় ঃ মথাউৰি নিৰ্মাণ।

শ্রীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

* ৬০। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) লেভা বৰনদীৰ মথাউৰিটো নির্মাণ কৰাৰ ক্ষেত্রত টকা পইচাৰ খেলিমেলি হোৱা বুলি উত্থাপন হোৱা অভিযোগ সম্পর্কে চৰকাৰ জ্ঞাতনে ?

(খ) এই সম্পর্কত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, জ্ঞাত ।

(খ) হয়, উত্থাপিত অভিযোগ সন্দৰ্ভত বিভাগীয় তদন্ত সম্পূৰ্ণ কৰি যথা-বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

Unstarred Questions and Answers

Re. : Construction of District Museum.

Shri Mission Ranjan Das, asked :

93. Will the Minister of Museum be pleased to state :

(a) Whether the Government will construct a district level Museum at Karimganj ?

(b) If, yes, when its construction will be started ?

(c) If not, state reasons thereof ?

Shri Golok Rajbonshi (Minister Higher Education) replied :

(a) Yes.

(b) Construction can be started after issue of Administrative approval.

(c) Does not arise.

বিষয় : বিদ্যুতৰ সম্প্ৰসাৰণৰ ব্যৱস্থা ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৯৬। মাননীয় গ্ৰামা বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ২০ ফেব্ৰুৱাৰীলৈকে কিমান গাৱঁলৈ বিজুলী যোগান ধৰা হৈছে ?

(খ) ৰাজ্যখনৰ এতিয়ালৈকে কিমানখন গাৱঁলৈ বিজুলী যোগান ধৰিবলৈ বাকী আছে ? (জিলা ভিত্তিত জনাব)

(গ) বৰপেটা জিলাৰ পাঠশালা সংমণ্ডলত বৰ্দ্ধিত ভাবে কিছুমান গাৱঁলৈ

বিজুলী যোগান ধৰাটো সঁচানে ?

(ঘ) যদি সঁচা, কি ভিত্তিত বৰ্দ্ধিত ভাবে বিজুলী যোগান ধৰা হৈছে ?

(ঙ) যদি সঁচা নহয়, বিজুলী যোগান ধৰা গাওঁ সমূহৰ সকলো চুবুৰীলৈ বিজুলী যোগান ধৰাৰ ব্যৱস্থা কৰিবনে ?

শ্রীগোপীনাথ দাস (মন্ত্রী, গ্রাম্য বৈদ্যুতিকৰণ বিভাগ) য়ে উত্তৰ দিছে :

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ২০ ফেব্রুৱাৰীলৈকে মুঠ ১৫১ খন গাৱঁলৈ বিজুলী যোগান ধৰা হৈছে ।

(খ) ১৯৭১ চনৰ পিয়ল অনুসৰি এতিয়ালৈকে ২২,৩৯২ খন গাওঁত বিজুলী যোগান ধৰা হৈছে আৰু ২২৯৩ খন গাওঁলৈ বিজুলী যোগান ধৰিবলৈ বাকী আছে। বিজুলী যোগান নধৰা গাওঁ বিলাকৰ তালিকা জিলা ভিত্তিত দেখুৱাই গাঠি দিয়া হ'ল । (See the Annexure—IV)

(গ) যোৱা তিনি বছৰত উক্ত সংমণ্ডলৰ অধীনত সম্প্রসাৰণৰ কাম হাতত লোৱা হোৱা নাই ।

(ঘ) প্রযোজ্য নহয় ।

(ঙ) গ্রাহকৰ চাহিদাৰ ওপৰত ভিত্তি কৰি অনুদান প্রাপ্তি সাপেক্ষে পর্য্যায় ক্রমে এনে বিজুলী যোগান ধৰাৰ ব্যৱস্থা হাতত লোৱা হব ।

Re : Pay scale of demonstrators.

Shri Rampyari Rabi Das, asked :

97. Will the Minister of Education (Primary and Secondary) be pleased to state :

(a) What is the basic pay of the demonstrators, who are serving under various Higher Secondary (Science) schools of Assam ?

(b) Is there any differences in pay scales between the demonstrators with honours & without honours graduates ? If yes, why ?

(c) Considering the nature of duties being performed by the demonstrators both honours and without honours

graduate whether Government will provide the same basic pay scale to all the demonstrators of Higher Secondary (Science) Schools? If yes, when?

Shri Gautam Bora (Minister of State Education) replied;

(a) Rs. 1475/- 3825/- plus other allowances as admissible under the rules.

(b) Yes, Because of difference in qualification

(c) No. The requisite qualification for the post of a demonstrator is B. Sc. with Honours. Ordinary B. Sc. were sometimes taken as there was dearth of Honours graduates. For ordinary B. Sc. the scale is Rs. 1375-3375/-

বিষয় ঃ বিদ্যালয় উন্নীতকৰণ।

শ্রীজীউৰাম বড়োয়ে সুধিছে ঃ

৯৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ইং ১৯৯১-৯২ চনৰ ভিতৰত অসমৰ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ল?

(খ) এই উন্নীত কৰা বিদ্যালয় সমূহলৈ কিমানখন বিদ্যালয়লৈ কিমানটা পদ মঞ্জুৰী কৰিবলৈ বাকী আছে?

(গ) যিবোৰ বিদ্যালয়লৈ পদ সমূহ মঞ্জুৰী কৰিবলৈ বাকী আছে সেই পদ সমূহ ইং ১৯৯৫ চনত মঞ্জুৰী কৰা হবনে?

(ঘ) পদসমূহ মঞ্জুৰী কৰা হলে দৰং জিলাৰ কালাইগাওঁ সমষ্টিৰ কৰীৰ আলি উচ্চতৰ বিদ্যালয়লৈ অন্ততঃ ৮ জন শিক্ষক, ২ জন সহায়ক, ২ টা ৪র্থ শ্রেণীৰ পদ, দলংঘাট উচ্চতৰ বিদ্যালয়লৈ ১ টা হিন্দী শিক্ষক পদ, কালাইগাওঁ উচ্চতৰ বিদ্যালয়লৈ ২ টা অংকৰ শিক্ষক পদ আৰু মঙ্গলদৈ সমষ্টিৰ ভকতপাৰা উচ্চতৰ বিদ্যালয়লৈ ২ টা অংকৰ শিক্ষকৰ পদ, ৩ টা হিন্দী শিক্ষক পদ, ২ টা সহায়ক আৰু ২ টা চতুর্থ শ্রেণীৰ পদ মঞ্জুৰী কৰিবনে?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ইং ১৯৯১-৯২ চনৰ ভিতৰত ১১৯ খন উচ্চ মাধ্যমিক বিদ্যালয়ক পদসহ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে।

(খ) উন্নীত হোৱা বিদ্যালয়লৈ পদ মঞ্জুৰী দিবলৈ বাকী নাই।

(গ) প্রশ্ন নুঠে।

(ঘ) পদ মঞ্জুৰীৰ প্রতিশ্রুতি নিদিয়াকৈ উচ্চতৰ মাধ্যমিক শ্রেণী খোলাৰ অনুমতি দিয়াৰ ভিতৰত দৰং জিলাৰ কবীৰ আলি বিদ্যালয় তাৰ ভিতৰত আছে। ১৯৯৫-৯৬ চনত এনে উচ্চ মাধ্যমিক বিদ্যালয়ত প্রয়োজনীয়তাৰ ভিত্তিত পদ দিয়াৰ প্রস্তাৱ আছে। বাকী বিদ্যালয় সমূহৰ বাবে বিচৰা পদ প্রয়োজনীয়তা আৰু পুঁজিৰ ওপৰত নির্ভৰ কৰিব।

Re. : Assamese Language Teacher

Shri Munin Mahanta, asked :

99. Will the Minister of State Education be pleased to state :

(a) Is it fact that some Assamese Language teachers are serving in some Senior Madrassa of the state with the approval of Education Department Government of Assam since long, but due to non sanction of those posts the concerned teachers are facing serious financial hard-ship and stingency ?

(b) Whether any proposal for sanction of those posts of Assamese teachers has been submitted to the Government by the concerned authorities ?

(c) If so, what action has been taken for sanction of those posts of Assamese teachers ?

Shri Gautam Bora (Minister of State Education) replied :

(a) Yes, three teachers have been working without any financial commitment of the Govt.

(b) No.

(c) Subject to the availability of required fund necessary action will be taken for sanction of the posts.

বিষয় ঃ অসম প্রকাশন পৰিষদ ।

শ্রীবদন বকৰাই সুধিছে ঃ

১০০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম প্রকাশন পৰিষদে ১৯৯৪ চনৰ ৩১ ডিচেম্বৰলৈ পৰিষদৰ কিতাপ ছপা কৰা বিলৰ বাবদ কোন কোন ছপাশালক কিমান কিমান টকা দিবলৈ আছে ?

(খ) অসম প্রকাশন পৰিষদে বিত্তীয় ১৯৯২–৯৩, ১৯৯৩ ৯৪ বছৰত অসম চৰকাৰৰ পৰা কিমান বিত্তীয় সাহার্য্য পাইছে ।

(গ) অসম প্রকাশন পৰিষদৰ বিত্তীয় ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ বছৰত আয় আৰু ব্যয়ৰ হিচাব জনাবনে ?

(ঘ) অসম প্রকাশন পৰিষদে যোৱা কেলেণ্ডাৰ বর্ষত কি কি নতুন গ্রন্থ প্রকাশ কৰিছে ।

(ঙ) অসম প্রকাশন পৰিষদৰ নিজা ছপাশালৰ যোৱা বিত্তীয় বর্ষ দুটাৰ আয় আৰু ব্যয়ৰ হিচাব জনাবনে ?

শ্রীগোলোক বাজবংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৫।৩.৯৫ তাৰিখলৈ পোৱা ছপা বিলৰ ভিত্তিত ২১ খন ছপাশালক মুঠতে ৫,৮০,৪৫৭·০০ টকা [পাচঁ লাখ আশী হেজাৰ চাৰিশ সাতাৱন টকা] ছপা শালৰ নাম সংলগ্ন কাকতত দিয়া হৈছে । [See the Annexure – V]

(খ) ১৯৯২–৯৩ চনত মুঠ ১২ ৩৪ লাখ [বাৰ লাখ চৌত্রিশ হেজাৰ] আৰু ১৯৯৩-৯৪ চনত মুঠ ২০ ৬৬ লাখ [বিশ লাখ ছয়ষষ্ঠি হেজাৰ] টকা ।

(গ) ১৯৯২-৯৩ চনৰ আয় ৩২,২৯,৮৬৯ ৪০ টকা আৰু ব্যয় সমপৰিমাণৰ ১৯৯৩-৯৪ চনৰ আয় ৪৭,০০,৬৯৯·৪০ টকা আৰু ব্যয় সমপৰিমাণৰ ।

(ঘ) ৬ খন । যেনে – ১। উমেশ চৌধাৰীৰ গীত । ২ The Comprehensive History of Assam [vol] ৩। পদ্মাৱতী দেৱী ফুকননী ৰচনাৱলী ৪। ঈছপৰ সাধু । ৫। পখিলা । ৬। মই কেতিয়া আইতা হ'ম ।

(ঙ) ১৯৯২-৯৩ চনৰ আয় ৪,১৫,৪৯৭·০০ টকা (বিল অনুসৰি প্রাপ্য) আৰু ব্যয় ৪,৪৪.০৮৩ ০০ টকা ।

১৯৯৩-৯৭ চনৰ আয় ৩,৪৯ ১৬২·০০ টকা (বিল অনুসৰি প্রাপ্য) আৰু ব্যয় ৪,৬৬,৫২১·০০ টকা ।

বিষয় ঃ গ্রাম্য বৈদ্যুতিকরণ বন্ধ।

শ্রীমধুসূদন তেওয়ারী জিজ্ঞাসা করছেন ঃ

১০১। মাননীয় গ্রাম্য বৈদ্যুতিকরণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) গ্রাম্য বৈদ্যুতিকরণের কাজ বিগত কয়েক বৎসর যাবৎ বন্ধ এমন কি সম্প্রসারণের কাজও হয় নাই, ইহার কারণ কি ?

(খ) গ্রাম্য বৈদ্যুতিকরণ যাহাতে সুচারু রূপে রূপায়িত হয় তাহার জন্য কি ব্যবস্থা করা হইবে জানাবেন কি ?

শ্রীগোপীনাথ দাস (মন্ত্রী, গ্রাম্য বৈদ্যুতিকরণ) যে উত্তর দিয়েছেন ঃ

(ক) বিগত কয়েক বৎসর যাবৎ গ্রাম্য বৈদ্যুতিকরণ ও সম্প্রসারণের কাজ বন্ধ রাখা হয় নাই।

(খ) গ্রাম্য বৈদ্যুতিকরণ ত্বরান্বিত করার জন্য চলিত বৎসর থেকেই যাবতীয় ব্যবস্থা হাতে নেওয়া হয়েছে।

Re. : Women Co-operative Societies.

Shri Kosheswar Borua, asked :

102. Will the Minister of Co-operation be pleased to state :

(a) Whether any concrete step to revitalise the G. P. level Women Co-operative Societies has been worked out in the state level ?

(b) If so, when such positive process would be completed ?

Shri Nagen Neog (Minister, Co-operation) replied :

(a) Steps are being considered.

(b) No firm date can be given.

বিষয় ঃ প্রদূষণ প্রতিরোধ।

শ্রীরমেন্দ্র নারায়ণ কলিতাই সুধিছে ঃ

১০৩। মাননীয় পরিবেশ বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে ঃ

(ক) গুৱাহাটী মহানগরীত উদ্যোগ, যান-বাহন, পৌর নিগমর লেতেরা

জাবৰ জোখৰৰ পৰা দৈনিক সাংঘাতিক ভাবে প্ৰদূষণ হৈ থকা কথাটো চৰকাৰৰ অৱগতনে ?

(খ) যদি অৱগত তেনেহলে এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) আমৰাৰী ফটাশিল পূব বড়াগাওঁ, পশ্চিম বড়াগাওঁ আদি অঞ্চলত উদ্যোগ সমূহে প্ৰদূষণ প্ৰতিৰোধৰ বাবে যে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই এই কথা চৰকাৰৰ অৱগত নে ?

(ঘ) যদি অৱগত, তেনেহলে উক্ত অঞ্চল কেইটাৰ কোন কেইটা উদ্যোগত প্ৰদূষণ প্ৰতিৰোধৰ বাবে কোনো ব্যৱস্থা লোৱা নাই জনাবনে ?

(ঙ) এই উদ্যোগ কেইটাৰ ওপৰত চৰকাৰে তৎকালীন ভাবে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী পৰিবেশ বিভাগ) য়ে উত্তৰ দিছে :

(ক) গুৱাহাটী মহানগৰীত উদ্যোগ, যানবাহন আৰু পৌৰ-নিগমৰ লেতেৰা জাবৰ জোখৰৰ পৰা কিছু পৰিমানে প্ৰদূষণ হোৱাটো চৰকাৰ অংগত ।

(খ) এই সম্পৰ্কত পৰিবহন বিভাগে '(শ্মোক মিটাৰ) Smoke Metre ব্যৱহাৰৰ ব্যৱস্থা কৰিছে । তাৰোপৰি স্থানীয় অনুষ্ঠান কিছুমানক নিজা বৰীয়াকৈ Smoke Metre কিনি যানবাহন প্ৰদূষণ পৰীক্ষা কৰিবলৈ অনুমতি প্ৰদান কৰা হৈছে । ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্যাও চলিত বছৰত আৰু অধিক Smoke Metre কিনিবলৈ কাৰ্য্য ব্যৱস্থা হাতত লোৱা হৈছে। জাবৰ জোখৰৰ পৰা হোৱা প্ৰদূষণৰ ক্ষেত্ৰত পৌৰ নিগমে নিয়মীয়া ভাবে জাবৰবোৰ উঠাই থাকে । Bleaching Powder আৰু Lime ছটিয়াই থকা হয় । জাবৰ জোখৰ পেলাবৰ বাবে পৌৰ নিগমে জিলা প্ৰশাসনৰ ওচৰত বৰ্ষাপাৰাৰ বিপৰীতে অন্য এখন ঠাই নিৰ্দ্দিষ্ট কৰিবলৈ অনুৰোধ ইতিমধ্যে কৰিছে। তাৰোপৰি আধুনিক পদ্ধতিৰে জাবৰ জোখৰৰ পৰা Energy Pollets (ইন্ধন) উৎপাদন কৰাৰ ব্যৱস্থা পৌৰ নিগমে বিবেচনা কৰি আছে ।

(গ) উল্লেখিত অঞ্চল বোৰত নতুন উদ্যোগ বিলাকে প্ৰদূষণ প্ৰতিৰোধৰ ব্যৱস্থা লোৱাৰ পিচতে চলাবলৈ অনুমতি দিয়া হৈছে । আগৰ পৰা চলি থকা উদ্যোগ বোৰক প্ৰদূষণ প্ৰতিৰোধকৰ ব্যৱস্থা যাতে কৰে তাৰ বাবে সকিয়াই থকা হৈছে আৰু সেই বোৰৰ প্ৰায় প্ৰদূষণ প্ৰতিৰোধৰ ব্যৱস্থা লবলৈ আৰম্ভ কৰিছে ।

(ঘ) বৰ্ত্তমান M/s Mahabir Coke উদ্যোগটোৱে প্ৰদূষণ প্ৰতিৰোধৰ ব্যৱস্থা নোলোৱাটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ দ্বাৰা উক্ত উদ্যোগটোক প্ৰতিৰোধৰ ব্যৱস্থা লবলৈ সকিয়াই দিয়া হৈছে।

(ঙ) যদি কোনো উদ্যোগে বিধিগত নিয়মাৱলী ভঙ্গ কৰি প্ৰদূষণ কৰা পৰিলক্ষিত হয়, তেনেহলে চৰকাৰে তৎকালীণ ভাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য।

Re. : Vacancy of Deputy Registrar.

Shri Samarendra Nath Sen, asked :

104 Will the Minister of Co-operation be pleased to state :

(a) Is it a fact that approximately 7 (seven) post of Deputy Registrar of Co-operation have been lying vacant-since last two years ?

(b) If so, why these posts are not filled up ?

Shri Nagen Neog (Minister, Co-operation) replied :

(a) Yes.

(b) Earlier, when the Selection Committee met, the officers did not fulfilled the eligibility norms. However, now they have fulfilled the eligibility norms. So they are being promoted as early as possible.

বিষয় ঃ বিদ্যুৎ সংযোগৰ ব্যৱস্থা।

শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ

১০৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যিক বিদ্যুৎ বিভাগে গুৱাহাটী মহানগৰীৰ পৌৰ নিগম এলেকাত হল্ডিং নম্বৰ নহলে নতুন বিদ্যুৎ সংযোগ নিদিয়ে আৰু পৌৰ নিগমে আৰৌ ম্যাদি পট্টা মাটিৰ বাহিৰে অইন মাটিৰ বাবে হল্ডিং নম্বৰ নিদিয়ে। গতিকে ম্যাদি পট্টা মাটিৰ বাহিৰে অন্য মাটিৰ বাসিন্দাসকলে কি ব্যৱস্থাৰ জৰিয়তে নতুন বিদ্যুৎ সংযোগ পাব ?

(খ) কর্ত্তৃপক্ষই নতুন বিদ্যুৎ সংযোগ নিদিয়াত চৰকাৰী বা একচনীয়া মাটিৰ বাসিন্দা সকলে চোৱাংকৈ বিদ্যুৎ সংযোগ কৰাত ৰাজহ আৰু বিদ্যুৎ অপচয় হোৱা সচাঁনে ?

শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী, শক্তি বিভাগ) য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে যিকোনো এলেকাৰ প্রকৃত মালিক তথা আইনসঙ্গত অধিকাৰীৰ চৌহদলৈ বিদ্যুৎ সংযোগ দিয়ে। পৌৰ নিগম এলেকাত বিদ্যুৎ সংযোগৰ ৰাবে হল্ডিং নম্বৰ এটা প্রয়োজনীয় চর্ত্ত ।

(খ) বিদ্যুৎ পৰিষদৰ বিদ্যুৎ চোৱাং ভাবে সংযোগ কৰিলে ৰাজহ ও বিদ্যুৎ অপচয় হয় আৰু তেনে ঘটনা হলে পৰিষদে আইনমতে ব্যৱস্থা লয় ।

বিষয় ঃ গ্রাম্য বৈদ্যুতিকৰণ ।

শ্রীমৌলানা আব্দুল জলিল ৰাগিৰীয়ে সুধিছে ঃ

১০৬। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা কেইবছৰ ধৰি গ্রাম্য বৈদ্যুতিকৰণৰ কাম বন্ধ হৈ থকা কথাটো সঁচানে আৰু যদি সঁচা হয় তেন্তে তাৰ কাৰণটো কি ?

(খ) গ্রামীণ অঞ্চলত বিজুলী যোগানৰ কাম আৰম্ভ কৰা হবনে আৰু হলে কেতিয়াৰ পৰা আৰম্ভ হব আৰু কি নিয়মে বিজুলী যোগান ধৰা হব ?

(গ) হোজাই মহকুমাৰ বিদ্যুৎ বিভাগৰ মুৰব্বী বিষয়া (S.D.O) শ্রীএ, কুমাৰ দে কিমান বছৰ ধৰি এই বিভাগত হোজাই কার্য্যালয়ত কাম কৰি আছে এই বিষয়া জনৰ অকর্মণ্যতাৰ কাৰণে বিজুলী যোগান ধৰাত সাধাৰণ গ্রাহক সকলে যে চৰম হাৰাশাস্তি ভোগি আছে এই কথাটো চৰকাৰে জানেনে ?

(ঘ) যদি জানে সাধাৰণ মানুহক এই হাৰাশাস্তিৰ পৰা মুক্তি দিয়াৰ কি ব্যৱস্থা গ্রহণ কৰিছে ?

শ্রীগোপীনাথ দাস (মন্ত্রী, শক্তি গ্রাম্য বৈদ্যুতিকৰণ) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা কেইবছৰ ধৰি গ্রাম্য বৈদ্যুতিকৰণৰ আৰু সম্প্রসাৰণৰ কাম বন্ধ হৈ থকা নাই ।

(খ) গ্রাম্য বৈদ্যুতিকৰণৰ কাম আগৰে পৰা চলি আছে আৰু এই বছৰো ৩৫০ খন পিয়লভুক্ত বসতিপূর্ণ গাৱঁলৈ বিজুলী যোগান ধৰাৰ আঁচনি লোৱা

হৈছে আৰু ইতিমধ্যে কামো আৰম্ভ হৈছে।

(গ) শ্রীপৰেশ কুমাৰ দে হোজাই মহকুমাৰ (বিদ্যুৎ) উপ সংমণ্ডল বিষয়া হিচাবে ইংৰাজী ১৯৯১ চনৰ মে মাহৰ পৰা কার্য্য নির্বাহ কৰি আছে। এই বিষয়াজনৰ বিৰুদ্ধে যোৱা ইংৰাজী ১৭-১২-৯৪ তাৰিখে হোজাইৰ কিছু ৰাইজৰ পৰা এখন অভিযোগ পত্র পোৱা হৈছে আৰু এই বিষয়ে বিভাগীয় অনুসন্ধান আৰম্ভ কৰা হৈছে।

(ঘ) উক্ত হোজাই উপ-সংমণ্ডলৰ উক্ত বিষয়াজনক ইতিমধ্যে পৰিষদে যোৱা ফেব্রুৱাৰী মাহৰ ১৬ তাৰিখে বদলিৰ নির্দেশ দিছে।

বিষয় ঃ কাৰিকৰী শিক্ষাৰ আঁচনি

শ্রীৰূপম কুমৰীয়ে সুধিছে ঃ

১০৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰে যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ লাহিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাৰিকৰী শিক্ষাৰ আঁচনি এই বিত্তীয় বছৰত খোলাৰ দিহা কৰিবনে ?

(খ) যদি নকৰে কেতিয়া আৰু কোন বছৰত কৰিব ?

শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) এই বিত্তীয় বছৰত তেনে কোনো প্রস্তাৱ নাই।

(খ) ১৯৯৫-৯৬ বিত্তীয় বছৰত অন্যান্য বিদ্যালয়ৰ লগত লাহিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাৰিকৰী শাখা দিয়া কথাটো পৰীক্ষা কৰি চোৱা হব।

বিষয় ঃ বিদ্যুৎ যোগান আঁচনি

শ্রীমুজিবুৰ ৰহমানয়ে সুধিছে ঃ

১০৮। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ ধিং বিধান সভা সমষ্টিৰ কিমানখন গাওঁত বিদ্যুৎ যোগান কৰিবলৈ বাকী আছে ?

(খ) বাকী থকা গাওঁবোৰত গ্রাম্য বৈদ্যুতিকৰণ আঁচনিত এই বছৰত বিদ্যুৎ যোগানৰ কাম সমাধা হ'ব নেকি ?

শ্রীগোপী নাথ দাস (মন্ত্রী, গ্রাম্য বৈদ্যুতিকৰণ বিভাগ) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ ধিং বিধাদ সভা সমষ্টিৰ ১০ খন পিয়লভুক্ত গাওঁলৈ বিদ্যুৎ যোগান ধৰিবলৈ বাকী আছে।

(খ) বাকী থকা গাওঁ সমূহৰ দুখন গাওঁ ইতিমধ্যে গ্রাম্য বৈদ্যুতিকৰণ আঁচনিত অন্তর্ভুক্ত কৰা হৈছেই। অহা দ্বিতীয় ষষ্ঠবত পৰিকল্পনাৰ ধন প্রাপ্তি সাপেক্ষে বাকী থকা গাওঁ সমূহৰ কাম সম্পূর্ণ কৰিব পৰা হ'ব বুলি আশা কৰিব পাৰি।

বিষয় ঃ বিষয় শিক্ষক নিযুক্তি।

শ্রীনজমূল হকে সুধিছে ঃ

১০৯। মাননীয় মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ পৰা বর্ত্তমানলৈকে অসমৰ যিবোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাবে যি সকল শিক্ষক নিযুক্তি দিয়া হৈছে তেওঁ লোকৰ কিবা বাছনি পৰীক্ষা লোৱা হৈছেনে ? যদি বাছনি পৰীক্ষা নাই তেন্তে কি নীতিৰ ভিত্তিত নিযুক্তি দিয়া হ'ল জনাবনে ?

(খ) গোৱালপাৰা জিলাৰ খৰমুজা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যি সকল প্রার্থীয়ে বিষয় শিক্ষক পদৰ বাবে দৰখাস্ত কৰিছিল তেওঁলোকৰ নামৰ তালিকা সদনত দাখিল কৰা হবনে ?

(গ) উক্ত খৰমুজা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তদর্থ কমিটী ৪ বছৰ পূর্ণ হোৱা সত্ত্বেও উক্ত কমিটী বাতিল নকৰাৰ কাৰণ সদনক জনাবনে ?

শ্রীগৌতম বৰা (মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) লোৱা নাই। প্রার্থীৰ নামৰ তালিকা দাখিল কৰিবলৈ ৰাজ্যিক বাছনি পৰিষদক অনুৰোধ কৰা হৈছিল যদিও কোনো প্রার্থীৰ নামৰ তালিকা বর্ত্তমান-লৈকে পোৱা নাই। সেয়েহে স্কুলৰ স্বার্থৰ প্রতি লক্ষ্য ৰাখি তদর্থ ভিত্তিত অর্হতা সম্পন্ন প্রার্থীক বিষয় শিক্ষক নিযুক্তি দিয়া হৈছে।

(খ) খৰমুজা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকৰ পদ মঞ্জুৰী হোৱা নাই। গতিকে বিষয় শিক্ষক নিযুক্তিৰ প্রশ্ন নুঠে।

(গ) ৪ বছৰ পূর্ণ হোৱা নাই।

Re : Provincialisation of Primary School,

Shri Dewan Joynal Abedin, asked :

110. Will the Minister of Education be pleased to state :

(a) Whether the Government has decided to provincialise 3000 Primary Schools during' 92-93 ?

(b) If so, how many Schools have been provincialised out of these till date ?

(c) What about the rest ?

(d) What decision has the Govt. taken regarding the serving second teachers of the Schools already provincialised ?

(e) What is the criteria of selecting School for provincialisation ?

Shri Gautam Bora (Minister of State, Education) replied :

(a) No.

(b) Does not arise.

(c) Does not arise.

(d) 2305 posts have been released.

(e) As per Rule 5 of Assam Elementary Education (Provincialisation) Rules, 1977 and need based manner.

বিষয় ঃ ধুবুৰী জিলা স্কুল পৰিদৰ্শকৰ বিৰুদ্ধে অভিযোগ ।

মোঃ মহিবুলহকে সুধিছে ঃ

১১১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উচ্চ আৰু উচ্চতৰ বিদ্যালয়ৰ শিক্ষক পদৰ বাবে ধুবুৰী জিলা পৰ্য্যায় নিৰ্বাচন বোৰ্ডে নিৰ্বাচন কৰা প্ৰাৰ্থী সকলৰ নাম, ঠিকনা আৰু ৰোল নম্বৰৰ তালিকা সদনত দাখিল কৰিবনে ?

(খ) কি কাৰণত স্কুল পৰিদৰ্শক জনে অলপতে কেবাজন প্ৰাৰ্থীক উক্ত তালিকাৰ ক্ৰমিক নম্বৰ উলংঘা কৰি শিক্ষক পদত অবৈধ ভাবে নিযুক্তি দিলে জনাবনে ?

(গ) এই সংক্রান্তত প্রশ্নকর্ত্তাই উচ্চতৰ আৰু কাৰিকৰী বিভাগৰ শিক্ষা মন্ত্রীক লিখিত ভাবে জনোৱা অভিযোগৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ?

(ঘ) উক্ত স্কুল পৰিদর্শক জনৰ বিৰুদ্ধে দুর্নীতি চৰিত্রহীন আদি ৰাইজে উৎথাপন কৰা অভিযোগৰ কিবা তদন্ত হৈছেনে ?

শ্রীগোলোক চন্দ্র ৰাজবংশী (শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) তালিকা সংলগ্ন কৰা হ'ল। [See the Annuxure VI]

(খ)
(গ)
আৰু
(ঘ) | ধুবুৰী জিলাৰ উপায়ুক্তক তদন্ত কৰিব দিয়া হৈছে।

বিষয় ঃ গ্রাম্য বৈদ্যুতিকৰণৰ আঁচনিৰ অন্তর্গত গাওঁ।

শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

১১২। মাননীয় গ্রাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বর্ত্তমান গ্রাম্য বৈদ্যুতিকৰণ আঁচনিৰ অন্তর্গত অসমৰ কিমান গাওঁ অন্তর্ভুক্ত কৰা হৈছে ?

(খ) যোৰহাট জিলাৰ অন্তর্গত টীয়ক সমষ্টিৰ কিমানখন গাওঁ নতুনকৈ গ্রাম্য বৈদ্যুতিকৰণ আঁচনিৰ অন্তর্ভুক্ত কৰা হৈছে ?

(গ) আৰু টীয়ক সমষ্টিৰ কিমান খন গাওঁ বর্ত্তমানেও গ্রাম্য বৈদ্যুতিকৰণ আঁচনিৰ অন্তর্ভুক্ত হবলৈ বাকী আছে ?

(ঘ) এই আঁচনি সমূহ কেতিয়াকৈ সম্পূর্ণ হব ?

শ্রীগোপীনাথ দাস (মন্ত্রী, গ্রাম্য বৈদ্যুতিকৰণ বিভাগ) য়ে উত্তৰ দিছে ঃ

(ক) চলিত বছৰত (১৯৯৪-৯৫) ৩৫০ খন গাওঁ গ্রাম্য বৈদ্যুতিকৰণ আঁচনিত অন্তর্ভুক্ত আছে আৰু ইতিমধ্যে ইয়াৰ কামো আৰম্ভ কৰা হৈছে।

(খ) যোৰহাট জিলাৰ অন্তর্ভুক্ত টীয়ক সমষ্টিত চলিত বছৰত নতুন ৫ খন পিয়লভুক্ত গাওঁ বৈদ্যুতিকৰণ আঁচনিৰ অন্তর্ভুক্ত কৰা হৈছে।

(গ) টীয়ক সমষ্টিত আৰু ৪ খন গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে।

(ঘ) নৱম পৰিকল্পনাৰ প্রথম বছৰৰ ভিতৰতে এই আঁচনি সমূহৰ কাম সম্পূর্ণ কৰিব পৰা হব বুলি আশা কৰা হৈছে।

Re : Sanctioned post of Subject Teacher.

Shri Karendra Basumatary, asked :

113. Will the Minister of state Education be pleased to state ?

(a) Whether it is a fact that Tangla High School had been upgraded as Higher Secondary School in the district of Darrang and was permitted to open Higher Secondary classes from XI [eleven] to XII [twelve] since 1993 but no posts for the subject teachers have been so far sanctioned ?

(b) What step in this connection has been taken by the Education Deptt. ?

Sri Gautom Bora (Minister of State Education) replied.

(a) Tangla H. E. School has been permitted to start Higher Secondary classes without commitment of posts.

(b) Steps for sanction of posts will depend on availability of fund.

বিষয় ঃ শিক্ষক / শিক্ষয়িত্রী সকলৰ চাকৰি চৰকাৰীকৰণ।

শ্রীহলিৰাম টেৰাংয়ে সুধিছে :

১১৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ পৰা চৰকাৰীকৰণ কৰা প্রাথমিক বিদ্যালয়বোৰত দ্বিতীয় প্রতিষ্ঠাপক শিক্ষক / শিক্ষয়িত্রী সকলৰ চাকৰিৰ চৰকাৰীকৰণ হোৱা নাই কিয় ?

(খ) এওঁলোকক কেতিয়া চৰকাৰীকৰণ কৰা হব ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ইতিমধ্যে পদ মোকোলাই দিয়া হৈছে।

(খ) ১৮-১-৯৫ পৰা কার্য্যকৰী হোৱাকৈ আদেশ দিয়া হৈছে।

বিষয় ঃ সুতাকল খোলাৰ ব্যৱস্থা।

শ্রীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

১১৫। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসম সমবায় সুতা কল বৈতামাৰী আজি ৬ [ছয়] মাহ ধৰি বন্ধ হৈ থকা সুতা কলটো খোলাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

(খ) বৈতামাৰী সমবায় সুতাকলৰ কৰ্মচাৰী সকলৰ ৬ [ছয়] মাহ ধৰি দৰমহা দিয়া হোৱা নাই। তেওঁলোকে পাবলগীয়া দৰমহা দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে লব নেকি ? যদি লয় কেতিয়া দিব ?

(গ) বন্ধ হৈ থকা সুতা কলটো ব্যক্তিগত খণ্ডত দিব নেকি ?

শ্রীনগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সুতাকল কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ চলি আছে।

(খ) সুতাকলৰ কৰ্মচাৰী সকলৰ দৰমহা দিয়াৰ ব্যৱস্থাৰ দায়িত্ব সুতাকল কৰ্ত্তৃপক্ষৰহে, ৰাজ্য চৰকাৰৰ নহয়।

(গ) বৰ্ত্তমান তেনে চিন্তা কৰা হোৱা নাই। অৱশ্যে উপযুক্ত প্রতিস্থান পালে চিন্তা কৰা হব।

বিষয় ঃ পাইকাৰী গ্রাহক সমবায় ভাণ্ডাৰ।

শ্রীধ্রুৱ কুমাৰ সেনে সুধিছে ঃ

১১৬। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰীত থকা পাইকাৰী গ্রাহক সমবায় ভাণ্ডাৰ লিমিটেডৰ অধীনত যিসকল কৰ্মচাৰী আছে তেওঁলোকক নিয়মিত ভাবে দৰমহা দিয়া হৈছে নেকি ?

(খ) যদি দিয়া নাই, নিদিয়াৰ কাৰণ অনুগ্রহ কৰি জনাবনে ?

(গ) যদি দিয়া নাই, তেনেহলে অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রীনগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সম্পূর্ণ ৰূপে দিয়া হোৱা নাই।

(খ) সমিতিৰ আর্থিক সংকটৰ কাৰণে সমিতিয়ে সম্পূর্ণ দৰমহা দিব পৰা নাই।

(গ) সমিতিয়ে নিশ্চয় আর্থিক অৱস্থাৰ উন্নতি হলে দৰমহা দিয়াৰ ব্যৱস্থা কৰিব।

Re : Appointment of Muster Roll Employees.

Shri Ram Pyare Rabidas asked :

117. Will the Minister of Flood Control be pleased to State :

(a) How many Muster Roll Employees are there under various Flood Control (F. C.) Divisions and Sub-Divisions in the three districts (Cachar, Karimganj, Hailakandi) of the Barak Valley ?

(Please enclose a statement with names addresses of the M. R. Employees with their father's names qualifications, date of appointments, place of posting seperately divisionwise)

(b) What were the basis of the appointments ? Whether the names were collected from local employment exchange Offices or interviews were arranged for selection of the candidates ?

(c) Whether Government reservation policy for SC/ST etc. has been followed during appointments ?

If yes, please mention the names of SC/ST candidates and their percentage with total number of employees ?

If not, why and whether it is not violation of Government rule ?

(d) Is there any Government scheme/provisions made for regularisation of the job of Muster Roll employees ?

(e) If yes, what is the criteria fixed for the purpose and if not why ?

Shri Haren Bhumij (Minister, Flood Control) replied :

(a) There are presently 157 Nos. of Muster Roll employees under various Flood Control Divisions in the three Districts of Barak Valley. The details are enclosed at Annexure – 1. See the Annexure—VII

(b) The Muster Roll Labourers were engaged as per requirement on temporary daily wage basis. No. the names were not collected from Local Employment Exchange or through interviews.

(c) No. The reservation policy was not followed for such engagement on daily wage basis.

The names of SC/ST labourers are appended in Annexure—II. The percentage of SC/ST labourers with respect to total Nos. is as below :—

S. C. — 8.92%

S. T. — 1.91%

There is no prescribed Govt. Rule about engagement of Muster Roll Labourers based on Reservation policy. (See the Annnxure VIII)

(d) Yes.

(e) As per Govt. circular the criteria is that the Muster Roll Workers of P. W. D. and other Engineering Departments who have already completed 15 years of continuous service are to be regularised.

বিষয় ঃ— চৰকাৰী পুথিভঁড়ালৰ কাৰ্য্যাৱলী।

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে :

১১৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমত কিমানটা চৰকাৰী পুথিভঁড়াল আছে (জিলা ভিত্তিত নাম সহ তালিকা দাখিল কৰিব) ?

(খ) ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪, ১৯৯৪-৯৫ বিত্তীয় বর্ষত চৰকাৰী পুথিভঁড়াল সমূহৰ বাবে কিমান পুথিঁ ক্রয় কৰিছে আৰু এই ক্রয়ত কিমান পৰিমানৰ টকা ব্যয় হৈছে (সুকিয়াকৈ দেখুৱাব) লিখকে তেওঁৰ পুথিঁ ক্রয়ৰ বাবে নির্বাচিত কৰিবলৈ কি দৰে আবেদন কৰিব লাগে আৰু পুঁথি নির্বাচন কি দৰে কৰা হয় ?

(গ) দৰমহাৰ উপৰি কোনো বিত্তীয় সাহায্য চৰকাৰী পুথিভঁড়াল সমূহক, মেৰামতি, বিজুলী, খবৰ কাগজ ক্ৰয় আদিৰ বাবে আগবঢ়োৱা হয় নেকি ? যদি হয়, এনে বিত্তীয় সাহায্য প্ৰত্যেকটো চৰকাৰী পুথিভঁড়াল

(খ) প্ৰশ্নত উল্লেখিত বিত্তীয় বৰ্ষ কেইটাত কিমানকৈ পাইছে তথ্য সদনত দিব ?

(ঘ) অসমত কোন কেইটা পুথিভঁড়ালৰ লগত প্ৰেক্ষা গৃহ সংলগ্ন হৈ আছে ? এই প্ৰেক্ষাগৃহ সমূহৰ বাবে চৰকাৰে কিদৰে পুঁজি আৱণ্টন দিয়ে। যোৰহাট পুথিভঁড়ালৰ লগত সংলগ্ন প্ৰেক্ষাগৃহৰ চকীসমূহৰ মেৰামতি, চলিত বছৰত সম্পূৰ্ণ হবনে, যদি নহয়, কোন বিত্তীয় বৰ্ষত এই কাম সম্পূৰ্ণ হব ?

(ঙ) প্ৰেক্ষাগৃহ সমূহৰ ভাড়াৰ বাবদ পোৱা টকা কোন পুঁজিত ক'ত জমা হয়। এনে পুঁজি সংলগ্ন পুথিভঁড়ালৰ গ্ৰন্থগাৰিক জনক এটা সুকীয়া একাউন্ট খুলি জমা ৰখাৰ সুবিধা দি প্ৰেক্ষাগৃহ সমূহৰ ন্যূনতম মেৰামতিৰ বাবে গ্ৰন্থগাৰিক জনক এই একাউন্টৰ পৰা খৰচ কৰিবলৈ অনুমতি দিয়াৰ ব্যৱস্থা চৰকাৰে নকৰাৰ কাৰণ কি ? চৰকাৰে শীঘ্ৰে এনে ব্যৱস্থা হাতত লবনে ?

শ্ৰীগোলোক ৰাজবংশী, (অসমৰ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সৰ্বমুঠ ৩৯ টা চৰকাৰী পুথিভঁড়াল আছে। (জিলা ভিত্তিত নাম সহ তালিকা দাখিল কৰা হৈছে)। (See the Annuxure-x)

(খ) প্ৰশ্নোল্লেখিত বৰ্ষসমূহত কিমান টকাৰ কিতাপ চৰকাৰী পুথিভঁড়াল সমূহৰ বাবে ক্ৰয় কৰা হৈছে তলৰ তালিকাত দেখুওৱা হৈছে।

	১৯৯১-৯২	১৯৯২-৯৩	১৯৯৩-৯৪	১৯৯৪-৯৫
পৰিকল্পনা	১৫,০০,০০০/-	২,৭৪,০০০/-	১২,০৯৫,০০/-	—
পাৰ্ব্বত্য				—
পৰিকল্পনা	২,০০,০০০/-	৪,৯৫,০০০/-	২,০০,০০০/-	—
	,, ,,		,, ,,	—
স্বাভাৱিক	৯৯,৬০০/-	—	১,৯৯,০০০/-	—

প্ৰত্যেক বছৰৰ শেষৰ ফালে জাননীযোগে ক্ৰয় কৰিবলগীয়া কিতাপৰ নমুনা সহ আবেদন/নিবিদা, আহ্বান কৰা হয়। কিতাপৰ আবেদন/নিবিদা পোৱাৰ পিছত ক্ৰয় বোৰ্ড [Purchase Board] আৰু ৰাজ্যিক কিতাপ নিৰ্বাচন সমিতিৰ দ্বাৰা [State Book Selection Committee] কিতাপ

নির্বাচন কৰি বিত্তীয় মঞ্জুৰী অনুযায়ী ক্ৰয় ব্যৱস্থা লোৱা হয়।

(গ) দৰমহাৰ উপৰি এই চৰকাৰী পুথিভঁড়াল সমূহ কোনো বিত্তীয় সাহায্য আগবঢ়োৱা নহয়। কিন্তু এই পুথিভঁড়াল সমূহৰ মেৰামতি, খবৰ কাগজ, ক্ৰয় বিজুলী আদিৰ খৰছৰ বাবে পৰিপূৰক বিত্তীয় অনুদান দিয়া হয়। প্ৰশ্নোল্লেখিত বৰ্ষসমূহত এই অনুদানৰ বিতং তথ্য সংলগ্ন প্ৰবিকৰণত দাখিল কৰা হৈছে। (See the Annuxurer XI)

(ঘ) বৰ্তমানে জিলা পুথিভঁড়াল গুৱাহাটী, তেজপুৰ, যোৰহাট, ধুবুৰী উত্তৰ লক্ষীমপুৰ, ডিব্ৰুগড়, শিলচৰ আৰু নগাওঁৰ লগত প্ৰেক্ষাগৃহ সংলগ্ন হৈ আছে। পুথিভঁড়াল সঞ্চালকালয়ৰ বাবে থকা বাৰ্ষিক বাজেট আবণ্টনৰ পৰাই প্ৰেক্ষাগৃহ সমূহলৈ পুঁজিৰ আবণ্টন দিয়া হয়। যোৰহাট জিলা পুথিভঁড়ালৰ প্ৰেক্ষাগৃহত চকী সমূহৰ মেৰামতিৰ বাবে চলিত বছৰত পুথিভঁড়াল সঞ্চালকালয়ৰ পৰা পুঁজিৰ আবণ্টন দিয়া হোৱা নাই। জিলা উপাযুক্ত তৰফৰ পৰাহে ইয়াৰ চকীসমূহৰ মেৰামতি কৰিছে।

(ঙ) প্ৰেক্ষাগৃহ সমূহৰ ভাড়াৰ বাবদ পোৱা টকা চৰকাৰৰ হিচাবৰ শিতান "8282 Education Sports, Art & Culture – other receipts collection of payment for the services rendered" ত চালান যোগে জমা দিয়া হয়।

সুকীয়া একাউণ্ট খুলি গ্ৰন্থাগাৰীক জনক খৰছ কৰাৰ অনুমতি দিয়া সম্পৰ্কত বিত্ত বিভাগৰ অনুমতি নোলোৱাকৈ ব্যৱস্থা লব পৰা নহয়। চৰকাৰে এই বিষয়ত সদ্যহতে কোনো বিবেচনা কৰা নাই।

বিষয় :— শিক্ষক শিক্ষয়িত্ৰী নিযুক্তি

শ্ৰীঅতুল বৰাই সুধিছে :

১১৯। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) কিছুমান প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ত প্ৰয়োজনতকৈ অধিক নিযুক্তি দি থকাৰ কাৰণ কি জনাবনে ?

[খ] গুৱাহাটী মহানগৰীত প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয় সমূহৰ কোন খনত কিমান নিযুক্তি দিয়া হৈছে তাৰ এখন তালিকা সদনত দাখিল কৰিবনে ?

[গ] অসমৰ বিভিন্ন ঠাইত এজনীয়া শিক্ষক থকা প্ৰাথমিক বিদ্যালয় সমূহৰ দ্বিতীয় পদত বহু বছৰ ধৰি কাম কৰি থকা শিক্ষক শিক্ষয়িত্ৰী চাকৰি কেতিয়াকৈ নিয়মিয়া [চৰকাৰী] কৰা হব জনাবনে ? এই বিষয়টোত অগ্রাধিকাৰ দিয়া কথাটো চৰকাৰে বিবেচনা কৰিছেনে ?

[ঘ] কং [ই] বিধায়ক সকলে প্ৰাথমিক বিদ্যালয়ত নিযুক্তিৰ বাবে ২০ জনীয়া শিক্ষক শিক্ষয়িত্ৰীৰ এখন তালিকা দিয়াৰ বাবে চৰকাৰে কিবা সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি ?

শ্ৰীগৌতম বৰা [শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী] য়ে উত্তৰ দিছে :

[ক]]
[খ]] তথ্য জিলা শিক্ষা বিষয়াৰ পৰা বিচৰা হৈছে ।

(গ) ১৯৯১-৯২ চনত এজনীয়া শিক্ষক পদেৰে প্ৰাদেশীকৰণ কৰা প্ৰাথমিক বিদ্যালয় সমূহৰ বাবে দ্বিতীয় শিক্ষকৰ পদ সমূহ ইতিমধ্যে মোকলাই দিয়া হৈছে । এই পদ সমূহত ইতিমধ্যে কাম কৰি থকা অৰ্হতা সম্পন্ন দ্বিতীয় শিক্ষক সকলক নিযুক্তি দিবলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

(ঘ) সঁচা নহয় ।

Re : Re-Opening of L. P. G. Cylender factory,

Shri Sasha Kamal Handique asked :

120. Will the Minister of Industry be pleased to state ;

(a) What steps Government has taken to re-open L. P. G. Cylender Factory is M/S B. S. (Assam) Industries ?

(b) What steps has taken to make the Assam state Fertilizer aviable Industry ?

(c) Whether Government has take up the matter of N. T. C. Cotton Mill to keep it alive with Government of India ?

Shri Bijit Saikia, Minister, Industries replied :

(a) This being a Private Sector Unit, the steps for re-opening the unit the Government does not arise.

(a) i) It is proposed to reduce cost of production by increasing the production capacity and by releasing surplus employees under voluntary retirement scheme.

(ii) Diversification of existing product-mix.

(c) Yes.

বিষয়—জিলা পুথিভঁড়াল নিৰ্ম্মান।

শ্ৰীমুনিন মহন্তই সুধিছে :

১২১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত নতুনকৈ ঘোষণা কৰা কোন কোন জিলাত এতিয়া পৰ্য্যন্ত জিলা পুথিভঁড়াল নিৰ্ম্মান হোৱা নাই ?

খ) মৰিগাওঁ জিলাত জিলা পুথিভঁড়ালৰ গৃহ নিৰ্মানৰ বাবে চৰকাৰৰ হাতত আচঁনি আছে নেকি ?

গ) যদি আছে তেনেহলে কেতিয়াকৈ উক্ত জিলা পুথিভঁৰাল নিৰ্ম্মানৰ কাম সমাপ্ত হব ?

শ্ৰীগোলোক ৰাজবংশী [শিক্ষা বিভাগৰ মন্ত্ৰী] য়ে উত্তৰ দিছে।

ক) নতুনকৈ ঘোষণা কৰা নলবাৰী, মৰিগাওঁ গোৱালপাৰা, কোকৰাঝাৰ, শিৱসাগৰ, গোলাঘাট, ধেমাজী, বঙ্গাইগাওঁ, তিনিচুকীয়া, কৰিমগঞ্জ, আৰু হাইলাকান্দি জিলাত এতিয়ালৈকে জিলা পুথিভঁড়াল নিৰ্ম্মান কৰা হোৱা নাই।

খ) আছে।

গ) স্থান নিৰ্ণয় কৰিবলৈ বিভাগীয় ব্যৱস্থা লোৱা হৈছে।

Re : Basis of Provincialisation.

Shri Kosheswar Baruah, asked.

122. Will the Minister of State, Education be pleased to state :

When and on what basis the venture L P. Schools of Assam would be provincialised ?

Shri Gautam Bora (Minister of State, Education) replied.

There is no proposal at present to provincialise all the Venture L. P. Schools in the State. However, sometimes venture Schools are provincialised on a need based manner subject to availability of funds, as per provisions of Assam Elementary Education Act and rules framed thereunder and Govt. instructions issued from time to time.

বিষয় ঃ গড়াখহনীয়া প্রতিৰোধ ।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে :

১২৩। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ধাৰাপুৰৰ পৰা গড়লৰৈ মাজিৰ গাওঁলৈ ব্রহ্মপুত্রৰ গড়াখহনীয়া প্রতিৰোধৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে জনাবনে ?

(খ) ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪ আৰু ৯৪-৯৫ চনত উক্ত খহনীয়া প্রতিৰোধৰ বাবে কিমান টকাৰ আৱণ্টন দিয়া হৈছিল আৰু এতিয়ালৈকে কিমান টকাৰ কাম কৰা হ'ল জনাবনে ?

(গ) ব্রহ্মপুত্রৰ গড়াখহনীয়াৰ ফলত অতি কম দিনৰ ভিতৰতে যে গুৱাহাটী বিশ্ববিদ্যালয় আৰু ববঝাৰ এয়াৰ পর্ট যে বিলুপ্ত হব এই কথাটো চৰকাৰে জানেনে ?

(ঘ) যদি জানে তেনেহলে ইয়াক প্রতিৰোধ কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্রহণ কৰিছে ?

শ্রীহৰেণ ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ধাৰাপুৰৰ পৰা গড়লৰৈ ১৯৯০ চনৰ আগলৈকে তিনিখন গড়াখহনীয়া প্রতিৰোধ আচনি কার্য্যকৰী কৰা হয়। ১৯৯১-৯২ চনত চতুর্থখন আৰু ১৯৯২-৯৩ চনত পঞ্চমখন আঁচনি কার্য্যকৰী কৰা হয়। ইয়াৰ উপৰিও ১৯৯২-৯৩ চনৰ পৰা এতিয়ালৈকে মুঠ চাৰিটা এফ, ডি, আৰ, কাম কৰা হয়।

(খ) প্রশ্নত উল্লেখ কৰা বছৰ সমূহত উক্ত গড়াখহনীয়া প্রতিৰোধৰ বাবে দিয়া আৱণ্টন আৰু খৰছ সমূহ এনে ধৰণৰ—

চন	মূল আঁচনি	এফ্, ডি. আৰ. আঁচনি
১) ১৯৯১-৯২	৩৯·১৯ লাখ	নাই
২) ১৯৯২-৯৩	৭·২৪ লাখ	৪·১৫ লাখ
৩) ১৯৯৩-৯৪	৩৬·৫১ লাখ	১৭·৫৫ লাখ
৪) ১৯৯৪-৯৫	২১·৯৮ লাখ	১·৭৩ লাখ
মুঠ	১০৪ ৯২ লাখ	২৩·৪৩ লাখ

(গ) উক্ত অঞ্চলত ব্রহ্মপুত্রৰ গড়াখহনীয়াৰ ফলত উদ্ভৱ হব লগীয়া পৰিস্থিতিত গুৱাহাটী বিশ্ববিদ্যালয় আৰু বৰৰাৱ বিমান ঘাটি ক্ষতিগ্রস্থ হোৱাৰ সম্ভাৱনাৰ বিষয়ে জানে।

(ঘ) ক আৰু খ প্রশ্নোত্তৰত উল্লেখ কৰা ব্যৱস্থা সমূহৰ উপৰিও গড়লৰ পৰা মাৰিনৰ গাওঁৰ ৰক্ষণা-বেক্ষণাৰ প্রতি লক্ষ্য 'ৰাখি' Protection of General Area, from General to Majirgaon" নামৰ ৩২·৬৪ কোটি টকাৰ এখন আঁচনি যুগুটাই কেন্দ্রীয় জল আয়োগৰ কার্য্যালয়লৈ অনুমোদনৰ বাবে ইতিমধ্যে পঠোৱা হৈছে আৰু Protection of Dharapur area from the erosion of River Brahmaputra 'Ph.—IV' নামৰ ৪৮·৫০ লাখ টকাৰ আন এখন আঁচনি প্রস্তুতি কৰি ৰখা হৈছে। উক্ত আঁচনি সমূহৰ অনুমোদন পোৱাৰ পিছত আৰু যাৱতীয় পুজিৰ ব্যৱস্থা সাপেক্ষে উক্ত আঁচনি সমূহ কার্য্যকৰী কৰাৰ কথা বিবেচনা কৰিব পৰা হব।

বিষয় ঃ গেচ যোগান ব্যৱস্থা

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

১২৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৮৯-৯০ চনতে অসম গেচ কোম্পানীয়ে ডিগবৈ নগৰ সমিতিৰ লগত আলোচনা কৰি ডিগবৈত লাইন গেচ যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ সর্বেক্ষণ Survey চলাইছিল, এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) বর্ত্তমান উক্ত কোম্পানীয়ে ডিগবৈৰ মাজেদি পেণ্ডেৰীলৈ পাইপ লাইন বহুৱাৰ কথা চৰকাৰে জানেনে?

(গ) উক্ত পাইপ লাইনৰ পৰা ডিগবৈ আৰু মার্ঘেৰিটাত ঘৰুৱা ব্যৱহাৰৰ

বাবে গেচ যোগান ধৰা কিবা আঁচনি লোৱা হৈছে নেকি? এই বিষয়ে ডিগবৈ বাসী ৰাইজৰ কিবা দাবীৰ কথা চৰকাৰ অৱগতনে?

শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) য়ে উত্তৰ দিছে:

(ক) হয় অৱগত।

(খ) হয় জানে।

(গ) ডিগবৈত আঁচনি লোৱা আছে। মার্ঘেৰিটাত লোৱা হোৱা নাই। ডিগবৈ বাসী ৰাইজৰ কথা চৰকাৰ অৱগত নহয়।

বিষয়: পদৰ মঞ্জুৰী

শ্রীহিতেশ্বৰ ডেকাই সুধিছে:

১২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্ত্তমানলৈকে মুঠতে কিমানখন (১) প্রাথমিক বিদ্যালয় আৰু (খ) মধ্য ইংৰাজী বিদ্যালয় চৰকাৰীকৰণ কৰা হৈছে?

(খ) চৰকাৰীকৃত প্রাথমিক বিদ্যালয় সমূহৰ প্রতিষ্ঠাপক দ্বিতীয় শিক্ষকৰ পদ সমূহ কেতিয়াৰ পৰা কার্য্যকৰী হোৱাকৈ মঞ্জুৰী দিয়া হব?

(গ) ইতিমধ্যে চৰকাৰীকৃত মধ্য ইংৰাজী বিদ্যালয় সমূহৰ আটাইবোৰ ৪র্থ শ্রেণীৰ পদৰ মঞ্জুৰী দিয়া হৈছেনে?

(ঘ) যদি হোৱা নাই, এই পদ সমূহ কেতিয়াৰ পৰা কার্য্যকৰী হোৱাকৈ মঞ্জুৰী দিয়া হব?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে:

(ক) ১৩০৫ খন প্রাথমিক বিদ্যালয় আৰু ১২৫৫ খন মধ্য ইংৰাজী/মাদ্রাছা প্রাদেশীকৃত কৰা হৈছে।

(খ) ১৮-১-৯৫ তাৰিখৰ পৰা কার্য্যকৰী হোৱাকৈ ইতিমধ্যে পদসমূহ মোকলাই দিয়া হৈছে।

(গ) নাই।

(ঘ) পুজি সাপেক্ষে ব্যৱস্থা লব পৰা হব।

Re : Purchase land

Shri Jaynath Sarmah, asked.

126. Will the Minister of Cooperation be pleased to state :

(a) What is the total amount that has been spent for purchasing the land by ASCARD BANK IN the City ? (During last 3 (three) years)

(b) What are the terms and conditions agreed by the ASCARD Bank for purchasing such land ? (copy of the Agreement be furnished)

(c) Is there / was there, any proposal taking over he Management or running the day to day administrative affairs of KRISNA CREDIT ? If so, what are / were the terms and conditions agreed by the ASCARD Bank ?

(d) What are the total amount drawn by the officers and Directors of the Board (including Chairman) as their TA and other allowances during 1991-92, 92-93, 93-94 ? (Name wise figure may be shown)

(e) What were the total Nos. of loan applications received by the bank during the year 1991 to 1995. Out of those proposals, (as on 1, 2, 95) how much loan has been sanctioned and disbursed ?

(f) What is the total recovery during the said period ? (primary / Branch wise)

(g) What is the total salaries paid by the bank during the said period (year wise)

(h) Who have been appointed by the Bank during the said period ?

Shri Nagen Neog, (Minister, Cooperation) replied.

(a) Rs. 17 25 lakhs.

(b) The Bank agreed to purchase the plot of land on the terms and condition that bank will pay advance by executing the deed of Agreement for the Advance and make final payment at the time of execution and registration of Sale deed (copy of the Agreement for advance are enclosed as Annexure–I)

(c) Yes, Terms and conditions are as per (annexure-VIII)

(d) A statement is enclosed. (Annexure 2 & 3)

(e) A total of 2219 No. of loan applications were received ? Loan sanctioned stands at 495·54 lakhs and loan disbused stands at 360·40 lakhs (Annexure—IV)

(f) A statement is enclosed (Annexure—V)

(g) A statement is enclosed (Annexure—VI)

(h) A statement is enclosed (Annexure—VII)

বিষয় ঃ শিক্ষক নিয়োগ

শ্রীযতীন মালীয়ে সুধিছে ঃ

১২৭। মাননীয় বাজ্যিক শিক্ষা মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ৩০ জুনৰ পৰা ১৯৯৫ চনৰ ৩১ জানুৱাৰী পৰ্যান্ত পলাশবাৰী সমষ্টিৰ L.P. M E. M.V. স্কুলত মুঠ কিমানজন শিক্ষক নিয়োগ কৰা হৈছে ?

(খ) নিয়োগ কৰা শিক্ষক সকলৰ নাম ঠিকনা নিয়োগ কৰা তাৰিখ আৰু নিয়োগ কৰা স্কুলখনৰ নাম কবনে ? (L.P. M.E. M.V. স্কুলৰ সুকীয়াকৈ দিব ।)

(গ) সমষ্টিটোত উল্লেখিত সময়ত নিয়োগ কৰা B. Sc. শিক্ষক সকলৰ মুঠ কিমানজন অংক সহ বিজ্ঞান স্নাতক জনাবনে ?

(ঘ) সমষ্টিটোত M.E., M.V. স্কুলত নিয়োগ হোৱাৰ পিছত কিছু সংখ্যকৰ পুনৰ চাকৰি বাতিল কৰাতো সঁচানে আৰু যদি সঁচা, কিমানজনৰ চাকৰি বাতিল কৰিছে আৰু কি কি কাৰণত ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক)
(খ)
(গ)
(ঘ) | সংশ্লিষ্ট বিষয়াৰ পৰা তথ্য বিচৰা হৈছে ।

বিষয় ঃ সংস্কৃত টোল প্রাদেশীকৰণ ।

শ্রীপ্রণৱ কুমার নাথ জিজ্ঞাসা করছেন ঃ

১২৮। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জনাবেন কি ঃ

(ক) সমগ্র আসামে সর্বমোট কয়টি সংস্কৃত টোলৰ চতুষ্পাতি আছে— জিলা ভিত্তীক নাম সহ বিশদ তালিকা সদনের মেঝে দাখিল করিবেন ?

(খ) বর্ত্তমান অর্থ বছরে আসামের সকল প্রকাৰ সংস্কৃত টোল গুলিতে প্রাদেশিকী করণের ব্যৱস্থা করিবেন কি ? যদি হয় কখন— যদি না কেন ?

(গ) আসামের মাদ্রাসা গুলিকে যদি প্রাদেশিকীকরণ করা হচ্ছে তাহলে সংস্কৃত টোল গুলিকে যদি কেন আজ পর্য্যন্ত প্রাদেশিকীকরণর ব্যৱস্থা করা হচ্ছেনা ?

শ্রীগোলোক ৰাজবংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বর্ত্তমান অসমত পূর্ণ মঞ্জুৰী প্রাপ্য (Up graded) ৮০ খন সংস্কৃত আৰু পালি বিদ্যালয়, এখন পূর্ণ মঞ্জুৰী প্রাপ্ত সংস্কৃত মহাবিদ্যালয় আৰু এখন শ্বস্বৰ বেদপাঠৰ বেদ বিদ্যালয় আছে। ইয়াৰ উপৰিও চাৰিখন তদর্থ মঞ্জুৰী (Adhoc grant) প্রাপ্ত সংস্কৃত বিদ্যালয় আছে। জিলা ভিত্তিত নাম ঠিকনা সহ এখন তালিকা অনুবদ্ধ 'ক' ত দাখিল কৰা হ'ল। (Annexure-XII)

(খ) চলিত দ্বিতীয় বছৰত অসমৰ কোনো সংস্কৃত ও পালি বিদ্যালয় প্রাদেশিক কৰণৰ আচনি নাই ।

(গ) সংস্কৃত টোল সমূহ প্রাদেশিকীকৰণ কৰাত নীতিগত কোনো বাধা নাই ।

বিষয় ঃ গৃহহীন মানুহ।

শ্রীনগেন শর্মাই সুধিছে ঃ

১২৯। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯৪ চনত পাগলদিয়া নৈয়ে বৰমাত (নলবাৰী সংমণ্ডলৰ অধীনত) মথাউৰী ভাঙি খহনীয়া হৈ ৭ ঘৰ মানুহৰ গৃহহীন কৰাৰ বিষয়ে জানেনে ?

(খ) যদি জানে ? উক্ত মথাউৰী আৰু খহনীয়া ৰোধ কৰাৰ বাবে কি ব্যৱস্থা হাতত লৈছে ?

শ্রীহবেণ ভূমিজ (বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী) যে উত্তৰ দিছে ঃ

(ক) ববমা অঞ্চলত পাগলদিয়া নদীৰ অৱস্থান নাই। এই অঞ্চলৰ মাজেদি মৰা পাগলদিয়া নদীহে বৈ গৈছে। ১৯৯৪ চনত এই মৰা পাগলদিয়া নদীৰ মথাউৰী ভঙা আৰু খহনীয়া হোৱাৰ বিষয়ে চৰকাৰে জানে। ইয়াৰ দ্বাৰা কোনো পৰিয়াল গৃহহীন হোৱা নাই।

(খ) উক্ত মথাউৰীৰ মেৰামতি আৰু খহনীয়া প্রতিৰোধৰ কোনো আঁচনি বান নিয়ন্ত্রণ বিভাগে আর্থিক নাটনিৰ হেতু হাতত লব পৰা নাই।

Re. : Establishment of Gas Turhine.

Sri Kali Ranjan Deb, asked :

130 Will the Minister of Electricity (Power) be pleased to state :

(a) What is the present progress for establishment of Gas Turhine Project at Banshkandi and Adamtilla in Barak Valley for Generation of Electricity there ?

(b) How much time it will take to complete constructs of those projects and when supply of power from those projects can be expected ?

(c) What is the proposed capacity of production of energy by those projects ?

Shri Devananda Konwar, (Minister, Power) replied :

(a) Memorandum of understanding between State Govt. and M/s. BLF Power Co. Ltd. was signed on 3-9-93 Subsequently Preliminary Power Purchase Agreement was signed by ASEB with M/s. DLF Power Co. Ltd. on 9-2-95 Approval of Detailed Project Report by Central Electricity Authority is awaited.

(b) Project is expected to be completed within 20 (twenty) months after the zero date i. e. after approval of DPR and signing of Implementation Agreement / final Power Purchase Agreement as per provision of Memorandum of Understanding.

(c) The proposed capacity of production of Power from Adamtilla CCGT is 9 MW and that of Banshkandi CCGT it 15 5 MW as per Detailed Project Report.

বিষয় ঃ অসমত উদ্যোগৰ সংখ্যা

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৩১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত ১৯৯১ চনলৈ থকা চৰকাৰী, বেচৰকাৰী, সমবায়, যুটীয়া খণ্ডৰ খুদ্র, মজলীয়া আৰু বৃহৎ উদ্যোগৰ সংখ্যা কিমান ? (পৃথকে দেখুৱাব)

(খ) উক্ত উদ্যোগ সমূহৰ কোন কোন উদ্যোগ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হ'ল ?

(গ) ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা উদ্যোগ সমূহৰ প্রতিটোৰ মাটি আৰু সম্পত্তিৰ মূল্য কিমান হব ? কিমান নির্ধাৰিত মূল্যত ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰা হ'ল ? (পৃথকে পৃথকে দেখুৱাব)

শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১) বৃহৎ উদ্যোগ

(ক) কেন্দ্রীয় চৰকাৰৰ ৰাজহুৱা খণ্ডত ৯ টা ।

(খ) ৰাজ্যিক চৰকাৰৰ ৰাজহুৱা খণ্ডত ৪ টা।

(গ) ৰাজ্যিক সমবায় খণ্ডত ১ টা।

(২) মজলীয়া উদ্যোগ—

(ক) কেন্দ্রীয় চৰকাৰৰ ৰাজহুৱা খণ্ডত ৩ টা।

(খ) ৰাজ্যিক চৰকাৰৰ ৰাজহুৱা খণ্ডত ৮ টা।

(গ) ৰাজ্যিক চৰকাৰৰ যুটীয়া খণ্ডত ১ টা।

(ঘ) ৰাজ্যিক চৰকাৰৰ সমবায় খণ্ডত ৬ টা।

(ঙ) বেচৰকাৰী খণ্ডত ৮৩ টা।

(৩) খুদ্র উদ্যোগ—

(ক) ১৯৯১ চনৰ ৩১ ডিচেম্বৰলৈ পঞ্জীয়ন প্রাপ্ত খুদ্র উদ্যোগৰ সংখ্যা ১৯১৭২ টা।

(খ) যদিও প্রকৃতার্থত কোনো এটা চৰকাৰী উদ্যোগেই সম্পূর্ণভাৱে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হোৱা নাই তথাপি অসমৰ উদ্যোগিক নীতি অনুসৰি নিবনুৱা সমস্যা আদি বিভিন্ন দিশ বিবেচনা কৰাৰ পিছত অসম চৰকাৰে কেইটামান উদ্যোগ ব্যক্তিগত খণ্ডৰ পৰিচালনাৰ অধীনলৈ অনাৰ বাবে সিদ্ধান্ত লৈছে।

যেনে – ১) অশোক কাগজ কল দীর্ঘম্যাদি লীজত সাংঘী গ্রুপক দিয়াৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে। ২) কাছাৰ চুগাৰ মিল দীর্ঘম্যাদি লীজত ইউনিয়ন ফল মিলক দিয়াৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে। ৩) অসম পলিটেক্স লিমিটেডৰ equity শ্বেয়াৰৰ শতকৰা ৮৯ ভাগ আসাম ইয়াৰণ চাপ্লায়াৰচ নামৰ অনুস্থানলৈ হস্তান্তৰ কৰাৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। অৱশ্যে আসাম ইয়াৰণ চাপ্লায়াৰচে অনাদায় হৈ থকা (Outstanding liability) ৪৭৮ লাখ টকাৰ দায়িত্ব লৈছে বুজাবুজিৰ চুক্তি মর্মে। ৪) অসম ষ্টেট টেক্সটাইল কৰপৰেচনৰ equity শ্বেয়াৰৰ শতকৰা ৮৯ ভাগ গোৱেংকা উলেন মিলচলৈ হস্তান্তৰ কৰাৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে ইং ১৯ ৩ ৯৩ তাৰিখত।

(গ) যিহেতু প্রকৃতার্থত কোনো চৰকাৰী উদ্যোগেই এতিয়ালৈকে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰা হোৱা নাই, তথাপি ব্যক্তিগত খণ্ডৰ পৰিচালনাৰ অধিনলৈ অনাৰ বাবে যি কেইটা উদ্যোগৰ ক্ষেত্রত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰা হৈছে, সেই কেইটাৰ মাটি ও সম্পত্তিৰ মূল্য তথা বিতং তথ্য সংগ্রহ কৰি থকা হৈছে।

Re. : Advisory Board

Shri Borgo Ram Deuri, asked :

132. Will the Minister of Education be pleased to state :

(a) Whether Sub-Divisional Advisory Boards for Elementary Education have been formed ?

(b) On what basis the Boards have been formed ?

Shri Gautam Bora (Minister of State, Education) replied :

(a) 27 numbers of Sub-Division Level Advisory Boards for Elementary Education have been formed so far.

(b) The Boards are re-constituted as below—

I) A Chairman nominated by the Government.

II) The District Elementary Education Officer of the respective District as member.

III) The Deputy Inspector of Schools of respective Sub-Division as Member / Secretary.

IV) 2 (two) persons from the public having interest in education as member as nominated by Government.

বিষয় ঃ বিদ্যুৎ প্রকল্প নির্ম্মাণ ।

শ্রীমধুসূদন তেওয়ারী জিজ্ঞাসা করছেন ঃ

১৩৩। মাননীয় শক্তি বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে ঃ

(ক) আদমটিলা গ্যাসভিত্তি বিদ্যুৎ প্রকল্প নির্মাণের কথা সরকার বর্তৃক বারে বারে বিধান সভাই ঘোষণা করা হইয়াছিল, তাহা অবগত আছেন কি ?

(খ) যদি অবগত, তবে আজ পর্য্যন্ত নির্মাণ কার্য্য আরম্ভ না করার কারণ কি ?

(গ) সরকার নির্দ্দিষ্ট ভাবে কবে নির্মাণ কাজ আরম্ভ করা হইবে জানাবেন কি ?

শ্রীদেবানন্দ কোঁৱর (মন্ত্রী, শক্তি বিভাগ) য়ে উত্তৱ দিছে ঃ

(ক) হ্যা অবগত।

(খ) কেন্দ্রীয় শক্তি প্রাধিকরণ থেকে Detailed project Report এৱ অনুমোদন এবং কেন্দ্রীয় তৈল ও গ্যাস মন্ত্রণালয় থেকে প্রয়োজনীয় গ্যাসের সঠিক আবণ্টন না পাওয়ার জন্য উক্ত প্রকল্পের নির্মাণ কাজ আরম্ভ করা হয় নাই।

(গ) কেন্দ্রীয় শক্তি দপ্তরের অধীনস্থ সংশ্লিষ্ট বিভাগীয় অনুমোদন এবং কেন্দ্রীয় তৈল ও গ্যাস মন্ত্রণালয় থেকে প্রয়োজনর গ্যাসের সঠিক আবণ্টন পাওয়ার সাথে সাথে উক্ত বিদ্যুৎ প্রকল্পের নির্ম্মাণ কার্য্য আরম্ভ করা হইবে।

বিষয় ঃ পুথিভঁৱালৈলৈ অনুদান।

শ্রীৰূপম কুৰ্ম্মীয়ে সুধিছে ঃ

১৩৪। মাননীয় শিক্ষা বিভাগৱ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱহাট জিলাৱ মৰিয়নি সমষ্টিৱ নকছাৱিত অৱস্থিত দহোটিয়া পুথি-ভঁৱালটি পঞ্জীয়নভূক্ত হৈ থকাৱ পিছটো আজি পৰিমিতা চৰকাৱৱ পৰা কোনো ধৰণৱ অনুদান তথা কিতাপ পত্র নোপোৱাৱ কাৰণ কি ?

(খ) মন্ত্রী মহোদয়ে এই পুথিভঁৱালৈলৈ এটি শকত আৰ্থিক সাহাৰ্য্য আৰু কিতাপ পত্র যোগান ধৰাৱ ব্যৱস্থা কৰিবনে ?

শ্রীগোলক ৱাজবংশী (শিক্ষা বিভাগৱ মন্ত্রী) য়ে উত্তৱ দিছে ঃ

(ক) কোনো পুথিভঁৱাল পঞ্জীয়নকৃত হলেই, সেই অনুস্থানে শিক্ষা বিভাগৱ তৰফৰ পৰা কোনোৰূপ অনুদান কিম্বা কিতাপ পত্র লাভ কৰাৱ বাবে ব্যৱস্থা নাই।

(খ) বৰ্ত্তমানে এনে সাহাৰ্য্যৱ বাবে শিক্ষা বিভাগৱ হাতত কোনো প্রস্তাৱ নাই।

বিষয় ঃ কলেজ প্রাদেশীকৰণ।

শ্রীমুজিবুৰ ৱহমানে সুধিছে ঃ

১৩৫। মাননীয় শিক্ষা (উচ্চ) বিভাগৱ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম বেচৰকাৰী কলেজ সমূহ প্রাদেশীকৰণৰ কিবা ব্যৱস্থা চৰকাৱে হাতত লৈছেনে ?

(খ) কলেজ কর্মচাৰী সকলৰ চাকৰি চৰকাৰী কৰণৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছেনে ?

শ্রীগোলোক বাজবংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) লোৱা নাই ।

(খ) Non-teaching Staff চাকৰি প্রাদেশীকৰণৰ প্রস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

Re, : Cancellation of L. P. Teacher's appointment.

Shri Miss Mission Ranjan Das, asked :

136. Will the Minister of Education be pleased to state :

(a) Is it fact that ban was imposed against appointments in Primary Schools in different periods during 1994 ?

(b) If it is fact, please give the periods of ban imposed in different times during 1994 ?

(c) Whether any action was taken on the complaint submitted to the Hon'ble Minister on 8th February, 1995 by the questioner ?

(d) If yes, give details of action taken and its results ?

(e) If not, state reasons thereof ?

Shri Gautam Bora (Minister of State, Education) replied ?

(a) Yes.

(b) Ban on appointment in primary schools teachers against regular / permanent vacancies, has been imposed with effect from 9-3.94 which is not yet lifted.

(c) Deputy Commissioner, Karimganj has been requested to conduct an enquiry and take action for termination of the appointments.

(d) Does not arise.

(e) Does not arise.

বিষয় ঃ এম, ই স্কুলৰ শিক্ষক নিযুক্তি।

শ্রীনজমুল হকে সুধিছে ঃ

১৩৭। মাননীয় প্রাথমিক, মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ বালিজানা চক্রৰ অধীনত বাতাবাৰী এম, ই স্কুলৰ সহকাৰী শিক্ষক শ্রীতাইজুদ্দিনক কোনো ধৰণৰ সাক্ষাতকাৰ আৰু বাচনি তালিকাত নাম নথকা সত্বেও উক্ত স্কুলত নিযুক্তি দিয়া কথা সঁচানে ?

(খ) উক্ত শিক্ষক জনৰ অবৈধ নিযুক্তি দিয়াৰ বাবে গোৱালপাৰা জিলাৰ প্রাথমিক শিক্ষা বিষয়াজনৰ বিৰুদ্ধে কিবা শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰা হবনে ?

(গ) অসমৰ বিভিন্ন জিলাত প্রাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি দিয়াৰ বাবে গঠন কৰি দিয়া বাচনি কমিটিবোৰ বাতিল কৰি দিয়া হবনে ?

(ঘ) গোৱালপাৰা জিলাৰ মাধ্যমিক স্কুলৰ শিক্ষক বাচনি কমিটিৰ চেয়াৰ মেন জনৰ ১৯৯১ চনৰ আগৰ আৰু বর্ত্তমান স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ হিচাব সদনত দাখিল কৰা হবনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ বাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা নহয়।
(খ) প্রশ্ন নুঠে।
(গ) প্রশ্ন নুঠে।
(ঘ) প্রশ্ন নুঠে।

Re : Enquiry Committee.

Shri Dewan Joynal Abedin, asked :

138. Will the Minister of Primary Education be pleased to state :

(a) Whether it is a fact that an enquiry committee has been constituted by the Government to enquire into corrupt practices and irregularities committed by Shri S. M. Habibul Haque, the then Deputy Director Madrassa Education, Assam ?

(b) Whether the committee has submitted reports to the Government ? If so, when ?

(c) What action has the Government taken on the report of the enquiry Committee ?

(d] Will the report be placed before the House for information of the Members of the House ?

(e) Is it a fact that an enquiry has been ordered by the Chief Minister, Assam to the special vigilance Cell, Assam.

(f) What action has been taken by the Government on the findings and recommendations of the vigilance Cell ?

Shri Gautom Bora (Minister of state Education) replied :

(a) Yes.

(b) Yes.

(c) Charges have been framed against Shri S. M. Habibul Haque on the basis of the report.

(d) As the Departmental proceeding against the delinquent officer is continuing, the report can be submitted in the House after completion of the Departmental proceedings.

(e) Yes.

(f) Report of vigilance Cell awaited.

বিষয় ঃ বিদ্যালয় শিক্ষক পদ মঞ্জুৰী ।

শ্রীজীউ ৰাম বড়োয়ে সুধিছে :

১৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ মধ্য ইংৰাজী বিদ্যালয় সমূহৰ বাবে এতিয়ালৈ কিমান বিজ্ঞান আৰু ভাষা বিষয় শিক্ষক পদ মঞ্জুৰী কৰা হৈছে আৰু এই পদ সমূহ কিমানখন বিদ্যালয়ত আৱণ্টন কৰা হ'ল ?

(খ) অংক আৰু ভাষা শিক্ষক পদ মঞ্জুৰী নোপোৱা মধ্য ইংৰাজী বিদ্যালয় আছে নেকি ?

(ঘ) যদি আছে, কিমানখন বিদ্যালয় আছে অনুগ্রহ কৰি জনাবনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সৰ্বমুঠ ৫৪৭৪ টা ।

(খ) আছে ।

(গ) বিজ্ঞান শিক্ষক নোপোৱা বিদ্যালয়ৰ সংখ্যা ১২৫৫ খন আৰু ভাষা শিক্ষক পদ নথকা অথচ ১৯-১১-৯১ চনৰ পৰা প্রাদেশিকীকৰণ কৰা বিদ্যালয়ৰ সংখ্যা ১০০ খন ।

বিষয় ঃ শিক্ষক নিযুক্তিৰ প্রসংগত আদালতত গোচৰ ।

শ্রীবদন বৰুৱাই সুধিছে ঃ

১৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১লা জুলাইৰ পৰা ১৯৯৫ চনৰ ৩১ জানুৱাৰীলৈ প্রাথমিক বিদ্যালয়ত, মজলীয়া বিদ্যালয়ত আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত কিমান নতুন শিক্ষক নিযুক্তি দিয়া হৈছে ?

(খ) ১৯৯১ চনৰ ১লা জুলাইৰ পৰা ১৯৯৫ চনৰ ৩১ জানুৱাৰী এই সময় ছোৱাত শিৱসাগৰ জিলাত কিমান প্রাথমিক শিক্ষক নিযুক্তি দিয়া হৈছে ? উক্ত সময় ছোৱাত কামৰূপ জিলাত আৰু নলবাৰী জিলাত কিমান প্রাথমিক শিক্ষকক নিযুক্তি দিয়া হৈছে ?

(গ) শিক্ষক নিযুক্তিৰ প্রসংগৰ কিমানটা গোচৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচৰাধীন হৈ আছে ?

(ঘ) 'ক'ত উল্লেখিত সময়ছোৱাত শিক্ষক নিযুক্তিৰ প্রসংগত গুৱাহাটী উচ্চ ন্যায়ালয়ত তৰা গোচৰৰ ৰায়ৰ কিমানটা চৰকাৰখনৰ বিপক্ষে হৈছে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক)
(খ)
(গ) সংশ্লিষ্ট বিষয়াৰ পৰা তথ্য বিচৰা হৈছে ।
(ঘ)

বিষয় ঃ স্কুল প্রাদেশীকৰণ।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

১৪১। মাননীয় শিক্ষা (ৰাজ্যিক) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ২০ ফেব্রুৱাৰীলৈকে কিমান খন এম-ই স্কুল / এম-ই মাদ্রাছা প্রাদেশীকৰণ কৰা হৈছে ?

(খ) উক্ত সময় ছোৱাত প্রাদেশীকৰণ কৰা এম-ই স্কুল / মাদ্রাছাৰ কৰ্মৰত সকলো শাখা শিক্ষক আৰু চতুর্থ শ্রেণীৰ কৰ্মচাৰীক নিযুক্তি দিয়া হৈছেনে ?

(গ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

(ঘ) কৰ্মৰত নিযুক্তি নোপোৱা কৰ্মচাৰীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

(ঙ) ১৯৯৪ চনলৈ স্বীকৃতি প্রাপ্ত এম-ই স্কুল / এম-ই মাদ্রাছা সমূহ প্রাদেশীকৰণ কৰা হবনে ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১২৫৫ খন।

(খ) প্রাদেশীকৰণ কৰা সকলো মধ্য ইংৰাজী / মাদ্রাছা বিদ্যালয়লৈ সমহাৰত প্রতি খনৰ বাবে ৫টাকৈ শিক্ষকৰ পদ আৰু ৫০০ খন বিদ্যালয়ৰ বাবে ১ জন কৈ চৌকিদাৰৰ পদ মঞ্জুৰ দিয়া হৈছে।

(গ) পুঁজিৰ অভাৱৰ বাবে বাকী ৭৫৫ খন বিদ্যালয়ৰ চৌকিদাৰ দিব পৰা হোৱা নাই।

(ঘ) পুঁজি সাপেক্ষে প্রয়োজন ভিত্তিত কৰা হব।

(ঙ) বর্ত্তমান তেনে প্রস্তাৱ চৰকাৰৰ হাতত নাই।

Re : Killing cases of Principal.

Shri Holiram Terang, asked :

142. Will the Minister of Education be pleased to state :

(a) Whether it is a fact that corruptions in the Educational institutions are the main causes behind the killing of the principal of the Assam Medical College and the Principal of the Tinsukia College ?

(b) What steps have been taken to stop the corruptions in those educational institutions ?

Shri Golok Rajbangshi (Minister, Education) replied :

(a) Only the trial court can ascertain the 'mens rea' [causes] based on evidence produced during trial including prosecution evidence.

(b) Steps are always taken when specific instances are brought to the notice of the Government. These two colleges are also no exception to this procedure.

বিষয় ঃ গ্রাম্য বৈদ্যুতিকৰণ।

শ্রীধ্রুব কুমাৰ সেনে সুধিছে ঃ

১৪৩। মাননীয় গ্রাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোটেই অসমত গ্রাম্য বৈদ্যুতিকৰণ কৰাৰ কোনো সিদ্ধান্ত চৰকাৰে লৈছে নেকি ?

(খ) যদি লৈছে তেনেহলে সেই সিদ্ধান্তটো সমষ্টি হিচাবে লব নেকি ?

শ্রীগোপীনাথ দাস (মন্ত্রী, গ্রাম্য বৈদ্যুতিকৰণ বিভাগ) য়ে উত্তৰ দিছে ঃ

(ক) নবম পঞ্চবার্ষিক পৰিকল্পনাৰ প্রথম বছৰৰ (১৯৯৭ ৯৮) ভিতৰতে গোটেই অসমত আটাইবোৰ গাওঁ বৈদ্যুতিকৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

(খ) সমষ্টি হিচাবে গ্রাম্য বৈদ্যুতিকৰণৰ কোনো আচনি লোৱা হোৱা নাই।

বিষয় ঃ শিক্ষকৰ নিযুক্তি।

শ্রীবদ্রি নাৰায়ণ সিংহই সুধিছে ঃ

১৪৪। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) গৌহাটী মহানগরী স্থিত রাষ্ট্রভাষা প্রভাকর এল পি স্কুল (রাজগড় রোড) উক্ত স্কুলের সংখ্যা ২৫০ জন এবং শিক্ষক ২ (দুই) জন ইহার সম্পর্কে সরকার অবগত কিনা ?

(খ) যদি অবগত অবিলম্বে বিভাগের নিয়মত শিক্ষক দেওয়ার ব্যবস্থা

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয় অৱগত।

ছাত্র-ছাত্রীৰ সংখ্যা— ২৭৭ জন।

শিক্ষকৰ সংখ্যা— ৩ জন।

(খ) ছাত্র অনুপাতে অধিক শিক্ষক থকা স্কুলৰ পৰা বদলি কৰি আনি শিক্ষক দিয়াৰ ব্যৱস্থা কৰা হ'ব।

(Hon'ble members Belonging to A. G. P. Legislature party returned to the House.)

MISCELLANEOUS

Mr. Speaker— Now Question hour is over.

শ্রীকৰেন্দ্র বসুমতাৰী : মই যোৱা ডিচেম্বৰৰ ৫ তাৰিখে।

Mr. Speaker : Now Item No. 3.

শ্রীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অৰডাৰ আছে।

শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এপ্লিকেচন দিছে, সেইটো আপুনি কমিটিত পঠাব পাৰে বা আপুনি ডিচিচন লব পাৰে।

Mr. Speaker : It is upto me.

শ্রীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজধানীৰ পৰা পলাশবাৰী সমষ্টি (বিধান সভা) অতি ওচৰত। কিন্তু অতি দুখেৰে সৈতে কব লগা হৈছে যে প্রতিটো প্রশ্নৰ উত্তৰৰ বাবে তথ্য বিছাৰি পোৱা বুলি কৈছে। গতিকে ইয়াৰ আচল ইনটেনচনটো আমাক ক্লিয়াৰ কৰি দিব লাগে।

DISCUSSION ON THE SUPLEMENTARY STATEMENT OF EXPENDITURE OF CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR 1994-95.

Hon'ble Speaker : Now Grant No. 30. Shri Dinesh Prasad Gowala, Minister of Public Health Engineering to move :

Shri Dinesh Prasad Gowala, (Minister of Public Health Engineering : On the recommendation of the Governor of Assam. I beg sir, to move that an additional amount of Rs. 2424·00 lakhs be granted to the Minister-in-charge to defray certain charged which will come in the course of payment during the year ending 31st March, 1995 in connection with the administration of "Public Health and Sanitation".

Hon'ble Speaker : There are a number of cut motions moved by Hon'ble members :

1) Shri Jew Ram Boro.
2) Shri Milan boro.
3) Shri Parameswar Brahma.
4) Shri Tajendra Narzary.
5) Shri Sasha Kamal Handique.
6) Shri Nizamuddin Khan.
7) Shri Mission Ranjan Das.
8) Shri Dhruba Kumar Sen.
9) Shri Chittendra Nath Mazumdar.
10) Shri Jatin Mali.
11) Dr. Kamala Kalita.
12) Shri Babu Rongpi.
13) Shri Alauddin Sarkar.
14) Shri Munin Mahanta.
15) Shri Samarenda Nath Sen.
16) Shri Kali Ranjan Deb.
17) Shri Khiren Borgoyari.
18) Smti. Pramila Rani Brahma.
19) Shri Karendra Basumatary.

20) Shri Derhagra Mushahary.
21) Shri Dilip Kumar Saikia.
22) Shri Hitendra Nath Goswami and
23) Shri Thaneswar Boro.

Now, Shri Jew Ram Boro to move.

* Shri Jew Ram Boro : Hon'ble Speaker sir, that the total provision of Rs. 2424 00 lakhs under Supplementary Demand for Grant No. 30 in respect of "Water Supply and Sanitation" at pages 49–50 of the list of Supplementary Demands be reduced by Rs. 100 00 i. e., the amount of the whole Supplementary Demand of Rs. 2424·00 lakhs do stand reduced by Rs. 100·00.

মাননীয় অধ্যক্ষ : শ্রীপ্রমোদ গগৈ।

Shri Promod Gogoi : Taken for all the amendments moved together it can be.

Hon'ble Speaker : Now, Shri Jew Ram Boro to speak.

শ্রীজিউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, খোৱা পানী আৰু চেনিটেচন ৩ হাজাৰ ৪শ ২৪ লাখ টকা অতিৰিক্ত মঞ্জুৰী বিচাৰিছে। এই ক্ষেত্ৰত মই দুষাৰ কবলৈ বিচাৰিছো। আৰু লগতে এই কৰ্তন প্ৰস্তাৱটো আনিছো আলোচনা কৰিবৰ কাৰণে। খোৱা পানীটো হৈছে দৈনন্দিন জীৱনৰ অতি গুৰুত্বৰ কথা। এই খোৱা পানীৰ কাৰণে অসমৰ মানুহৰ ১০০ ভাগৰ ভিতৰত ৭৫ ভাগৰেই বেমাৰ হয়। মাননীয় মন্ত্ৰী মহোদয়ে বিভাগৰ পৰা বিছৰা টকা খিনি দিছে কিন্তু বিশেষ কাম হোৱা নাই। এচ, চি এচ, টি কমিটিৰ তৰফৰ পৰা বিভিন্ন ঠাইত ভ্ৰমণ কৰিবলৈ যাওঁ। আমি দেখিছো যে চৰকাৰৰ ফালৰ পৰা টকা দিছে কিন্তু এই বিভাগটোৱে ভাল দৰে কাম কৰিব পৰা নাই। মোৰ সমষ্টিৰ কথা কবলৈ গলে বেহোতলী গাওঁত যিটো পাইপ স্কীম আছে তাৰ পৰা পানী যোগান দিব পৰা নাই। হেণ্ড টিউৱেলটোত ৭টা পাইপ বহাব লাগে। কিন্তু এই ক্ষেত্ৰত দেখিছো দুটা বহাইছে তাতকৈ বেচি Instalation এৰা হোৱা নাই। আনফালে

যেতিয়া কামৰূপলৈ গলো তাতো দেখিলো যে, পাইপ ওৱাটাৰ স্কীমবোৰ কোনোটোৱে কার্য্যকৰী কৰিব পৰা নাই। এনেকুৱা এটা অৱস্থা হৈছে যে কোনো এটা টেপেই কার্য্যকৰী অৱস্থাত নাই, যিহেতু চৰকাৰে টকা দিয়া স্বত্বেও মানুহে খোৱা পানী টোপাও খাবলৈ পোৱা নাই। গতিকে যিবিলাক টেপ যেয়া হৈ আছে সেই বিলাক সম্পূর্ণৰূপে ভাল কৰিবলৈ কোৱা উচিত। খোৱা পানীৰ ব্যৱস্থা নোহোৱাৰ কাৰণেই অসমৰ শতকৰা ৭৫ ভাগ মানুহ বেমাৰত আক্রান্ত হয়। গতিকে খোৱা পানীৰ যাতে ভাল ব্যৱস্থা হয় তাৰ কাৰণে চৰকাৰৰ ওচৰত দাবী জনাইছো।

Mr. Speaker : Now Shri Milan Boro.

শ্রীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়, জন-স্বাস্থ্য বিভাগে ২ হাজাৰ ৪শ ২৪ লাখ টকা অতিৰিক্ত হিচাবে বিচাৰিছে। সেই ক্ষেত্রত মই কৰলৈ বিচাৰিছো যে গ্রাম্য অঞ্চলত বিশুদ্ধ খোৱা পানী যোগানৰ বাবে পি, এইচ, ই (P.H.E) বিভাগে পাইপ ওৱাটাৰ স্কীমৰ জৰিয়তে খোৱা পানী যোগান ধৰিবলৈ কোটি কোটি টকা খৰছ কৰি আঁচনি বনাইছে। কিন্তু এই আঁচনিৰ জৰিয়তে গ্রাম্য অঞ্চলত খোৱা পানী যোগান ধৰিব পৰা নাই। হয়তো এই বিষয়ে বিভাগীয় মন্ত্রী অৱগত নহয়।

মাননীয় অধ্যক্ষ মহোদয়, মই দুখেৰে জনাবলগীয়া হৈছো যে আমি বিধান সভাৰ এচ, চি ; এচ, টি কমিটিয়ে যেতিয়া ধুবুৰীৰ পৰা শদিয়ালৈ ভ্রমণ কৰিবলৈ গৈছিলো তেতিয়া আমি দেখিছিলো যে পি, এইচ, ই বিভাগে বিভিন্ন আঁচনি লৈছিল আৰু বিশেষকৈ পাইপ ওৱাটাৰ স্কীমৰ কাৰণে কোটি কোটি টকা খৰচ কৰিছে প্রকৃতপক্ষে আমি দেখিছিলো যে সেই অঞ্চল বিলাকত শতকৰা ৯৮ ভাগ আচনিয়ে খোৱা পানী যোগান ধৰিব পৰা নাই। ইয়াৰ মূল কাৰণ হৈছে যিবিলাক পাইপ ওৱাটাৰ স্কীমৰ কাৰণে বিভাগে আচনি নির্মাণ কৰি তাত মেচিন ইত্যাদি বহুৱাইছিল সেইবিলাক বেচি ভাগেই অচল অৱস্থাত পৰি আছে। এতিয়া আকৌ বছৰ বছৰ ধৰি অচল হৈ থকা মেচিন বিলাক পুনৰ কার্য্যক্ষম কৰিবৰ কাৰণে কোটি কোটি টকা খৰচ কৰিছে। যি সময়ত জনসাধাৰণৰ খোৱা পানীৰ কাৰণে কোটি কোটি টকা খৰচ কৰিছে, আকৌ বিকল হৈ থকা মেচিন বিলাক পুনৰনির্মাণ

কৰিবৰ কাৰণে কোটি কোটি টকা খৰচ কৰিছে সেইবিলাক ৰাইজৰ কোনো কামতে অহা নাই। অথচ এই জনস্বাস্থ্য কাৰকিৰী বিভাগটোত খোৱা পানী যোগানৰ নামত কমিশ্যনাৰ চেক্রেটাৰীকে আৰম্ভ কৰি হাজাৰ হাজাৰ কাৰিকৰী আৰু অকাৰিকৰী বিষয়াই খোৱাপানী যোগানৰ নামত দা-দর্মহা লৈ আছে কিন্তু প্রকৃতপক্ষে তেওঁলোকে ৰাইজৰ কোনো মঙ্গল সাধিব পৰা নাই। তাৰোপৰি এই শিতানত যিটো ২৪২৪ লাখ টকা বিচাৰিছে সেই টকাতো ক'ত ক'ত কেনেভাবে খৰচ কৰা হব সেই বিষয়ে বিতংকৈ দেখুৱা নাই। সেয়েহে মই বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো— আমাৰ যিবিলাক পাইপ ওৱাটাৰ স্কীম আছে সেই স্কীমবিলাকত যিবিলাকক মেচিনাৰী ব্যৱহাৰ কৰা হয় সেইবিলাক চলাই থাকিবৰ কাৰণে যি পৰিমানৰ পাওৱাৰ বা ডিজেইল ইত্যাদি লাগে সেইবিলাক নিয়মীয়াকৈ যোগান ধৰিবৰ কাৰণে বাজেটত আচুতীয়াকৈ দেখুৱাব লাগে। কিয়নো আমাৰ বেচিভাগ মেচিনাৰী পাওৱাৰ ডিজেইল ইত্যাদিৰ অভাৱত বা নিয়মীয়া যোগান ধৰিব নোৱাৰাৰ কাৰণে বেচিভাগ মেচিন বিফল হৈ পৰি থাকে, গতিকে মেচিন বিলাক মেইনটেনেন্স কৰাৰ কাৰণে সুকীয়াকৈ টকা শিতানত আবণ্টন কৰি ৰাখিব লাগে। আমি এবাৰ এচ, চি এচ, টি কমিটিয়ে ৰাণীৰ ফালে গৈছিলো আৰু তাত থকা পাইপ ওৱাটাৰ স্কীমবিলাক চাবলৈ গৈছিলো তেতিয়া ৰাইজক সুধিছিলো আপোনালোকে খোৱা পানী পাইছেনে? তেতিয়া তেওঁলোকে উত্তৰ দিলে যে যোৱা ৭/৮ মাহ ধৰি তেওঁলোকে খোৱা পানী পোৱা নাই। আনহাতেদি যেতিয়া বিভাগীয় বিষয়া আৰু ইঞ্জিনিয়াৰক সুধিলো তেওঁলোকে কলে যে মাত্র তিনিদিনমানহে হ'ল কিবা এটা মেচিনৰ বিজুতিৰ কাৰণে পানী যোগান দিব পৰা নাই, গতিকে এইদৰে তেওঁলোকে চৰকাৰক বিপথে পৰিচালিত কৰিছে, হয়তো মন্ত্রী ডাঙৰীয়াকো তেওঁলোকে মিছা খবৰ দি আছে আৰু ফিল্ড কর্ম্মচাৰী আৰু বিষয়া সকলে মিচলিড কৰি আছে। টি, এচ, পি এৰিয়া বিলাকতো একেই অৱস্থা। পাইপ ওৱাটাৰ স্কীম বিলাক বেচিভাগেই দেমেজ হৈ আছে অথচ সেইবিলাকত অযথা কোটি কোটি টকা খৰচ কৰি আছে। বৰপেটা জিলাত পাইপ ওৱাটাৰ স্কীমবিলাক বিষ্টোৰেচন কৰাৰ কাৰণে লাখ লাখ টকা খৰচ কৰিছে আৰু কোনো কোনো ঠাইত ঠিকাদাৰে কাম কৰিছে কিন্তু তেওঁলোকক পেমেণ্ট দিয়া হোৱা নাই। অথচ

এই শিতানত ২০ লাখ টকা বেভিনিউত জমা দি থৈছে কিন্তু টকাটো মুকলি কৰি দিয়া নাই। তাৰোপৰি টি, এচ, পি এৰিয়া বিলাকত পাইপ ওৱাটাৰ স্কীমৰ নামত কোটি কোটি টকা আবণ্টন কৰা হৈছিল কিন্তু সেই স্কীমবিলাক কোনো ঠাইতে কার্য্যকৰী হোৱা নাই। বড়ো আন্দোলনৰ গয়না লৈ তেওঁলোকে মেচিনাৰী বিলাক বিফল কৰি পেলাই থৈছে আৰু অভিযোগ কৰিছে আন্দোলনকাৰীয়ে সেই মেচিন বিলাকৰ পার্টচ চুৰি কৰি নিছে। কিন্তু প্রকৃত পক্ষে সেইটো নহয়, আচলতে তেওঁলোকে সেই অঞ্চল বিলাকত কোনো কামেই কৰা নাই কিন্তু পানী যোগানৰ নামত অজস্র টকা পানীত উটুৱাই দিছে। সা সৰঞ্জাম আন্দোলনকাৰীয়ে চুৰি কৰি নিয়া বুলি কৈ সেই বিলাক ৰেষ্টোৰেচনৰ নামত কোটি কোটি টকা খৰচ কৰিছে। দুখৰ বিষয় এই যিবিলাক পাইপ ওৱাটাৰৰ স্কীম সেই অঞ্চল বিলাকত লৈছিল আৰু তাত কোটি কোটি টকা খৰচ কৰিছিল, সেই আঁচনি বিলাক কোনো ঠাইতে কার্য্যকৰী হোৱা নাই, খোৱাপানী যোগান ধৰাৰ নামত ৰাইজক ভুৱা দিছে। মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো আমাৰ গ্রামাঞ্চলত যিবিলাক পাইপ ওৱাটাৰ স্কীম আছে সেইবিলাক আঁচনি যাতে প্রকৃতপক্ষে কার্য্যক্ষম হয় তাৰ প্রতি বিশেষ দৃষ্টি দি বিভাগীয় তদাৰক তৎপৰতাৰে লব লাগে। কিয়নো বহু টি, এচ, পি এলেকা আৰু গ্রামাঞ্চলত খোৱাপানীৰ অভাৱত বা বিশুদ্ধ খোৱা পানীৰ অভাৱত যথেষ্ট সংখ্যক লোক ভয়ানক বেমাৰত আক্রান্ত হৈ মৃত্যু মুখত পৰিছে। গতিকে যিকোনো প্রকাৰে হলেও আমাৰ গ্রামাঞ্চল বিলাকত ৰাইজক বিশুদ্ধ খোৱাপানী যোগান দিয়াৰ ক্ষেত্রত বিশেষ নজৰ দিব লাগে আৰু পাইপ ওৱাটাৰ স্কীম বিলাক অধিক কার্য্যক্ষম কৰি তুলিব লাগে। মোৰ সমষ্টিতে তেনে ধৰণৰ কেবাটাও আঁচনিত বিষয়া কর্মচাৰী সকলে বিনা কামত দা-দর্মহা লৈ আছে কিন্তু যোৱা ১৯৯১ চনৰে পৰা কোনো এটা আঁচনি কার্য্যক্রম কৰি তুলিব পৰা নাই আৰু ৰাইজক বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ ক্ষেত্রত সম্পূর্ণৰূপে বিফল হৈছে।

(Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it)

উপাধ্যক্ষ মহোদয়, আমাৰ যিবিলাক আচনি আছে সেইবিলাকে যাতে ৰাইজক খোৱাপানীৰ যোগান ধৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা লব লাগে। মই এইখিনিতে আৰু এটা কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খোজো যে, যিবিলাক টিউবওৱেল আৰু মাৰ্ক ২ দিয়াৰ কথা আছে সেইবিলাকৰ পিন পইণ্ট চিলেক্ট কৰি দিয়াৰ পিচতো এটাও দিয়া হোৱা নাই। ১৯৯০-৯১ চনত যেতিয়া ৰাষ্ট্ৰপতিৰ শাসন চলি আছিল তেতিয়াই টিউবওৱেল আৰু বিং ওৱেল আদি দিয়াৰ কথা আছিল আৰু ইনষ্টল কৰাৰ কথা আছিল। কিন্তু ১৯৯১ চনৰ পৰা আজি ১৯৯৫ চনলৈকে টিউব ওৱেল, মাৰ্ক ২ আদি এটাও ইনষ্টল কৰা হোৱা নাই। বিভাগীয় বিষয়াক সুধিলে কয় যে মেটেৰিয়েল আহি পোৱা নাই। মেটেৰিয়েল চিফ্ ইঞ্জিনীয়াৰ অফিচৰ পৰা দিয়ে। টকা আছে কিন্তু মেটেৰিয়েলৰ অভাৱৰ বাবে দিব পৰা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে, কেন্দ্ৰীয় ভাবে যিবিলাক মেটেৰিয়েলচ যোগান ধৰাৰ ব্যৱস্থা আছে সেই সামগ্ৰী বিলাক জিলা পৰ্য্যায়তে ক্ৰয় কৰিব লাগে যাতে আচনি বিলাক কাৰ্য্যকৰী কৰিব পাৰে। নহলে আচনি বাস্তৱত ৰূপায়িত নহব। কাৰণ কেন্দ্ৰীয় ভাবে ক্ৰয় কৰিলে বহুতো সময় পলম হৈ যায়। মানুহ খোৱা পানীৰ পৰা বঞ্চিত হৈ যাব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে যিবিলাক পাইপ ওৱাটাৰ স্কীম আছে সেই বিলাকৰ মেইনটেনেচৰ বাবে টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে বিভাগে পাৰাৰ চাপ্লাই, দিজেল চাপ্লাই আদি দিব নোৱাৰে। মেটেৰিয়েলচ বিলাক কেন্দ্ৰীয় ভাবে ক্ৰয় নকৰি জিলা পৰ্য্যায়ত ক্ৰয় কৰি টিউবওৱেল আদি ইনষ্টল কৰাৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য শেষ কৰিলো।

Mr. Deputy Speaker : Now, Hon'ble Member Shri Nizamuddin Khan.

শ্ৰীনিজামুদ্দিন খান : মাননীয় উপাধ্যক্ষ মহোদয়, আজি মই পি, এইচ, ই বিভাগ আৰু ওৱাটাৰ চাপ্লাই এণ্ড চেনিটেচনৰ শিতানত যি ২ হেজাৰ ৪শ ২৪ লাখ টকা বিচৰা হৈছে আৰু তাৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱ সমৰ্থন কৰি কিছু কথা আলোচনা কৰিব বিচাৰিছো। লগতে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে, অসমত বেমাৰ আজাৰ বেছি হৈ গৈছে আৰু ইয়াৰ মূল কাৰণ হৈছে পানী। আমাৰ ৰাজ্যখন পানীৰ ৰাজ্য অথচ বিশুদ্ধ পানী খাবলৈ নাপাই বহুতো মানুহ মৃত্যুৰ মুখত পৰিছে। মই আচৰিত হৈছো আজিলৈকে আমাৰ গাৱেঁ ভূঁয়ে যিবিলাক অঞ্চল আছে য'ত সাধাৰণ মানুহে বসবাস কৰে তেওঁলোকে আজিলৈকে বিশুদ্ধ খোৱা পানী পোৱা নাই। গতিকে বিভিন্ন ধৰণৰ বেমাৰ আজাৰত ভুগিব লগা হৈছে। বিশুদ্ধ খোৱা পানী যোগানৰ ক্ষেত্ৰত চৰকাৰে আজি যি ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেই ব্যৱস্থা লোৱা নাই। গতিকে আজি বেমাৰ আজাৰ বাঢ়ি গৈছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে. ওৱাটাৰ পাইপ স্কীম, হেণ্ড টিউৱেল, মার্ক II আদি বিশুদ্ধ খোৱাপানী দিয়াৰ বাবে ব্যৱস্থা কৰা হৈছে। সেই বিলাক প্ৰকৃতাৰ্থত গাৱেঁ ভূঁয়ে ৰাইজে পাইছেনে নাই আপুনি গলেই উপলব্ধি কৰিব পাৰিব। আজি স্বাধীনতাৰ ৪৮ বছৰৰ পিছতো অসমৰ ৰাইজে বিশুদ্ধ খোৱা পানী পোৱা নাই। যোৱা কালিও মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত কৰা আলোচনাত অংশ গ্ৰহণ কৰি আমাৰ কেইজনমান মাননীয় সদস্যই কৈছে যে, ঢাক ঢোল বেছি বজোৱা হৈছে কিন্তু কাৰ্য্যক্ষেত্ৰত একো কৰিব পৰা নাই। চৰকাৰ শোচনীয় ভাবে ব্যৰ্থ হৈছে। যোৱা চাৰিটা বছৰত চৰকাৰে যিমান কাম কৰিব লাগিছিল সিমান কাম কৰিব পৰা নাই। পানী যোগানৰ নামত যিমান বিলাক আচনি লোৱা হৈছে তাৰে এটাও কাৰ্য্যক্ষম কৰি তুলিব পৰা নাই। এখন গাৱঁত যদি এটা টেপ দিয়াৰ কাম আৰম্ভ কৰে তেনেহলে সেই গাওঁখনক ওৱাটাৰ চাপ্লাইৰ আচনিত অন্তৰ্ভুক্ত কৰা হব। ৰেভিনিউ ভিলেজ বিলাকত এটা টেপ চালু কৰিব পাৰিলেই সেই গাৱঁত ওৱাটাৰ চাপ্লাই হয়। ঢাকঢোল বজোৱা হৈছে কাম হোৱা নাই। আজি পানী যোগান আচনি দিয়াৰ ব্যৱস্থা কৰিছে, হেণ্ড টিউৱেল দিছে, মার্ক ২ দিছে যথেষ্ট কাম কৰিছে কিন্তু প্ৰকৃতাৰ্থত ৰাইজে বিশুদ্ধ খোৱা পানী পাইছেনে? উপাধ্যক্ষ মহোদয় আপোনাৰ সমষ্টি নাহৰকটীয়াৰ ওচৰত যিটো পানী যোগান আচনি লৈছে তাত এখন নৈও আছে। সেই নৈৰ পানী মানুহে খোৱা দূৰৰ কথা গা ধুবও নোৱাৰে। কিন্তু আজি সেই অঞ্চলৰ মানুহে বিশুদ্ধ খোৱা পানী পোৱা নাই। তাত হেণ্ড টিউৱেল বহাব নোৱাৰে

বাবে বহুদিনৰ পৰা দাবী আহি আছে যে তাত এটা দিপ টিউৱেল বহুৱাব লাগে। বাতৰি কাকতত যোৱহাট ইঞ্জিনিয়াৰিং কলেজৰ পানীৰ সম্পৰ্কত বহুতো কথা প্ৰকাশ পাইছে। তাৰ পানীৰ ৰং কেতিয়াবা ৰঙা, কেতিয়াবা ক'লা আৰু কেতিয়াবা নীলা, খোৱাটো দূৰৰ কথা গা ধুবও নোৱাৰে। এইবিলাক কথা বাতৰি কাকতত ওলাইছে। এই সম্পৰ্কত এটা চাৰ্ভে কৰাৰ কথা আছিল কিন্তু কেতিয়া কৰা হব এই সম্পৰ্কে নিৰ্দ্দিষ্ট ভাবে একো কোৱা নাই। অথচ প্ৰতি বছৰে লাখ লাখ কোটি কোটি টকা এই বিভাগে খৰচ কৰি আছে। য'ত টিউৱেল দিছে তাতো ২/১ মাহ যোৱাৰ পিচতে টিউৱেল নচলা হৈ যায়। কমপ্লেইন দিলে বিভাগে কয় আমি কি কৰিম আমাৰ হাতত টকা নাই, কোনো মেটেৰিয়েলচ নাই। ইতিমধ্যে বহুতো টকা খৰচ কৰা হৈছে কিন্তু কোনো কাম হোৱা নাই। আজি এই বিভাগৰ বাবে টকা বিচৰা হৈছে। এটা চৰ্ত্তত আমি টকা দিম যে ৰাইজে বিশুদ্ধ খোৱাপানী পাব লাগিব। সেই ব্যৱস্থাটো আমাৰ মন্ত্ৰী মহোদয়ে লবনে নলয়? যদিহে নলয় তেনেহলে এই টকা বিচৰাৰ কোনো অৰ্থ নাই। এটা চৰ্ত্তত আমি টকা দিম আমাৰ ৰাজ্যৰ জনসাধাৰণে বিশুদ্ধ খোৱা পানী পাব লাগিব। আমাৰ ৰৰপেটা জিলাতে আজি ৩ হেজাৰ টিউৱেল অচল অৱস্থাত আছে। ইয়াত কৰি দুখৰ কথা থাকিব পাৰেনে? মেৰামতিৰ অভাৱ। গতিকে ৰাইজে বিশুদ্ধ খোৱা পানী পোৱা নাই। মাননীয় সদস্য মিলন বড়ো দেৱে কৈছে যে পিন পইন্ট দিয়াৰ পিচতো খোৱা পানীৰ বাবে কোনো ব্যৱস্থা কৰা হোৱা নাই। ১৯৯১ ৯২, ১৯৯২ ৯৩ ১৯৯৩ ৯৪ চনৰ টকা কলৈ গ'ল? যিবিলাক ঠাইত পানী যোগান আচনি চালু হৈছে তাত ডিজেল নোহোৱা বাবে ৰাইজে পানী পোৱা নাই। আনকি গুৱাহাটী মহানগৰীত আজি পানীৰ কাৰণে হাহাকাৰৰ সৃষ্টি হৈছে। ১ ঘণ্টা বা ২ ঘণ্টাহে পানী দিয়ে। অথচ পানীৰ আন এটা নাম জীৱন।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি মানুহে পানী পোৱা নাই, তেওঁলোকৰ জীৱন ৰক্ষাৰ কাৰণে। আজি চৰকাৰে ৰাজ্যখনৰ সকলো জিলাৰ সকলো জনসাধাৰণক বিশুদ্ধ খোৱা পানীকণ দিব পৰা নাই—এইটো বৰ দুখৰ কথা। খোৱা পানী যোগানৰ আচনি যে চৰকাৰে লোৱা নাই তেনে নহয়। আচনি

বহুত লৈছে কিন্তু সৰহ সংখ্যক আচনি বিফল হৈ আছে বিভিন্ন কাৰণত। কিছুমান আধা নির্মাণ অৱস্থাত আছে। কিছুমান আচনি সামান্য ধৰণৰ মেৰামতিৰ অভাৱৰ কাৰণে চালু কৰিব পৰা নাই। আজি এনে অৱস্থাত এই বিভাগক ইমান টকা দিয়াৰ কোনো তাৎপর্য্য থাকিব নোৱাৰে। জনসাধাৰণৰ কাৰণে চৰকাৰে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব লাগিব। আজি চেনিটেচনৰ নামত বিভাগে কিছুমান ল' কষ্ট লেট্রিন কৰিছে, আনত হৈছেনে নাই নাজানো কিন্তু ৰৰপেটা জিলাত কৰা দেখিছো— কিন্তু এই লেট্রিনবোৰ যি ধৰণেৰে সাজিব লাগিছিল, বা যি ধৰণেৰে চালু কৰিব লাগে সেই ধৰণেৰে কৰা নাই, যি সকল লোকে এই সুবিধা পাব লাগিছিল সেই সকলে পোৱা নাই। বিশেষকৈ দৰিদ্ৰ সীমা ৰেখাৰ তলত যিসকল লোক আছে তেওঁলোকে এই সুবিধা পোৱা নাই। উপাধ্যক্ষ মহোদয়, আমি পি, এইচ, ই বিভাগক বিশুদ্ধ খোৱা পানী যোগানৰ কাৰণে টকা দিও কিন্তু তেওঁলোকে আমাক পানীহে দিব পৰা নাই। আজি দিছপুৰ তথা গুৱাহাটী মহানগৰৰ খোৱা পানীৰ অৱস্থা কি হৈছে আমি সকলোৱে জানো। গাঁৱৰ ৰাইজে আজি পুখুৰী, খাল নদীৰ অপৰিষ্কাৰ পানী খাবলগীয়া হৈছে। ইয়াৰ ফলত মানুহৰ বেমাৰ আজাৰ আদি বৃদ্ধি পাইছে। চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণক বিশুদ্ধ খোৱা পানী খুৱাই বেমাৰ আজাৰ ৰোধ কৰাত ব্যর্থ হৈছে। ৰাইজক যেতিয়া বিভাগে খোৱা পানী দিবই পৰা নাই এনে ক্ষেত্রত বিভাগক টকা দি কি হব ? মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো তেখেতে যাতে যিবোৰ খোৱা পানীৰ আচনি চালু কৰিব পৰা নাই, মেৰামতিৰ অভাৱত ৰাইজক পানী দিব পৰা নাই, যিবোৰ আচনি আধকুৱা হৈ আছে সেইবোৰ যাতে অতি সোনকালে মেৰামতি তথা সম্পূর্ণ কৰি জনসাধাৰণক বিশুদ্ধ খোৱা পানীকণ যোগান ধৰাৰ ব্যৱস্থা কৰে। আনহাতে যিবোৰ অঞ্চলত পাইপ ওৱাটাৰ আচনি নাই সেইবোৰ অঞ্চলত হেণ্ড টিউবৱেল দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে চেনিটেচনৰ যি ব্যৱস্থা বা সা-সুবিধা জনসাধাৰণে পাব লাগে সেইখিনি যাতে বিভাগে দিয়াৰ ব্যৱস্থা কৰে। বিভাগৰ টকাখিনিৰ যাতে সদব্যৱহাৰ হয় তাৰ কাৰণে বিভাগীয় মন্ত্রীয়ে চকু দিব লাগে। এই খিনি কাম কৰাৰ প্রতিশ্রুতি বিভাগীয় মন্ত্রীয়ে দিব বুলি আশা কৰি মই

মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীমিশন রঞ্জন দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, পাবলিক হেল্‌থ এবং সেনিটেশন বিভাগের অতিরিক্ত দাবী মঞ্জুরীর ওপর উৎথাপিত কর্ত্তণ প্রস্তাব সমর্থন করে আমি আমার বক্তব্য রাখছি।

স্যার, আমি এই বিধান সভার সদস্য হওয়ার পর থেকে বিভিন্ন সময়ে দেখেছি যে ডিচেন্ট্রেলাইজ প্লানে বিভিন্ন জেলার জন্য জনস্বাস্থ্য কারিকরী বিভাগের জন্য যে সমস্ত গ্রান্ট দেওয়া হয়েছে (নির্ধারিত প্ল্যান এষ্টিমেট মত) তার কোন কাজ হয় নি। ১৯৯১-৯২ ইং এবং ১৯৯২-৯৩ ইংতে আমার জানা মতে কোন কাজ হয় নি। এ ব্যাপারে এই সদনে আমি একটা প্রশ্ন করেছিলাম যে ঐ ২টি বিত্তিও বছরে করিমগঞ্জ জেলায় এই বিভাগ থেকে কত টাকা সেংশন করা হয়েছিল এবং কত টাকার কাজ হয়েছে? কিন্তু দুঃখের বিষয় বিভাগীয় মন্ত্রী মহোদয় এই প্রশ্নের উত্তর দিতে পারেন নি। প্রশ্নটি ডেফার করে দিয়েছিলেন। মন্ত্রী মহোদয় শুধু আশ্বাস দিয়েছিলেন যে কাজ করা হবে। কিন্তু আমার জানা মতে করিমগঞ্জ জেলাতে কোন কাজ হয়নি। আমার প্রশ্ন হলো— টাকা বরাদ্দ করা সত্বেও সেখানে কেন কোন কাজ হয় নি? খবর নিয়ে জানতে পেরেছি যে এই টাকা উন্নয়নে না লাগিয়ে ব্যাকলগ পেমেন্ট করা হয়েছে। কর্মচারীদেরে বেতন দেওয়া হয়েছে। এই ডিচেন্ট্রে-লাইজ প্ল্যানের টাকা কি কর্মচারীদেরে বেতন দেওয়ার জন্য বরাদ্দ করা হয়েছিল? স্যার, ১৯৯৪-৯৫ ইংতে কিছু কিছু টিউব ওয়েল বসানোর কাজ শুরু হয়েছে বলে আমারা জানতে পেরেছি। কিন্তু আমার সমষ্টিতে ৯০ শতাংশ টিউব এখনও বসানো হয় নি বা বসানো হয়ে থাকলেও তা অচল হয়ে পড়ে আছে। যেসব টিউব ওয়েল অচল হয়ে আছে সেইগুলি রিপিয়ার করার কোন ব্যবস্থা নেই এব্যাপারে খবর করলে আমাদেরে বলা হয় যে টাকা নেই। তাছাড়া এমন কিছু পাইপ ওয়াটার স্কীম আছে যেগুলি এক্সটেনশন করা খুব প্রয়োজন। কিন্তু বিভাগ থেকে এগুলি এক্সটেনশন করার কাজ বন্ধ রাখা হয়েছে। কোন কোন স্কীমের পাইপ ফেটে গেছে কিন্তু রিপিয়ার করা হচ্ছে না। প্রায় ধ্বংসপ্রাপ্ত অবস্থায় এগুলি পরে আছে। এসব স্কীম থেকে কোন সময় জল পাওয়া যায় না। কোন কোন স্কীম ডিজেলের অভাবে

চালানো যাচ্ছে না। ডিজেলের অভাবের জন্য অলটারনেটিভ ডেতে জল দেবার কথা বললেও সেটা ডিজেলের অভাবে দিতে পারছে না এই হলো পি এইচ ই বিভাগের অবস্থা।

স্যার, এই অবস্থা যে শুধু গ্রামে চলছে তা নয়। শহরেও আজ এই অবস্থা চলছে। যদিও বিভাগ থেকে বিভিন্ন স্কীম শহরের জন্য চরকার নিয়েছেন কিন্তু জনসাধারণ কোন জল এইসব স্কীম থেকে পাচ্ছে না। তাছাড়া বিভিন্ন স্কীম মেরামত করার জন্য যে মেটেরিয়েলের প্রয়োজন তা বিভাগা থেকে সরবরাহ করতে পারছে না। কারণ সাপ্লাই যারা করে তারা তাদের বকেয়া টাকা না পাওয়াতে কোন কিছু সরবরাহ করছে না।

স্যার, পি ডব্লিও ডি এবং পি এইচ ই বিভাগ হলো আমাদের সবদেয়ে বেশী গুরুত্বপূর্ণ বিভাগ। এইসব বিভাগের কাজকর্মের উপরই জনসাধারণের উন্নতি নির্ভর করছে। আজ বিভাগীয় মন্ত্রী মহোদয় ২৪২৪ লক্ষ টাকার তার বিভাগের জন্য চেয়েছেন সে টাকা আমরা পাশ করে দেব কিন্তু মন্ত্রী মহোদয়কে আজ প্রতিশ্রুতি দিতে হবে যে তিনি খুব ভালভাবে এই বিভাগের কাজকর্ম করবেন। এক্স লাইবিলিটির জন্য এই টাকা আমরা দিচ্ছি না। নুতন নুতন স্কীম এই টাকা দিয়ে করতে হবে। যে সমস্ত টিউব ওয়েল বন্ধ হয়ে অকেজ হয়ে আছে সেগুলির মেরামত করতে হবে। কর্মচারীদেরে বেতন দেবার জন্য এই টাকা দেওয়া হচ্ছে না। এই ব্যাপারে বিভাগীয় মন্ত্রী মহোদয়েৰ দৃষ্টি আকর্ষণ করে আমার বক্তব্য শেষ করছি।

শ্রীযতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, মই কর্ত্তণ প্রস্তাৰৰ সমর্থনত ক'ব বিচাৰিছো যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিভাগীয় মন্ত্রীয়ে পৰিপূৰক দাবী মঞ্জুৰীৰ জৰিয়তে পুনৰ ২৪ কোটি ২৪ লাখ টকা বিচৰাৰ কোনো গ্রহণ-যোগ্য কাৰণ বিচাৰি পোৱা নাই। উপাধ্যক্ষ মহোদয় চলিত বিত্তীয় বছৰত যিটো বিত্তীয় বছৰ ৩১ মাৰ্চত শেষ হব এই বিত্তীয় বছৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ শিতানত ৮৫ কোটি ৪১ লাখ ৫৭ হাজাৰ টকা দিয়া হৈছে। এই টকা দি থোৱাৰ পিচত পুনৰ ২৪ কোটি ২৪ লাখ টকা বিভাগীয় মন্ত্রীয়ে যি বিচাৰিছে মই আগতেই উল্লেখ কৰিছো তাৰ গ্রহণযোগ্য কাৰণ বিচাৰি পোৱা নাই আৰু বিভাগেও গ্রহণযোগ্য কাৰণ বিশ্লেষণ কৰি আমাক দিব

নোৱাৰিব। চলিত বিত্তীয় বছৰৰ বাবে যি টকা দি থোৱা হৈছে, সেই টকা খৰচ কৰাৰ চাব হেড দেখুওৱা হৈছে, তাৰ জৰিয়তে এই বিত্তীয় বছৰটোত বিভাগে উন্নয়ণ মূলক আচনি ৰূপায়ণ কৰাৰ কাৰণে চিন্তা কৰিব লাগে। কিন্তু দেখা গৈছে যে বিত্তীয় বছৰ শেষ হওঁ হওঁ অৱস্থাত বিভাগীয় মন্ত্রীয়ে বা চৰকাৰে আচনি সমূহ যি ধৰণে দেখুৱাই টকা আবণ্টন কৰিবলৈ মঞ্জুৰী কৰি লৈছে, সেইমতে খৰচ কৰি জনসাধাৰণৰ উপকাৰ কৰিব নোৱাৰে। কিন্তু আমি দেখিবলৈ পাইছো আৰু বিভিন্ন বাতৰি কাকতলো প্রকাশ পাই আহিছিল যে অসমৰ বিভিন্ন অঞ্চলত যিবিলাক 'পাইপ স্কীম' লোৱা হৈছিল সেই পাইপ স্কীম বিলাকৰ কার্য্য ক্ষমতা নোহোৱা হৈ গৈছে। তাৰ কাৰণ এইটো যে বাতৰি কাকতলো ওলাইছিল যে ডিজেলৰ অভাৱত পাম্পছেট বিলাক অচল হৈ আছে। উপাধ্যক্ষ মহোদয়, ক্রেডিত লব জানিব লাগে। পইচা দিয়াত আমি আপত্তি নকৰো। ২৪ কোটি কিয় আৰু ১০০ কোটি টকা প্রয়োজন হলে ৩১ মার্চৰ আগতে দিবলৈ আমি প্রস্তুত আছো কিন্তু সেই টকা প্রকৃতভাৱে খৰচ হ'ব লাগিব আৰু জনসাধাৰণৰ কামত আহিব লাগিব। অসমৰ বিভিন্ন ঠাইত অচল হৈ থকা পাম্পছেট, পাইপ স্কীম বিলাকৰ বিষয়ে সুধিলে অভিযন্তা সকলে কয় যে ওপৰৰ পৰা টকা দিয়া নাই কাৰণে সেই বিলাক চলাব পৰা নাই। আৰু ওপৰৰ লগত যোগাযোগ কৰিলে কয়, যে টকা খিনি 'ডাইভাট' কৰিছে। কথা হ'ল প্লেনৰ টকা তেনেকৈ ডাইভার্ট কৰি পাৰিব নেকি? উপাধ্যক্ষ মহোদয়, এইটো বৰ ঠিক কথা নহব। জনসাধাৰণৰ উন্নয়নৰ বাবে দিয়া টকা বেলেগ কামৰ বাবে ডাইভার্ট কৰাতো বৰ শুদ্ধ কাম হোৱা নাই। ইমান টকা দিয়াৰ পিচতো এই পাইপ স্কীম বিলাক বন্ধ হৈ পৰি আছে। আমি ৮৫ কোটি ৪১ লাখ ৫৭ হাজাৰ টকা দি থোৱাৰ পিচতো এই বন্ধ হৈ থকা পাম্প বিলাক, স্কীম বিলাক চলাবলৈ টকা নাই বুলি কৈ টার্ম শেষ হোৱাৰ আগে আগে আকৌ অতিৰিক্ত মঞ্জুৰী বিচাৰিছে। কিন্তু ইমান বিলাক টকা কেনেকৈ নোহোৱা হ'ল। এই সম্পর্কে এটা বিবৃতি চৰকাৰৰ ফালৰ পৰা বা বিভাগৰ তৰফৰ পৰা নাৰাখিলে, তুলুঙা বক্তব্য আমাৰ বাবে গ্রহণযোগ্য নহ'ব। তাৰ পিচত উপাধ্যক্ষ মহোদয়, চার্ভে আৰু ইন্‌ভেষ্টিগেচনৰ ক্ষেত্রত কি কৰিছে চাব, ইন্‌ভেষ্টিগেচনত

বিভিন্ন আচনি বিলাক ঠিকমতে চলি আছে নে নাই সেই বিলাক পৰীক্ষা নিৰীক্ষা কৰিব লাগে, কিন্তু সাধাৰণতে সেইখিনি কৰা দেখা নাযায়। কোনো স্কীমৰ ক্ষেত্রত আমাৰ ফালৰ পৰা অভিযোগ দিলেওঁ সময়মতে সেই বিলাক চোৱাচিতা কৰা দেখা নাযায় আৰু কৰিলেওঁ এসপ্তাহমান চলাৰ পিচত আকৌ বন্ধ হৈ যায়। অর্থাৎ ইন্‌ভেষ্টিগেচনৰ ক্ষেত্রত কোনো ফলপ্রসু কাম হোৱা দেখিবলৈ পোৱা নাযায়। চার্ভেৰ ক্ষেত্রতো বিভাগীয় লোক সকল বিভিন্ন অঞ্চললৈ গৈ পানী যোগানৰ সা-সুবিধা আদিৰ বিষয়ে তথ্য পাতি সংগ্রহ কৰিব লাগে, কিন্তু তেওঁলোকে সকলোবিলাক অঞ্চললৈ নগৈ কোনো এঠাইত বহি থাকি কিছুমান তথ্য পাতি দিয়ে, তাৰ ফলত আচল তথ্য বিলাক পোৱা নাযায়। সেইদৰে 'এন' কেটেগৰীৰ ক্ষেত্রতো, এই কেটেগৰীত যিবিলাক অঞ্চলৰ নাম আহিব লাগে সেইমতে অহা দেখা নাযায়। অর্থাৎ যি দেখা গৈছে চার্ভে আৰু ইন্‌ভেষ্টিগেচনৰ ক্ষেত্রতো বিভাগে ভাল কাম কৰিব পৰা নাই। মাননীয় উপধ্যক্ষ মহোদয়, এই যিবিলাক আঁচনি আছে সেই বিলাক ইনভেষ্টিগেচন হব লাগে। আঁচনি বিলাক কিমান ৰূপায়ন কৰা হৈছে সেইটো চোৱাৰ কাৰণে চার্ভে কৰিব লাগে। ক'ত পানী ওলাব, কেনেকুৱা পানী ওলাব, এইবিলাক কথা আগতিয়াকৈ চাব লাগে। কিন্তু বিভাগে সেইবিলাকৰ ওপৰত ব্যৱস্থা কৰা দেখা নাযায়। কৰবাত কোনো এখন আঁচনি কিবাকৈ আৰম্ভ কৰিব পাৰিলেই বিভাগৰ কাম শেষ হৈ যায়। কিবাকৈ তাত পানী ওলালেও সেই পানী খোৱাৰ উপযোগী হয় নে নহয়, তাত আইৰণৰ পৰিমাণ কিমান আছে। এইবিলাক কথালৈ বিভাগে আওকাণ কৰে। যিবিলাক আঁচনিত আইৰণৰ পৰিমাণ বেছি আছে। সেই বিলাকত প্রতিশেধকৰ ব্যৱস্থা লব লাগে। কিন্তু কোনো ব্যৱস্থা বিভাগে বর্ত্তমান নলয়। চৰকাৰে তথ্য সহকাৰে প্রকাশ কৰিব লাগে কোন বিলাক আঁচনি এই ব্যৱস্থা লৈছে। আমি সকলোৱে জানো যে বেছিভাগ আঁচনিৰে পানী যোৱাৰ উপযোগী নহয়। বিশেষকৈ নলবাৰী জিলাত আইৰণৰ পৰিমাণ বেছি আছে। বছৰৰ পিছত বছৰ ধৰি আমি এইবিলাক কথা শুনি আহিছো যে পানীৰ কাৰণে চুলি গ'ল। পানীৰ কাৰণে চুলি পকিল। পানীৰ কাৰণে বেমাৰ হ'ল। এই বিলাক কথা পি এইচ ই বিভাগৰ মানুহেও

আলোচনা কৰে। বিভাগৰ বহুত ওপৰ মহলৰ বিষয়াইও এইবিলাক কথা কয়। এই বিলাক সম্পদ আহৰণৰ কাৰণে চেনিটেছনৰ কথা আছে। এই-বিলাক নাইকিয়া কৰাৰ বাবে ব্যৱস্থা লব লাগে। পইচা আমি দিম। কাম কৰক। কাম কৰিব নোৱাৰিলে পইচা দিব নোৱাৰো। কাম কৰিব নোৱাৰাৰ বাবে আমি এই মঞ্জুৰীৰ ধন ১০০ টকাৰে হ্ৰাস কৰাৰ বাবে দাবী জনাইছো। চার্ভে সম্পর্কে আৰু এটা কথা আছে। বিভাগৰ মানুহ বিলাকে সেই ঠাই আলি-গলী বিলাক চিনি নাপায়। তাত কিমান মানুহ আছে এইবিলাক কথা কব নোৱাৰে। কিন্তু আমি কব পাৰো, ক'ত কিমান ঘৰ মানুহ আছে। আজি বিভাগৰ মানুহে মাত্ৰ এটা কথাতে বেছি গুৰুত্ব দিয়ে। সেইটো হ'ল (ইনাগুৰেট) আঁচনি মুকলি কৰাৰ কথাটো। কিমান সোনকালে ইনা-গুৰেট কৰিব পাৰি সেইটোৰ ওপৰতহে জোৰ দিয়ে। কোনো প্ৰেক্টিকেল কথাত গুৰুত্ব নিদিয়ে। যিবিলাক আঁচনি বিভাগৰ কাগজে-পত্ৰই সম্পূৰ্ণ বুলি কোৱা হৈছে সেইবিলাকৰ কোনবিলাকত কিমান শতাংশ কাম হৈছে এই চলিত অধিবেশনতে আমাক জনাব লাগে। আজি বিভিন্ন ঠাইৰ পৰা বিভিন্ন ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আঁচনিবিলাকত পাইপ লাইন সম্পূৰ্ণ হোৱা নাই। খোৱা পানী নাই। উদাহৰণ স্বৰূপে মই আপোনাক মিৰ্জাৰ কোছপাৰা পানী যোগান আঁচনিৰ কথাকে কৈছো। তাত জনসংখ্যাৰ ভিত্তিতে আঁচনি লোৱা হৈছিল। তাত এতিয়া খোৱা পানী নাই। মিৰ্জাৰ মানুহে কেবাবাৰো বিভাগক অবগত কৰিছে। একো কাম হোৱা নাই। এতিয়া তাত ডিজেলৰ অভাৱত কাম বন্ধ হৈ আছে। বিভাগৰ কোনো কাণসাৰ নাই। কিন্তু আজি চাৰি বজাৰ আগতে বিভাগৰ মানুহ যাব। কাৰণ আজি মই বিধান সভাৰ মজিয়াত এই কথাটো উলিয়াইছো নহয়। উপা-ধ্যক্ষ মহোদয়, আমি জানো বিভাগৰ মন্ত্ৰীয়ে সকলো কথা গম নাপায়। কিন্তু প্ৰশাসনৰ লগত জড়িত বিষয়া সকলে কি কৰি থাকে? তেওঁলোকে দিছপুৰত বহি থাকে। তেওঁলোকে বিভাগৰ আঁচনি বিলাক ঠিকমতে চোৱা-চিতা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, ইয়াত এই আঁচনিবিলাকৰ মেইণ্টেনেন্সৰ কথা কোৱা হৈছে। মেইণ্টেনেন্সৰ শিতানত ধন ধাৰ্য্য কৰা হয়। মেইণ্টেনেন্সক নন প্লেন হেডত ধৰা হয়। কিন্তু আজি সকলো সকলোৰে মুখত শুনিবলৈ

পাণ্ড কাগজ কিনিবলৈ পইচা নাই। পেঞ্চিল কিনিবলৈ পইচা নাই। এইটো এতিয়া সকলোৰে আলোচনাৰ বিষয়। এতিয়া অৰ্থ সংকটত কাগজ, কলম, পেঞ্চিল কিনা পইচা নাই। চৰকাৰে অ'ফচ এক্সপেঞ্চচৰ কাৰণে ধন ধৰিছে। আমি আগতে ১৭ লাখ টকা দিছো। আজি কি কাৰণে কাগজ, পেঞ্চিল কিনিবলৈ পইচা নাই। মেইণ্টেনেন্স হেডত পাইপ স্কীম আছে। কিন্তু আজি খবৰ লোৱা মানুহ নাই। পাইপ স্কীমৰ মেৰামতিৰ আজি কোনো কাম হোৱা নাই। মেৰামতিৰ হেডৰ কেনে কাম হৈছে সেইবিলাক চাৰ্ভে কৰিব লাগে। আমি সকলোৱে জানো আজি মেৰামতিৰ কোনো কামেই কোনো এলেকাতে ঠিকমতে হোৱা নাই। এই আঁচনিবিলাকৰ কাৰণে বিভাগে ২৪ কোটি টকা বিচৰাৰ কোনো যুক্তি নাই। আপোনালোকে কাম কৰক, মেৰামতি কৰক আমি পইচা দিম। উপাধ্যক্ষ মহোদয়, আঁচনিৰ বাবে যিবিলাক পাইপ দিয়া হয় সেইবিলাকৰ গুণা গুণৰ ওপৰত কোনো পৰীক্ষা কৰা নহয়।

পাইপ বিলাকৰ গুণাগুণ চাবৰ কাৰণে ইঞ্জিনিয়াৰিং এক্সপাৰ্ট থকা যেন ভাব নহয়। ঠিকাদাৰে কলেই ঠিক হৈ যায় নেকি? এই বিলাক চোৱা চিতা কৰক তেতিয়াহে বিভাগটোৰ গ্ৰেভেটি, দিগনিটি, কুৱালিটি বাচিব। আমাৰ কথাবিলাকত গুৰুত্ব দিব। আপোনালোকে ৰাজ্যখনৰ ২৮ ভাগ মানুহৰ কথা কয়। বাকী বিলাকৰ কথা যতীন মালীহঁতেহে চিন্তা কৰিছে। ঠিক তেনেকৈ যন্ত্ৰ-পাতি সা সজুলিৰ নামত টকা দিয়া আছে। মই কাল্পনিক তথ্য দিয়া নাই। ইয়াত প্লেনৰ টকা আছে। ইকুইপমেণ্ট মেচিনেৰীৰ বাবে ১৫ লাখ টকা দিছে। তেনে স্থলত যোৰহাট, গুৱাহাটীত পানী যোগানৰ কাৰণে ইমান হাহাকাৰ কিয়? যিবিলাক সম্প্ৰসাৰণ ৰিপ্লেচমেণ্ট, কৰিব লাগে, তাক কৰা নাই কিয়? মিৰ্জাত বহুদিন ধৰি আঁচনি বেয়া হৈ আছে, মেৰামতি কৰা নাই। আমি হক কথা কওঁ। কাৰিকৰী বিভাগত চেনিটেচনৰ কথাটো জড়িত হৈ আছে। মই আগতে কোৱা কথাবিলাক নগৰ বিলাকৰ ক্ষেত্ৰতো প্ৰতিফলন হয়। নলী-নাদ জেনেৰেল, টি, এচ, পি, এচ, চি, চি, পিৰ এৰিয়াত বহুৱা হয়। তাৰোপৰি চেণ্ট্ৰেলি স্পেনচৰ্দ স্কীমৰ কথা আছে। এই কাৰিকৰী বিভাগটোত এক্সপাৰ্ট হেণ্ড নাই। তাৰা পাম্পবিলাক চৰত বহুৱা হয়। এই বিলাক চুটি আৰু দেখাত দুৰ্বল। অলপ পানী বাঢ়িলেই

তাৰা পাম্পবিলাক ডুব যায় আৰু প্লেটবিলাক ফাটে। প্লেটফৰ্ম বিলাক এপ্রভদ্ স্পেচিফিকেচনৰ হয় নে নহয়? এই ক্ষেত্রত মোৰ পৰামৰ্শ হল চৰ অঞ্চল হেণ্ড টিউবৱেল বহুৱাব লাগে। পলাশবাৰীত থকা চৰ এলেকাবিলাকত তাৰা পাম্প বহুৱাব নালাগে। মার্ক—২, হেণ্ড টিউব-ৱেল ক'ত ক'ত লাগিব সেই বিষয়ত বিভাগে ব্যৱস্থা লব লাগে। ১ম এপ্রিলৰ পৰা ৩১ মাৰ্চলৈকে বিত্তীয় বছৰটোত বিভাগে কি কৰি থাকে? ৪০—৫০ টা নলী-নাদ বহুৱাব নোৱাৰে। সুধিলে কয় ওপৰৰ পৰা চেংচন অহা নাই, অলপ ওপৰত সুধিলে কয় টকাটো দাইভার্ট হৈ আৰডিত গল নেকি? এই কথাবিলাকত আমি সন্তুষ্ট নহওঁ। আমি সকলো বুজি পাওঁ। আজি বিধান সভাত কলো। হয়তো কালিলৈ এখন লিষ্ট লৈ বিচাৰি আহিব ৪৫ টা হ'ল। অফিছাৰৰ লগত কথা কটা-কটি কৰি কিমান বেয়া হম। ওপৰৰ লগত তলৰ মানুহ বিলাকে কথা পাতিব নোৱাৰে— হয় চাৰ কোৱাৰ বাহিৰে। কাৰণ এ, চি, আৰৰ কথা আছে। নহলে বিপদ হব। প্লেনৰ টকা দিছো কি হল স্পেচি-ফিক উত্তৰ লাগে। বিত্ত মন্ত্রীয়ে কৈছিল আজিৰ তাৰিখত ৪০ কোটি টকা জমা আছে। আমি কৈছিলো সিদিনা ২৭ বাৰ অভাৰ ড্রাফট্ লৈছিল। এই কথা বিলাক বিশেষ ভাৱে আজি বুজাই দিব।

মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পিচত আহিল 'চেণ্ট্রেল স্পনচর্ড স্কীম। এই চেণ্ট্রেল স্পনচর্ড স্কীম'ত বহুত টকা ধৰা হৈছে। ইয়াত ধৰা হৈছে ১৮৫০·০০ লাখ এই 'চেণ্ট্রেল স্কীম'ৰ টকা বিলাকৰ ওপৰত চকু ৰাখিব লাগিব। এই 'চেণ্ট্রেল স্পনচর্ড স্কীম' ধন ১৯৯১-৯২-৯৩ ৯৪-৯৫ লৈকে ক'ত ক'ত কেতিয়া কেতিয়া খৰচ কৰিছে। কিমান টকা আছে আৰু সেই টকাবোৰ ক'ত ক'ত খৰচ কৰিছে আৰু 'পাৰফৰমেঞ্চ অৱ দি স্কীম'ৰ এটা সুকীয়া 'ষ্টেটমেণ্ট' দিব লাগে। এইবিলাক জনাৰ অধিকাৰ আমাৰ আছে, অসমৰ প্রত্যেকজন মানুহৰে জনাৰ অধিকাৰ আছে, এই সম্পর্কে বক্তব্য ৰাখিব লাগে। ইয়াত টকা ধৰা আছে। 'ডিপার্টমেণ্টে' 'চেনিটেশ্যান'ৰ সম্পর্কে কি কৰিছে আৰু কি কৰা নাই। তাৰ বিষয়ে বক্তব্য ৰাখিব লাগে— এটা ষ্টেটমেণ্ট দিব লাগে— ক'ত ক'ত 'ইমপ্লিমেনটেশ্যন' কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এটা ডাঙৰ 'প্রবলেম' মই ডিপার্টমেণ্টক'

কেইবাবাৰো কৈছো, এইটো পাব্লিকৰ অপিনিয়ন'। পি এইচ ই ডিপার্টমেণ্টৰ এটা কথাৰ অভাব হৈ আছে। এই ডিপার্টমেণ্টে কোনো এটা স্কীম যদি হাতত লয়, সেই স্কীমটো কমপ্লিট কৰাটো দূৰৰ কথা আৰম্ভ কৰিব নোৱাৰে। ইয়াৰ কাৰণ হৈছে 'ইলেকটিচিটি'। এই ইলেকটিচিটিৰ' কাৰণে ৰাজাপাৰৰ (TSP) কাম বৈ আছে। 'ইলেকটিচিটি' 'ডিপাৰমেণ্টৰ' লগত এই কাম বিলাক কৰিবৰ কাৰণে পি এইচ ই ডিপার্টমেণ্টৰ লগত আলোচনা হৈছে। সেই আলোচনাৰ সময়ত কি হ'ল তাৰ সকলোবিলাক পেপাৰ সদনত দিব লাগে। পি এইচ ই ডিপার্টমেণ্টে ইণ্টাৰেষ্ট দিয়া নাই নে 'ইলেকটিচিটিৰ অভাবৰ বাবে কৰিব পৰা নাই নে 'প্লেন'ৰ টকা দিয়া নাই। এতিয়া কথা হল 'ইলেক-টিচিটি ডিপার্টমেণ্ট'ৰ লগত এটা 'জইণ্ট' ডিচকাশ্যন হব লাগে। এইবিলাক মাননীয় মন্ত্ৰীৰ লগত আলোচনা কৰিব লাগে। পি এইচ ই ডিপার্টমেণ্টৰ যি বিলাক আচনি আগলৈ লোৱা হব সেই বিলাকক 'ফেচিলিটি' দিব লাগে। এনে ধৰণৰ আলোচনা নোহোৱাৰ বাবে এইটো এটা 'মেজৰ' প্ৰব্লেম' হৈ আছে। এইটো সমাধান কৰিবৰ বাবে যতীন মালীয়ে কব লাগিব নেকি ? এনে ধৰণৰ গুৰুত্বপূৰ্ণ কথাত মনোযোগ দিব লাগে। 'ডিপার্টমেণ্ট'ৰ কোৱালিটি কনট্ৰোল বুলি এটা শাখা আছে। এই কোৱালিটি কণ্ট্ৰোল শাখাটো 'একটিভ' নহয় নেকি ? এই কোৱালিটি কণ্ট্ৰোল শাখাটো 'একটিভ হব লাগে। আজি বিধান সভাত এই বিষয়ে আলোচনা হোৱাৰ বাবে হয়টো আপোনা-লোকে কেইদিনমানৰ ভিতৰতে আলোচনা কৰি বাতৰি কাকতত 'বস্ক নিউজ' দিব। কিন্তু পি এইচ ই বিভাগৰ পানী যোগানৰ পানী খাই মানুহ বিলাকৰ চালৰ বেমাৰ হৈছে, পেটত পাঠৰ হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কবলৈ গৈছো যে চৰকাৰে 'আচাম স্পেচিয়েল ষ্টে পাইপ চিচ্‌টেম' এই আঁচনিখনৰ ভিত্তিত 'ৰোৱেল স্কীম'টো চাব লাগে। ডিপার্টমেণ্ট বিলাকত দেখিবলৈ পাওঁ, পঞ্চায়ত বিলাকত শুনিবলৈ পাওঁ ১ লাখ দিছে, ৫০ হেজাৰ দিছে। যেতিয়া পঞ্চায়-তত গৈ সোধা যায় তেতিয়া গম পোৱা যায় টকাটো অহা নাই। পঞ্চায়তৰ মানুহ বিলাকে এতিয়া বিষয় বাৰ এৰি দিয়াৰ অৱস্থা। উপাধ্যক্ষ মহোদয়, পানী যোগানৰ ব্যৱস্থা গোৱালপাৰা, জু-ৰ'ড, কাৰবি আংলঙত দিছে। এই

বিলাক 'চেংশন' হৈ গৈছে। কিন্তু পানী পাইছে জানো। কাউৰীয়ে পাত্রত থকা তলৰ পানীও এটা এটাকৈ পাঠৰ দি ওপৰলৈ আনি খাব পাৰে। আমি এই কম্পিউটাৰৰ যুগত বিজ্ঞানৰ যুগত পানীৰ নাটনিৰ অৱস্থা হৈছে। গতিকে পানী যোগানৰ নামত ধাৰ্য্য কৰা ২৪২৪'০০ লাখ টকা ১০০ টকালৈ হ্রাস কৰিব লাগে বুলি কৈ মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

Mr. Dy. Speaker—Now Hon'ble member Babu Ranpi—

শ্রীবাবু ৰংপী :— মাননীয় উপাধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰিপূৰক দাবীৰ ওপৰত কৰ্ত্তন প্রস্তাব আমি ইতিমধ্যে মাননীয় কেইবাজনো সদস্যই সদনত তেওঁলোকৰ বক্তব্য দাঙি ধৰিছে। এই আলোচনাত ভাগ লৈ মই বিশেষকৈ কার্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰ জিলাত পানী যোগানৰ ক্ষেত্রত কিছু কথা কব বিচাৰিছো। আপোনালোকে সকলোৱে জানে যে এই জিলা দুখন বিশেষকৈ পাহাৰুৱা অঞ্চলেৰে ভৰা আৰু তাত বৰ্ত্তমান পানী যোগানৰ কাৰণে যিখিনি ব্যৱস্থা আছে সেইখিনি যথেষ্ট নহয় আৰু যিখিনি স্কীম আছে সেই স্কীমবোৰতো নানাবোৰ ত্রুটি বিচ্যুতি থকাৰ কাৰণে সেই অঞ্চলৰ বাইজে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ আহিছে। সেই কাৰণে এই অঞ্চলত যিবোৰ স্কীম আছে সেইবোৰৰ কিছু সংশোধনৰ প্রয়োজন আছে বুলি ভাবো। এই অঞ্চলৰ আমবেং, খেৰণি, বৰপুং আদি ঠাইত বিশুদ্ধ খোৱা পানীৰ অভাৱৰ কাৰণেই এপিডেমিক হৈছে। এই এলেকাবোৰত বিশুদ্ধ খোৱা পানীৰ যোগানৰ কাৰণে চৰকাৰৰ ওচৰত যথেষ্ট হেচা দিয়া হৈছে যদিও কোনো কাম হোৱা নাই। কার্বি আংলং জিলাৰ সদৰ ঠাই দিফুত আজি ৪/৫ বছৰ ধৰি গ্রেটাৰ ওৱাটাৰ চাপ্লাইৰ কথা কৈ অহা হৈছে। কিন্তু সেই কামটোও এতিয়ালৈকে সম্পূর্ণ হোৱা নাই আৰু এই বিষয়টোক লৈ আমি প্রত্যেকটো বিধান সভাৰ অধিবেশনতে আলোচনা কৰি আহিছো। এই স্কীমত সম্পূর্ণ নোহোৱাৰ কাৰণে দিফু বাসী বাইজে পানীৰ ক্ষেত্রত যি অভাৱ পায় আহিছে সেই বিষয়ে মই চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। এই ক্ষেত্রত মন্ত্রী মহোদয়ে কামটো সোনকালে সম্পূর্ণ কৰাৰ বাবে আগভাগ লোৱাৰ বাবে অনুৰোধ কৰিলো। ইয়াৰ লগতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে যিবোৰ পাইপ

স্কীম লোৱা হৈছে সেইবোৰত ট্রিটমেণ্ট প্লেণ্টৰ ব্যৱস্থা কৰা হোৱা নাই। এইবোৰ স্কীমৰ পৰা বাইজে অসংশোধিত পানী খাব লগা হৈছে। এই ক্ষেত্রত বিভাগে কোনো দৃষ্টি নিক্ষেপ কৰা আমাৰ পৰিলক্ষিত হোৱা নাই। এতিয়ালৈ নিলীপ, ববপুং, ডেৰপুং আদি ঠাইত পানী যোগানৰ কাৰণে কোনো স্কীম হাতত লোৱা নাই। ৰংৰংৱে লাংগাপচু, দকমকা আদি ঠাইত পানী যোগানৰ কাৰণে স্কীম লোৱা হৈছে যদিও সেইবোৰত পানীৰ চহ'টো নাইকিয়া হৈ যোৱাৰ কাৰণে পানী যোগান ধৰিব পৰা নাই। এই ক্ষেত্রত বিভাগে কি ব্যৱস্থা হাতত লৈছে সেই বিষয়ে আমি জানিব পৰা নাই। গতিকে পাহাৰুৱা অঞ্চল হিচাবে কাৰ্বি আংলং আৰু উত্তৰ কাচাৰ পাহাৰ জিলাৰ পানী যোগান সমস্যাটোৰ বিষয়ে চৰকাৰে বিশেষ ভাবে চিন্তা কৰিব লাগে। তাকে কৰিব নোৱাৰিলে প্রত্যেক বছৰে যি ধৰণে এপিডেমিক হৈ আছে সেইটো বন্ধ কৰা টান হৈ পৰিব। এই ক্ষেত্রত মই আৰু এটা কথা কব খোজো যে এই বিভাগত অসম চৰকাৰে ইতিমধ্যে যথেষ্ট টকা দিছে আৰু ওপৰোক্ত বন্ধু সকলে এটা কথা উল্লেখ কৰি গৈছে যে এই বিভাগত যথেষ্ট টকা দিয়া স্বত্বেও ঠিকমতে কাম নহৈ বহু টকা অপব্যয় হোৱা বুলি উল্লেখ কৰিছে। সেই কাৰণে এই বিভাগৰ কাৰণে আৰু টকা দিয়াৰ বিৰোধীতা কৰো। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ ইন-ফৰমেচনৰ কাৰণে এটা কথা কব খুজিছো যে আজি সদৌ অসম নেপালী ছাত্র সন্থাই যি আন্দোলন কৰিছে তাৰ পৰা কেইজনমান ছাত্রক পুলিচে গ্রেপ্তাৰ কৰিছে। গ্রেপ্তাৰ কৰা এই ছাত্র কেইজনক বিনা চর্ত্তে মুক্তি দিয়াৰ বাবে মই আপোনাক অনুৰোধ জনালো। দ্বিতীয়তে, সদৌ অসম মহিলা সন্থাই আজি দিশপুৰত ধর্ণা প্রদর্শণ কৰিছে। এই বিষয়টোও মই আপোনাৰ দৃষ্টিগোচৰ কৰিলো।

Mr. Dy. Speaker— please sit Down. Now Hon'ble member Alauddin Sarkar--

শ্রীআলাউদ্দিন সৰকাৰ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিধান সভাত জলসিঞ্চন বিভাগৰ কাৰণে যি ২৪২৪·০০ লাখ টকাৰ পৰিপূৰক দাবী মঞ্জুৰী

বিচৰা হৈছে তাৰ পৰা ১০০ টকা হ্ৰাস কৰি যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে তাত অংশ গ্ৰহণ কৰি মই দুযাৰমান কথা কব খুজিছো। প্ৰথমে মই আমাৰ বিখ্যাত চিত্ৰ পৰিচালক গৌতম বৰা ডাঙৰীয়াই পৰিচালনা কৰা এখন তথ্য চিত্ৰৰ কথা উল্লেখ কৰিব খুজিছো। এই তথ্য চিত্ৰ খনত এটি দৃশ্য সংযোজিত হৈছে। তাত মহিলা গৰাকীয়ে নাৰেঁৰে নদীলৈ গৈ আছে পানী আনিবৰ বাবে। ইফালে বানপানীৰ সময়, কোনোফালে খোৱাপানী বিচাৰি পাবলৈ নাই। তেনেকৈ গৈ থাকোতে মহিলা গৰাকীয়ে এটা টিউবওৱেলৰ মুৰটো দেখিবলৈ পালে নদীৰ পানীৰ মাজতে ওপঙি থকাৰ দৰে আছে। মহিলা গৰাকীয়ে সেই টিউবওৱেলটোৰ কাষলৈ কোনোমতে নাওঁখন নিলে। তাৰ পিচত মহিলা গৰাকীয়ে টিউবওৱেলটোৰ পৰা পানী মাৰিবলৈ ধৰিলে। ইফালে নদীৰ প্ৰৱল সোঁত আনফালে টিউবওৱেলটোৰ পৰাও পানী নোলায়। এনে এটা দৃশ্য হয়তো চিত্ৰ পৰিচালকে অসমৰ পানী যোগান ব্যৱস্থা পয়ালগা খিনি ইঙ্গিত কৰিছে। সেই কাৰণে এই অৱস্থাটো কেনেকৈ অপসাৰণ কৰিব পাৰি তাৰ কাৰণে আমি ব্যৱস্থা কৰিব লাগে। আমাৰ গাওঁ অঞ্চলৰ ৰাইজৰ কাৰণে খোৱা পানী যোগান ধৰাৰ কাৰণে চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে যদিও সেইটো পৰ্য্যাপ্ত পৰিমানৰ হোৱা নাই আৰু কি কাৰণত যোগান ধৰিব পৰা হোৱা নাই সেই বিষয়ে আলোচনা চলি আছে। কিন্তু এই খিনিতে মই বিধায়ক হিচাবে জানিব খুজিছো যে কোন কোন বিভাগে পানী যোগানৰ কাৰণে টিউবওৱেলবোৰ যোগান ধৰে। এতিয়া চৰ উন্নয়ণ বুলি এটা বিভাগ হৈছে। তেওঁলোকৰ ফালৰ পৰাও পানী যোগানৰ কাৰণে টিউবওৱেল বহুউৱা হয়। আকৌ ডি, আৰ, ডি, এ, ৰ ফালৰ পৰাও টিউবওৱেল যোগান ধৰা হয়। তাৰোপৰি এচ, চি/এচ, টি লোক সকলৰ কাৰণে এচ, টি এচ, টি, ডেভেলপমেণ্ট বোৰ্ড সমূহৰ ফালৰ পৰাও টিউবওৱেল দিয়া হয়। এতিয়া মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো তেখেতে মূল বিভাগটো ধৰি ৰাখি বিভিন্ন বিভাগে আগবঢ়োৱা এই সুবিধাবোৰৰ কিবা খা-খবৰ পায় নে নাপায়।

কম্পিউটাৰ হৈছে, তথ্যপাতি লৈ গৈছে আৰু দিল্লীৰ পৰা লৈ আহিছে, এইটো ডাঙৰ কথা হৈছে। আমি কোছ ৰাজবংশী অধ্যুষিত

অঞ্চলৰ মানুহ। দুখীয়া হলেও সেই মানুহবোৰ সাংস্কৃতিক দিশত কিছু পৰিমাণে আগবঢ়া। আমাৰ অঞ্চলৰ জনা নাছিলো, গাওঁৰ চুকবোৰ মুছলমানপাৰা, বংশীপাৰা, বাঙালীপাৰা। মাঝিপাৰা হিচাবে দেখুৱাইছে, যিবিলাক কথা আমি শুনা নাই। বিভাগে এইবিলাক কথা উলিয়াইছে। যিবিলাক সংখ্যা উনুকিয়াইছে সেই বিলাক তথ্যৰ মিল নাখায়। যিখন গাওঁত টিউবওৱেল দিয়াৰ বাবে বিভাগে নিৰ্দ্দেশ দিছে সেই গাওঁত দিয়া হোৱা নাই। মিস্ত্রিপাৰা চকটোত সকলো ব্যৱস্থা আছে, তাত পানী যোগানৰ ব্যৱস্থা আছে টিউবওৱেল আগৰ পৰাই আছে, সেইখন গাওঁত সাত শ মানুহৰ মাজত পানী যোগানৰ ব্যৱস্থা যি দেখুউৱা হৈছে সেইটো ভুল তথ্য ডাঙি ধৰা হৈছে। এইটো নিশ্চিত ভাবে ভুল তথ্য ডাঙি ধৰা হৈছে। বিশুদ্ধ পানী যোগান প্লেন আৰু নন-প্লেনত কি কি আঁচনি ইয়াৰ জৰিয়তে কি ভিত্তিত পানী যোগান গঢ়ি তোলা হৈছে কিমান সংখ্যক গাওঁ কভাৰ কৰা হৈছে বা একেবাৰে হোৱা নাই এই তথ্য বিলাক মন্ত্রী ডাঙৰীয়াই দিব লাগে। ইয়াৰ আগতে ঘোষণা কৰা হৈছে যে অসমত হেনো প্ৰবলেম ভিলেজ নাই। কিমানখন গাওঁ কভাৰ হৈছে বা হোৱা নাই এই তথ্য ডাঙি ধৰিব লাগে। এই পানী যোগানৰ বাবে কিমান সময় লাগিব এই বছৰ বৰ্ত্তমান চৰকাৰে সেই কাম খিনি কৰি যাব পাৰিব নে? মানুহৰ মৌলিক অধিকাৰ খাদ্য, বস্ত্র, বাসস্থান, খাদ্যৰ লগত পানীৰ প্রয়োজন। পানীৰ আন এটা নাম জীৱন। বিশুদ্ধ পানীয়ে মানুহৰ জীৱন ৰক্ষা কৰে, কিন্তু মানুহে সেই বিশুদ্ধ পানী পৰ্য্যাপ্ত পৰিমাণে পোৱা নাই। বৰ্ত্তমানে এঘৰৰ কাৰণে এটা টিউবওৱেলৰ প্রয়োজন। গাওঁৰ মাজত থকা পাইপ ওৱাটাৰ আঁচনি এক্সটেনচন কৰিব লাগে। এক্‌ছেজ আইৰণ গুছাবৰ বাবে মোবাইল লেব'ৰেটৰীৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্রত মোৰ পৰামর্শ সমূহ হ'ল নন-প্লেনত বৰ্দ্ধিত হাৰত টকা মঞ্জুৰী দিয়ক। ডিজেল চালিত আঁচনি সমূহ সচল কৰক। গাওঁৰ মাজত থকা পাইপ ওৱাটাৰ চাপ্‌লাই স্কীম সমূহ ঘৰে ঘৰে পাইপেৰে খোৱা পানী যোগান ধৰিব পাৰে। তাৰ বাবে পাইপ লাইন সম্প্রসাৰণ কৰিব পাৰি আৰু পানী অভাব বন্ধ কৰিব পাৰি। পানী যোগানৰ নিমিত্তে বহুওৱা টিউবওৱেলৰ আৰ-ডবলিউ মাৰ্ক সমূহ চোৱা চিতা আৰু মেৰামতিৰ

নিমিত্তে পঞ্চায়ত পর্য্যায়ত কমিটি গঠন কৰিব পাৰি। পানীৰ পৰা আইৰণ গুচাবৰ বাবে আইৰণ বিমোভেল প্লেন্ট সমূহ সক্রিয় কৰা উচিত আৰু এই ক্ষেত্রত মোবাইল লেব'বেটৰীৰ ব্যৱস্থা কৰিব লাগে। পৰিশেষত বিভাগীয় মন্ত্রী মহোদয়ে ৰাজ্যৰ বিভিন্ন জিলা কেন্দ্রত উপস্থিত হৈ পানী যোগানৰ দায়িত্বত থকা সংমণ্ডল সমূহক বিষয়ববীয়া সকলৰ পৰা স্থানীয় ভাবে সমস্যা সমূহৰ খা-খবৰ লব লাগে। এই ক্ষেত্রত আজিলৈ ধুবুৰী জিলাত নিমন্ত্রণ জনোৱা স্বত্বেও মন্ত্রী মহোদয়ে উপস্থিত নোহোৱাৰ বাবে মই ক্ষোভ প্রকাশ কৰিছো। তেখেতক আকৌ নিমন্ত্রণ জনালো। ধুবুৰীত উপস্থিত হৈ সীমান্ত এলেকা সমূহ ভ্রমণ কৰি পানী যোগানৰ সমস্যাৰ বুজ লৈ তৎকালীণ ভাবে সমাধা কৰাৰ ব্যৱস্থা হাতত লওক।

Mr. Dy. Speaker, Now Hon'ble member Shri Samarendra Nath Sen (Samarendra Nath Sen requested Shri Kali Ranjan Dev M.L.A to speak

শ্রীকালিরঞ্জন দেব : মাননীয় উপাধ্যক্ষ মহোদয়, আমি পি এইচ ই খাতে যে ২৪২৪ লক্ষ টাকার পরিপূরক মঞ্জুরী এসেছে তার বিরোধীতা করে তার উপর কর্তন প্রস্তাব উৎথাপন করা হয়েছে তা সমর্থন করে এই বিভাগের একটা করুণ চিত্র এই সদনে তুলি ধরছি। স্যার, আমি সারা আসামের কথা বলছি না— আমি শুধু আমার নির্বাচনী চক্র কাটিগড়ার যে করুন চিত্র সেটাই শুধু বলছি।

উপাধ্যক্ষ মহোদয়, কাটিগড়া নির্বাচনী চক্র হলো ইন্টারনেশনেল বর্ডারের পাশে। এই এলাকার জন্য বহুদিন আগে এই বিভাগ থেকে ৫/৬ টি পাইপ ওয়াটার সাপ্লাই স্কীম সেংশন হয়েছিল। কিন্তু দুঃখের বিষয় যে এই স্কীম-গুলির কোনটিই আজ কার্য্যক্ষম অবস্থায় নেই। একটা স্কীম থেকেও জন-সাধারণর তাদের প্রয়োজনীয় জল পাচ্ছে না। এই স্কীমগুলির পাইপ হয়তো কোথাও ভেঙ্গে গেছে, কোথাও হয়তো প্রয়োজনীয় ঔষধ সরবরাহ না হওয়ার জন্য জল দেওয়া সম্ভব হচ্ছে না। কোথাও আবার ডিজেলের অভাবে পাম্প চালানো সম্ভব হচ্ছে না। এ ব্যাপারে ইঞ্জিনীয়ারকে বললে আমাদেরে বলা হয় যে টাকা নেই। টাকা নাথাকলে, প্রয়োজনীয় ঔষধ পাতি নাথাকলে

আমরা কি করব? কিছু ডিজেল দেওয়া হয় এইসব স্কীম চালানোর জন্য। কিন্তু ২/১ দিন চালানোর পর আবার বন্ধ হয়ে অকেজ হয়ে পড়ে থাকে। এই হলো এই বিভাগের অবস্থা। স্যার, জল হলো আমাদের সবচেয়ে প্রয়োজনীয় জিনিষ। গ্রামের লোক যদি তাদের প্রয়োজনে জল নাপায় তাহলে তারা কি ভাবে বাঁচবে? আমার সমষ্টির স্কীমগুলির নাম হলো— ১। জালালপুর পাইপ ওয়াটার স্কীম, ২। গুমড়া পাইপ ওয়াটার স্কীম, ৩। কালাইন পাইপ ওয়াটার স্কীম, ৪। কাভিরাইল পাইপ ওয়াটার স্কীম এবং ৫। ফুলবারী পাইপ ওয়াটার স্কীম। এই স্কীমগুলির প্রত্যেকটিই আজ অকেজ। এই যদি পি এইচ ই বিভাগের অবস্থা হয় তাহলে এই বিভাগ রেখে আমাদের লাভ কি? এই বিভাগ যদি জনসাধারনের জন্য কোন কাজ না করে তাহলে এই বিভাগে টাকা দিয়ে কি লাভ হবে? স্যার, ১৯৯১-৯২ ইং এবং ১৯৯২-৯৩ ইংতে বিভাগীয় মন্ত্রী মহোদয় আমাদের চিঠি দিয়ে কতকগুলি জায়গার নাম চেয়েছিলেন এবং বলা হয়েছিল যে প্রত্যেক সমষ্টিতে কিছু রিং ওয়েল, মার্ক—২ পাম্প ইত্যাদি দেওয়া হবে। কিন্তু আজ পর্যন্ত তা দেওয়া হয়নি। এ বছর কিছু কিছু দেওয়া হচ্ছে বলে আমরা জানতে পেরেছি। স্যার, এই বিভাগ যদি প্রোপারলি কাজ না করে তাহলে এই বিভাগ রেখে আমাদের কোন লাভ হবে না। সুতরাং আজ মন্ত্রী মহোদয়কে আশ্বাস দিতে হবে যে যেগলি স্কীম আজ অকেজ হয়ে আছে সেগুলি মেরামত করে চালু করার ব্যবস্থা তিনি করবেন। যদি এই আশ্বাস তিনি দেন তাহলে আমরা এই টাকা দেব। এই বলে আমি আমার বক্তব্য শেষ করছি।

Mr. Dy. Speaker: Now Hon'ble member Sri Khiren Borgoyari

★ শ্রীক্ষীৰেণ ৰবগয়াৰী: মাননীয় উপাধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ২ হাজাৰ ৪২৪ লাখ টকাৰ চাপ্লিমেণ্টৰী কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি আলোচনাত অংশ গ্ৰহণ কৰি কবলৈ থিয় হৈছো। মাননীয় উপধ্যক্ষ মহোদয়, যোৱা বছৰত আমি এচেম্বলীৰ এচ, চি/এচ, টি কমিটিৰ ফালৰ পৰা ধুবুৰী,

★ Speech not corrected.

লক্ষীমপুৰ, ধেমাজী আদিলৈ গৈছিলো তাত দেখিলো যে প্ৰতিটো বিভাগৰে বিপৰীতে ওজৰ আপত্তি আছে। বিশেষকৈ জনস্বাস্থ্য বিভাগৰ বিপৰীতে প্ৰতিখন জিলাতে বাইজৰ পৰা আপত্তি পাইছিলো। এই বিভাগৰ স্কীমৰ জৰিয়তে বহুটো টকা অপব্যয় কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাব খুজিছো যে এই যিবিলাক টকা অপব্যয় কৰা হৈছে তাৰ এটা ব্যৱস্থা গ্ৰহণ কৰে যেন। আমাৰ অসমৰ উত্তৰ অঞ্চলত বিশেষকৈ কোকোৰাঝাৰ বৰপেটা, কামৰূপ, নলবাৰী, দৰং আদি জিলাত সৰহ সংখ্যক মানুহৰ খোৱা পানী নথকাৰ কাৰণে নদী বিল আদিৰ পানী খাব লগাত পৰিছে। যি পানী বিশুদ্ধ নহয়, খোৱাৰ বাবে উপযোগী নহয়। অলপ আগতে আমাৰ মাননীয় সদস্য শ্ৰীযতীন মালী ডাঙৰীয়াই কৈ গৈছে যে আজিৰ যুগটো হৈছে কম্পিউটাৰৰ যুগ, বিজ্ঞানৰ যুগ। আচৰিত কথা এই যে আজিৰ এই যুগটো মানুহে নদীৰ পানী খাই থাকিবলগীয়া হৈছে। কোকোৰাঝাৰত ডাডগড় নামে এখন ঠাই আছে। সেই অঞ্চলত ৪৯ ঘৰ মানুহ চৰকাৰে বহুৱাইছে। কিন্তু দুখৰ বিষয় যে আজিলৈকে তেওঁলোকক খোৱা পানীৰ যোগান ধৰিব পৰা নাই। তেওঁলোকে ভূটানৰ ওচৰলৈ ৪-৫ কিলোমিটাৰ দূৰ গৈ পানী আনিব লাগে। এই কথাটো চৰকাৰে চিন্তা কৰিব লাগে। সেই কাৰণে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে সেইবোৰ অঞ্চলত খোৱা পানীৰ ব্যৱস্থা আছে নে নাই সেইবিলাক চাব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, নলবাৰী উত্তৰ অঞ্চল, বৰপেটা আৰু কামৰূপ জিলাৰ গাওঁ অঞ্চলত বহুতো মানুহ আছে, যাৰ খোৱা পানীৰ ব্যৱস্থা একেবাৰে শোচনীয়। গতিকে এইবোৰ অঞ্চলৰ কথা চৰকাৰে ভাবি চাব লাগে।

অধ্যক্ষ মহোদয়, ১৯৯৩ চনৰ বাজেট অধিবেশনৰ সময়তে মই এটা প্ৰস্তাৱ দাঙি ধৰিছিলো যে আমাৰ পিছ পৰা অঞ্চলৰ মানুহ খিনিৰ কাৰণে পানী যোগানৰ ব্যৱস্থা লোৱা হোৱা নাই। তেতিয়া আমাৰ চৰকাৰে কৈছিল যে এই অঞ্চলবোৰ বৰ্ডাৰ এৰিয়াৰ অন্তৰ্ভুক্ত, গতিকে অসম চৰকাৰৰ দায়িত্বত এই বিষয়টো নাই। ভাৰত চৰকাৰৰহে কাম। গতিকে মই এই বিষয়ত বৰ দুখ

পাইছোঁ যে ভাৰত চৰকাৰৰ দায়িত্বত থকা স্বত্বেও আমাৰ অসমৰ মানুহৰ আজি দুখ লগা অৱস্থা। পানী যোগানৰ কোনো ভাল ব্যৱস্থা নাই। আজি মোৰ সমষ্টি কোকোৰাঝাৰ জিলা, দৰং জিলা আদিত পানী যোগান ব্যৱস্থা হেন্দ ৰিং ওৱেল আদিৰ প্ৰায় ধ্বংস হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে পানী যোগানৰ নামত যি টকা দিছে, সেই টকা বিভাগীয় অফিচাৰ সকলে কোনো কাম নকৰাকৈয়ে টকা আত্মসাৎ কৰিছে। টকাবোৰ ক'ত খৰছ কৰিলে বা পুনৰ নিৰ্মানৰ কাম কিমান কৰিলে তাৰ হিচাব বৰ্ত্তমান চৰকাৰে দিব পাৰিব নে? ক'ৰ টকা কলৈ গ'ল, বিভাগীয় বিষয়া সকলে নেজানে। বিভাগীয় মন্ত্ৰী ডাঙৰীয়াইও নেজানে। আমি যোৱা বছৰ চৰকাৰৰ পৰা চিঠি পাইছিলো যে প্ৰতি ৬০ জন মানুহৰ মাজত একোটাকৈ ৰিং ওৱেল দিয়া হ'ব। আমিও স্কীম দিছিলো। কিন্তু আজিলৈকে কোনো কাম কাৰ্য্যকৰী ন'হল। ৰাইজে আমাক অহা নিৰ্বাচনত কিয় ভোট দিব, যদি তেওঁলোকৰ দুখেই আমি দূৰ কৰিব নোৱাৰো? গতিকে চৰকাৰে এই বিষয়ে চিন্তা কৰা প্ৰয়োজন আছিল। কিন্তু আমি আজিলৈকে কোনো কাম হোৱা দেখা পোৱা নাই। গতিকে উপাধ্যক্ষ মহোদয়ৰ যোগেদি অসম চৰকাৰক অনুৰোধ জনাওঁ যে কোকৰাঝাৰ উত্তৰ অঞ্চলত পি, এইচ, ইৰ আন্দাৰত যি স্কীম লোৱা হৈছে তাক কাৰ্য্যকৰী কৰিব বুলি প্ৰতিশ্ৰুতি দিলে মোৰ কাট মোচন উঠাই লোৱা হ'ব।

Mr. Dy. Speaker : Now Hon'ble member Sri Karendra Basumatari will be speak.

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে— "১৯৯৪-৯৫ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৪৯-৫০ পৃষ্ঠাত থকা পানী যোগান আৰু অন্যান্য শিতানৰ ৩০ নম্বৰৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২৪২৪·০০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওক, অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ২৪২৪·০০ লাখ টকাৰে হ্ৰাস কৰা হওক।"

মাননীয় উপাধ্যক্ষ মহোদয়, উক্ত টকাখিনি স্বাস্থ্য বিভাগক দিয়াৰ কোনো যুক্তি যুক্ততা নাই। কাৰণ জনস্বাস্থ্য বিভাগে এই অঁচনিৰ অধীনত

কোনো কাম কার্য্যকৰী কৰা নাই। জনস্বাস্থ্য বিভাগত আজি বিভিন্ন দুর্নীতিয়ে দেখা দিছে। কাৰিকৰী বিভাগো অধিক ভাবে দুর্নীতিত লিপ্ত হৈছে। মোৰ সমষ্টি, দৰং জিলাৰ পানেৰী সমষ্টিৰ পি, এইচ, ই বিভাগৰ এটা ডিভিজনৰ কার্য্যকৰী অভিযন্তা এজন অত্যন্ত কৰাপচনৰ কাৰণে গুচি আহিব লগীয়া হৈছিল। এই ডিভিজনত ৰেগুলাৰ ভাবে কার্যকৰী অভিজন্তা জন অফিচত নেথাকে। মোৰ সমষ্টিটো ভূটানৰ ওচৰত হিল এৰিয়াৰ তলত হোৱা কাৰণে পি, এইচ, ই বিভাগে কোনো ধৰণৰ কাম কৰা নাই। যিবিলাক ৰিং ওৱেল বহুৱাৰ আঁচনি আছিল, আজিলৈকে কোনো কাম হোৱা নাই। মই মাজে মাজে কেতিয়াবা নিজৰ সমষ্টিৰ, পি, এইচ, ই বিভাগৰ চিফ ইঞ্জিনীয়াৰক লগ কৰি খবৰ লওঁ, তেতিয়া তেখেতে কয়, যে এইবাৰ টকা আহিলে কাম হাতত লোৱা হ'ব। আকৌ কেতিয়াবা কয় "আপুনিয়েই অলপ জোৰ দি চৰকাৰক ধৰকচোন টকাটো গ্রাণ্ট হবৰ কাৰণে" ইত্যাদি ইত্যাদি। মই আগৰ বাজেট চেচনতে প্রস্তাৱ কৰিছিলো, কিন্তু কামত নাই। যোৱা-বাৰ ৯৩ চনতে ২৮ টা ৰিং পইণ্ট স্কীমৰ বাবে চিলেকচন কৰিলে। দৰং দিভিজনত ৪ টাৰ কাৰণে ৬৭ জন মাষ্টাৰ ৰোল লেবাৰ নিয়োগ কৰিলে। কোনো কাম নোহোৱা কাৰণে সেই শ্রমিক কেইজনক বর্ত্তমান চাকৰিৰ পৰা বিলিজ কৰি দিয়ে। আজি এই অঞ্চলটো পানীৰ অভাৱত মৰুভূমিত পৰিণত হৈছে। গতিকে স্বাস্থ্য মন্ত্রী ডাঙৰীয়াই এই সদনতে আজি এটা স্পষ্ট আশ্বাস দিব লাগে, যাতে কামবোৰ কার্য্যকৰী হয়। চৰকাৰ এখনৰ কার্য্যকাল আৰু এবছৰ বা ডেৰ বছৰ হে আছে। চলিত বছৰতে তেখেত লোকে যাতে বাকী থকা বা একেবাৰে নকৰা কামখিনি কার্য্যকৰী কৰে তাৰ বাবে মই উপাধ্যক্ষৰ যোগেদি চৰকাৰ তথা বিভাগীয় মন্ত্রীক অনুৰোধ জনালোঁ।

সেই কাৰণে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাইছো। সংশ্লিষ্ট বিভাগৰ মন্ত্রী মহোদয়ে স্পষ্টভাবে আশ্বাস দিব লাগে যাতে হাতত থকা এই দেড় বছৰ বিভাগটোৰে কি ধৰণে পানীযোগানৰ কাম কাজ বিলাক কার্য্যকৰী কৰিব তাৰ এটা স্পষ্ট আভাস সদনত ৰাখিব লাগে। যি বিলাক কাম কৰিবলৈ আছে সেই বিলাকো মন্ত্রী মহোদয়ে ঘোষণা কৰিব লাগে। ইয়াৰ লগতে চেনিটেশ্বনৰ বিষত কব বিচাৰিছো যে টংলা এখন ডাঙৰ টাউন

আৰু অদূৰ ভবিষ্যতে এটা সময়ত ই এখন চহৰ হবগৈ পাৰে। বিভিন্ন ঠাইৰ পৰা ভি-আই-পি বিলাক ইয়ালৈ আহিয়েই থাকে। মই বিধায়ক হোৱাৰ তিনি মাহৰ পিচতেই এজন বন্ধু প্ৰবক্তাৰ ওচৰলৈ যাওঁতে তেখেতৰ গৃহিণীয়ে অৰ্থাৎ হোম মিনিষ্টাৰে তিনি মাহৰ ভিতৰতে হাউচ কানেকশ্বন হোৱাৰ কাৰণে সন্তোষ প্ৰকাশ কৰিছিল যদিও আচলতে মোৰ হাঁহিহে উঠিছিল ইমান সৰু কথা এটা তেনেদৰে কোৱাৰ কাৰণে। টাউন কমিটি আৰু পি-এইচ ইৰ কার্য্যকাৰী অভিযন্তাৰ লগত আলোচনাও কৰা হৈছিল। এতিয়া বিভাগৰ পাইপেৰে পানী নোলায়। টকা পইচা নাই কাৰণে বিভাগে একো কৰিব পৰা নাই। চেনিটেশ্বনৰ ক্ষেত্ৰতো বিভিন্ন সৰু সৰু চহৰত থকাৰ দৰে ইউৰিনেল আৰু চেনিটেশ্বনৰ কাৰণে টইলেট আদি প্লানড্ কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ মই কব বিচাৰিছো যে মোৰ সমষ্টিৰ কালিপলা নামৰ যিটো পানী যোগান আঁচনি আছে সেইটো বৰ্ত্তমান বন্ধ হৈ আছে। টিউবওৱেল আদিও নহয় বুলি চাৰ্ভে কৰি আনিছে। এতিয়া ফাগুন চ'ত মাহত পানী নোহোৱা হৈছে। বিভাগীয় ইঞ্জিনীয়াৰৰ লগতো আলোচনা কৰিছিলো। ডিপ টিউবওৱেল বহুৱাৰ কাৰণে অন্ধ্ৰ প্ৰদেশৰ পৰা মেচিন আনিব লাগে। ইয়াৰ উপৰিও অসমৰ পাহাৰীয়া অঞ্চলৰ জনজাতি ভাই সকলৰ কাৰণে অসম চৰকাৰে পানী যোগানৰ ক্ষেত্ৰত কোনো ব্যৱস্থা আৰোপ কৰা নাই। এই সকলো ব্যৱস্থা লোৱাৰ কাৰণে উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে সংশ্লিষ্ট মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ইয়াৰ উপৰিও ফাষ্টম চেণ্টাৰ আৰু পুলিচ আউট পোষ্ট থকা ঠাইতো পানী খাবলৈ নাই বুলি মোৰ জনৈক বন্ধু মুচাহাৰীয়ে জানিবলৈ দিছে। আমাৰ অবিভক্ত কামৰূপ জিলাৰ মানুহ খিনিয়ে ঘাইকৈ পুখুৰীৰ পানী খায়েই জীৱন নিৰ্বাহ কৰি আহিছে। ইয়াৰ কাৰণে মেলেৰীয়া, পেটৰ অসুখ আদি দুৰাৰোগ্য ৰোগত ভুগি আহিছে। অসমৰ পানীত আইৰণ থকা কাৰণেই অসমৰ মানুহৰ স্বাস্থ্য পাতি ভাল নহয় বুলি সকলোৱে জানে। বিশেষকৈ দৰং জিলাৰ মানুহৰ স্বাস্থ্য পাতি আন জিলাৰ তুলনাত অতি বেয়া। নগাওঁ শিৱসাগৰ বা ধুবুৰী কোকৰাঝাৰ জিলাৰ লগত তুলনা কৰিব নোৱাৰি। আনহাতে লক্ষীমপুৰত ৰড়ো, মিচিং, সোনোৱাল যি সকল আছে সেই ঠাই বিলাকতো ঠায়ে ঠায়ে

ডিপ টিউবৱেল এচ-চি এলেকা চাই ক'ৰবাত বহাইছে যদিও তথাপিও অঞ্চলটো অৱহেলিত হৈয়েই আছে। মোৰ সমষ্টিৰ ৰাধাপাৰা নালাপাৰা আদি অঞ্চল বি-এ চি এলেকাত পৰিছে। অথচ পাহাৰৰ পৰা দহ কিলো-মিটাৰ অটোন'মাচ কাউন্সিলতো পৰা নাই আৰু অসম চৰকাৰেও তাত কাম কৰা নাই। ইয়াৰ ফলত সেই মানুহখিনিৰ হাহাকাৰ অৱস্থা হৈছে। আন্তৰ্জাতিক সীমাৰ এই অঞ্চলত হাতীৰ উপদ্রব বেছি। সিদিনা কেন্দ্রীয় স্বাস্থ্য মন্ত্রী শ্রীঘাটোৱাৰ চাহাবৰ লগতো এই বিলাক কথা আলোচনা কৰিছো। ডিমা-কুছি ভেৰগাওঁ আদি ঠাইত তিনি চাৰি কিলোমিটাৰ দূৰৰ পৰা মটৰ চাইকেলৰ দ্বাৰা পানী আৱেলি তিনি বজাৰ পৰা কঢ়িয়াব লগীয়া হৈছে। আচলতে পি-এইচ-ই আৰু ইলেকট্রিচিটি বিভাগৰ সহযোগিতা নাই। সেই কাৰণে ২৪২৪ লাখ টকাৰ পৰা কৰ্ত্তন কৰিব লাগে। আকৌ বি এ-চিত নপৰা এই দহ কিলোমিটাৰ বড়োলেণ্ড অটোন'মাচ কাউন্সিলত সোমোৱাৰ কাৰণে দিল্লীৰ আলোচনাত কেন্দ্রীয় চৰকাৰ, বড়োলেণ্ড কাউন্সিলৰ সভাপতি প্রেম সিং ব্রহ্ম আৰু অসম চৰকাৰৰ মাজত আলোচনা হৈছিল, সেইমতে প্রতিশ্রুতিও আছিল যদিও আজি পর্যান্ত সেইটো হৈ নুঠা কাৰণে এই দহ কিলোমিটাৰত বসবাস কৰা লোকখিনিৰ কাৰণে নিতান্ত অসুবিধা হৈছে আৰু কাৰো পৰাই সুবিধা আদি পাব পৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, বড়ো অটোন'মাচ পোৱাৰ পিচত অসমৰ মেপৰ বাহিৰত আমি যোৱা নাই। বড়ো লেণ্ড চুক্তি কৰাৰ কাৰণে আমি মাননীয় মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। ১০ কিলোমিটাৰ অন্তর্ভুক্ত কৰা অঞ্চলখিনিত পৰিকাৰ পানী যোগানৰ ব্যৱস্থা কৰিব লাগে আৰু গোটেই অসমৰ ৰাইজৰ কাৰণে আৰু স্বাস্থ্য ৰক্ষাৰ কাৰণে পানী যোগান ব্যৱস্থা ৰাখিবলৈ কৈ ধন্যবাদ জনাই আজিৰ এই কৰ্ত্তন প্রস্তাৱটো সমর্থন জনাইছো।

Mr. Dy. Speaker, Now Hon'ble member Shri Dilip Kumar Saikia to move.

★শ্রীদিলীপ কুমাৰ শইকীয়া: মাননীয় অধ্যক্ষ ডাঙৰীয়া, "পানী যোগান আৰু অনাময়"ৰ ক্ষেত্রত অতিৰিক্ত ২৪২৪·০০ লাখ টকা চৰকাৰে ধার্য্য কৰিছে।

★ Speech not corrected.

বিশুদ্ধ খোৱা পানী সমস্যা সমাধানৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই যি অতিৰিক্ত টকা বিচাৰিছে সেই টকা দিয়াত অসুবিধা নাই। কিন্তু প্ৰকৃতাৰ্থত জন-সাধাৰণে বিশুদ্ধ খোৱা পানী পাইছে নে নাই ? বিভাগটোৱে কি কাম কৰিছে চাৰ্ভে কৰিলে সকলো ওলাই পৰিব। সেইকাৰণে শ্বেত পত্ৰ প্ৰকাশ কৰিবৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। বিশেষকৈ আমাৰ বিধায়কৰ আৱাস গৃহ যোগান ধৰা পানীত কেতিয়াবা কেচু ওলায়। সেই পানী খাবলগীয়া হয়। সেইকাৰণে শ্বেত পত্ৰ এখন প্ৰকাশ কৰা দৰকাৰ হৈছে। যিবিলাক স্কীম বন্ধ হৈ আছে সেইবিলাক পুনৰ আৰম্ভ কৰিব লাগে। বানপানী এলেকাত আৰু কিছুমান অঞ্চলত পানীৰ কাৰণে মানুহ বিলাকে বহুতো যাতনা ভুগিবলগীয়া হয়। পানীৰ কাৰণে ঠায়ে ঠায়ে গাত খান্দি লয়। সেই গাতবিলাকত ভেকুলীয়ে পেচাব কৰে, কুকুৰেও কেতিয়াবা পেচাব কৰে। সেই পানীকে জনসাধাৰণে খায়।

মাননীয় উপাধ্যক্ষ মহোদয়, উজনী অসমৰ কেইবাখনো বাগানত প্ৰায় ৫০০ মানুহ পানীৰ অভাৱত মৃত্যু মুখত পৰিব লগীয়া হৈছিল। অসমৰ সীমামুৰীয়া ৰাজ্য, অসম-মিজোৰাম, অসম-নাগালেণ্ড, অসম-অৰুণাচল, আৰু অসম মণিপুৰ এই সীমান্ত অঞ্চল বিলাকত সুন্দৰ খোৱা পানীৰ ব্যৱস্থা আছে। অসমৰ মানুহে অৰুণাচলৰ প্ৰতি আকৰ্ষিত হৈছে। অসমৰ ১০ হেজাৰ মানুহ উত্তৰ লক্ষীমপুৰ আৰু জুনাইৰ পৰা গৈ অৰুণাচলত ভোট দিছে। অসমৰ বাহিৰে সকলো ৰাজ্যতে খোৱা পানীৰ সুন্দৰ ব্যৱস্থা আছে। তাৰ বাহিৰেও পানীৰ পাইপ বনাবৰ কাৰণে বিভাগে যেতিয়া ঠিকাদাৰক দিয়ে সেইবিলাকো নিম্নমানৰ হয়। পানীৰ পাইপবোৰ ঠিকাদাৰক যেতিয়া বহুৱাবলৈ দিয়ে তেতিয়া পাইপবোৰ এনেকুৱাকৈ বহুৱায় গৰুৰ গছকতে ভাঙি যায়। পাইপ বহুৱাবৰ কাৰণে য'ত আইৰণ বদ দিব লাগে তাত বাঁহৰ খুটা দিয়া হয়। ফলত সেইবোৰ ভাঙি যায়। খোৱা পানীৰ সমস্যাটো অসমৰ কাৰণে এটা জ্বলন্ত সমস্যা হৈ দেখা দিছে। আমাৰ জনজাতি অঞ্চল বিলাকৰ মানুহ বিলাক খুউব হোজা কাৰণে প্ৰতিবাদ কৰিবলৈ সুবিধা নাপায়। অফিচবিলাকলৈ গলে যি ধৰণে কাম আদায় কৰিব লাগে সেইধৰণে কৰিবলৈ সুবিধা নাপায়। বিভিন্ন সময়ত অফিচত গলে মানুহ নাই বুলি এই শব্দটো প্ৰচলিত হৈছে।

পিন্ট পইন্টৰ কাৰণে চার্ভে কৰিলে সকলো গম পাব। ৰিলেটেণ্ড ইঞ্জিনিয়াৰ সকলৰ লগত আলোচনা কৰিব লাগে। সেই সকলক নিৰ্দ্দেশ দিব লাগে। তেতিয়াহে কাম কৰাত সুবিধা হয়। মই আগতেই কৈছো যে অসম বিধান সভা বিধায়কৰ আৱাসগৃহত যোগান ধৰা পানী কেৱল আইৰণেই নহয় কেচুও ওলায়। ঠিক এনেদৰে গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইত যোগান ধৰা পানীতো সেই একে অৱস্থা হৈছে। কেতিয়াবা সাপো ওলাব পাৰে। কাৰণ পানীৰ মানদণ্ড খুউৰ এটা ভাল নহয়। এবাৰ এজন অভিযন্তাক অফিচত কি কাম কৰে বুলি সোধাত তেখেতে কৈছিল যে অফিচত চকীদাৰী কামহে কৰি আছো বুলি কলে। আৰু অন্যবিলাক কৰ্ম্মচাৰীয়ে ৩ পতি খেলি থাকে। কিবা কিবি আলোচনা কৰি থাকে। কেৱল খেলি থাকে। অফিচত এইবিলাককে কৰি থাকে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি আপুনি যদি বিভিন্ন জিলাৰ অফিচ বিলাকত যাই তাত এটা কথাই বিশেষ ভাবে লক্ষ্য কৰিব যে যিকোনো কামত গলে কৰ পইচা নাই, আনকি কলম কিনিবলৈ পইচা নাই, চিয়াহী কিনিবলৈ পইচা নাই, আলপিন কিনিবলৈ পইচা নাই, কেবল নাই, নাই। গতিকে মই বিভাগীয় মন্ত্রী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো এই নাই নাই কথাষাৰ যাতে বাদ দি কিবা এটা পজিটিভ কাম কৰিব লাগে। উপাধ্যক্ষ মহোদয়, আমাৰ চিলাপথাৰ, ধেমাজি আৰু দৰং জিলাৰ কোনোবা কোনোবা ঠাইত, মঙ্গলদৈত ইত্যাদি অঞ্চলত পানীৰ এচিডিটি ইমান বেচি হৈছে যে বেচিভাগ মানুহে পেটৰ অসুখত ভুগিব লগীয়া হৈছে। আনকি আমাৰ সেই অঞ্চলৰে এজন এক্সিকিউটিভ ইঞ্জিনিয়াৰৰ মূৱৰ চুলি আটাইখিনি সৰি পৰিল। আজি যি সময়ত আমাৰ ভাৰতবৰ্ষৰ মহিলাই মিচ ইউনিভাৰ্চ আৰু মিচ ওৱৰ্লড প্ৰতিযোগীতাত বিজয়ী হৈছে তেনে সময়ত যদি আমাৰ অসমৰ ল'ৰা-ছোৱালী বিলাকৰ পানী দোষিত হোৱাৰ কাৰণে চুলি সৰি যায় তেতিয়া হলে অসমৰ ছোৱালীয়ে কেনেকৈ বিউটি কনটেষ্টত জইন কৰিব ইতিমধ্যে বিভিন্ন প্ৰতিযোগীতাৰ ঢল নামিছে। অৱশ্যে আমাৰ বিত্ত মন্ত্রীয়ে এনেবিলাক বিষয়ত বেচ উৎসাহ যোগাই থাকে তেখেতকো জনাইছো আমাৰ ৰাজ্যৰ জনসাধাৰণে যাতে পানী দোষিত হোৱাৰ কাৰণে পেটৰ বেমাৰত আৰু চুলি সৰা ইত্যাদি বেমাৰত ভুগিব লগীয়া নহয় তাৰ বাবে ট্রিটমেণ্টৰ ব্যৱস্থা কৰিবলৈ

যাতে চৰকাৰে তৎকালেই ব্যৱস্থা কৰে তাৰ কাৰণে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। গতিকে এই যি টকাতো খৰচ কৰিবৰ কাৰণে বিচাৰিছে সেইটো যাতে যথাযথ ভাবে খৰচ কৰি প্ৰকৃতাৰ্থত ৰাইজৰ কামত অহাকৈ ব্যৱহাৰ কৰিব পাৰে তাৰ কাৰণে যত্ন লবলৈ অনুৰোধ জনালো। টকা-পইচা বিলাক যাতে প্ৰপাৰলি মেইনটেইন হব লাগে। আপোনালোকে চাব কেজৰ ৰিপোৰ্টত ৫৩·২৬ লাখ টকাৰ কথা ওলাইছে। সদৌ শেষত মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে যিখিনি পইচা এই সম্পৰ্কত খৰচ কৰিবলৈ বিচাৰি সদনত উত্থাপিত কৰিছে সেই টকা খিনি যাতে যথা-যথ হিচাবে খৰচ কৰি ৰাইজৰ কামত অহাকৈ ব্যৱহাৰ কৰে আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিভিন্ন আচঁনিৰ শ্বেত পত্ৰ প্ৰকাশ কৰে আৰু এই যে দোষীত পানী খাই বেমাৰত ভোগা ৰাইজক বেমাৰৰ পৰা মুক্ত কৰে আৰু পইচা খিনি যাতে সত ব্যৱহাৰ হয় তাৰ কাৰণে অনুৰোধ জনাই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনালো।

(শ্ৰীআব্দুল জলিল বাগিবী— সদনত ভাষণ দিবলৈ ঠিয় হয়)

মাননীয় উপাধ্যক্ষ : আপোনালোকে পিচত কব, এতিয়া পৰমেশ্বৰ ব্ৰহ্মাই কব।

Shri Parameswar Brahma : Sir, in support of my Cut Motion I want to speak. For P.H.E, a supplimentary demand of Rs. 2424.00 lakhs has been earmarked. Now, before considering granting this demand, I have to say something. Sir, all members have spoken and expressed serious concern. Actually, the geographical and climate of Assam is such that in Assam pure drinking water is very scarce and the water composition is not good for health. That is why, we need pure drinking water. With the facility of water treatment, the P.H.E has undertaken Pipe Water Scheme to Provide Pump drinking water. We have a number of such schemes but the benefit derived is not satisfactory at all. Many of these schemes are mostly unoperational. We

talked to the department concerned and we are told that due to paucity of fund they cannot maintain and expand the scheme although the scheme is meant for providing drinking water for the people. It has got vicious reaction because of poverty and ignorance. People cannot afford ring well for their own and that is why the people are suffering from various water borne diseases like diarrhoea, cholera etc. These are common diseases for Assam people and it is only because of non-availability of pure drinking water. It is very bad and the condition of Public Health Engineering Department has been deplorably reflected. I, therefore, request the Minister concerned to look into it because it will reflect badly the picture of Govt. and the picture in tribal areas move deplorable sir, during BODO-LAND agitation period because of non-maintenance and because of deliberate negligence by the Public Health Engineering Department, all such schemes were not given any attention and as mentioned by earlier Members. Duing this period bills, vouchers were drawn in the name of schemes were destroyed by miscreants and this was the condition and the money given to cover these aress were paid to the contractors in connivance with the departmental officials. It is very bad and it has to be stopped. I, being a member of the affected region, I personally know the condition. So we discussed with the Government also and after that from Govt. side asked for submitting list of Pipe Water Scheme.

This has been submitted but till today no initiative has

been taken to restore the damaged schemes so that people are not made to suffers any more. I therefore, as a representative from the Bodoland Autonomous Council appeal to the Govt. so that generous fund is allotted to the B.A.C. authorities as they have privileges to look into this because of the proximity of their regions and areas. This is my request. If sufficient fund is given to BAC authorities they will be able to deliver better services to meet this crisis. In my own village the pipe-water scheme was started in the year 1989 before. I became MLA. After I became MLA I spoke also to the Executive Engineer, Kokrajhar and even sometimes with the Minister but the scheme is still not completed. I fear Sir, it will never be completed. This is the condition. This is a serious matter and it seriously concerns to living condition of the State as a whole. This is not only a matter for only the Kokrajhar region, BAC area, but this concerns to all-- the south, north, west and east of the state and I am interested in the development and welfare of all over the State. Sir, the people of Assam are relatively poorer who cannot afford to setting up of ring-well and other such pipe-water schemes all by themselves. So there should be a sincere effort on the part of the Govt. for providing driniking-water facilities as an essential. We cannot live alone by food. Water is essential and as I have mentioned supply of drinking warter require more attention. With this few words I request the Hon'ble Minister PHE to seriously take up this matter to see that what schemes are available in the BAC region, the damaged pipe-water

schemes, their restoration and to look after this aspect so that generous funds are handed over to the hands of BAC to enable them to maintain and take initiative for restoration of this damaged schemes and let the image of the Govt. be brighter. If we cannot provide other essential commodities for the sustenance of the human kind we can at least provide drinking water facilities. It will make the people feel that the Govt. cares for them and it is keenly interested to do its best in this regard. We cannot think of surving without water. I hope that the Minister PHE will assure the House of the action to be taken in this regard for improving the drinking water facility and then only I will think of withdrawing my cut-motion. Thank you Sir,

Mr. Dy. Speaker : Now Hon'ble member Sri Hitendra Nath Goswami

শ্রীহিতেন্দ্র নাথ গোস্বামী : উপাধ্যক্ষ মহোদয়, মই কাটমোচনৰ সমর্থনত দু-আষাৰ কথা কব বিচাৰিছো । মই তিনি চাৰিটা মান কথা কৈ পাঁচ মিনিটৰ ভিতৰতে শেষ কৰিম, যাতে আন সকলো সদস্যই কবলৈ সুবিধা পায় । মাননীয় বিত্ত মন্ত্রী ডাঙৰীয়াই ১২৩ কোটি ৫১ লাখ ১৫ হেজাৰ টকাৰ পৰিপূৰক মঞ্জুৰী উৎফলন কৰিব । শিক্ষা, পানী যোগান, গড়কাপ্তানী উদ্যোগ, আদি বিভাগ সমূহত এই মঞ্জুৰীৰ ২/৩ অংশ যোগান আদি । খোৱা পানী বিভাগৰ বিষয়ে আলোচনা কৰি কিছু পৰামর্শ দিম বুলি এই বিভাগটো বাচি লৈছো । অদ্ধত প্রায় তিনি হাজাৰ দুশ পাইপ আঁচনি আৰু ১২০,০০ স্পট আচনি আছে । পানী যোগানৰ এই আঁচনি বিলাক মেনটেইন কৰিবলৈ যিমান টকাৰ প্রয়োজন হয় আপুনি ইমান টকা নাপায় । এই আচনি বিলাক মেনটেইন কৰিবলৈ আপোনালোকৰ বিভাগক প্রায় ৩৬ কোটি টকাৰ প্রয়োজন । কিন্তু ইমান টকা পোৱা নাই । তাৰ ঠাইত বর্ত্তমান বাজেটত

২ কোটি টকা পাইছে। আকৌ হয়তো প্লেনৰ টকাৰ পৰা ৫/৬ কোটি টকা Divert কৰি লৈছে। তথাপি ৩৬ কোটিৰ ঠাইত সেইখিনি যথেষ্ট নহয়। তাৰ ফলত অসমৰ সমগ্ৰ ঠাইতেই হয়তো স্বয়ং মুখ্য মন্ত্ৰীৰ সমষ্টিতো এইয়া হৈছে যে তিনি হাজাৰ দুইশ টা পাইপ স্কীম আৰু ১,২০,০০০ টা স্পট স্কীমৰ ৯০% অকামিলা হৈ আছে। পাইপ স্কীমৰ পাইপ বেয়া হৈ আছে, নহয় মটৰ বেয়া হৈ আছে। এনেকৈ প্ৰায় সকলো স্কীম অকামিলা হৈ আছে। মোৰ সমষ্টিত অন্যান্য ক্ষেত্ৰত বেচি সমস্যা নাই। কিন্তু বানপানী আৰু খোৱা পানীৰ সমস্যা অতি গুৰুতৰ। মোৰ সমষ্টিত শিক্ষিত মানুহৰ সংখ্যাৰ হাৰ ৰাজ্যৰ ভিতৰতে অধিক। মোৰ হাতত যিখিনি তথ্য আছে সেই মতে সমষ্টিত ২১ খন পাইপ আঁচনিৰ ভিতৰত মাত্ৰ ৩ খন আঁচনিৰ বাদে বাকী ১৮ খন আঁচনিৰেই কাম কৰিব পৰা নাই। বিধায়ক হৈ আজি ৪ বছৰেও এই আচনি সমূহৰ এখনো সম্পূৰ্ণ কৰিব নোৱাৰিলে। ধনৰ অভাৱ। গণ-পৰিষদ চৰকাৰৰ সময়ত প্ৰতি সমষ্টিত ২০০ টা স্পট আচনি আৰু ৫ টা পাইপ স্কীম দিছিল কিন্তু আপোনালোকৰ বিভাগৰ পৰা এই চৰকাৰৰ দিনত এটাও নতুন পাইপ আঁচনি দিয়া নাই। শৰৎ বৰকটকী ডাঙৰীয়া যোৰহাট প্লেনিঙৰ সভাপতি। আজি ৪ বছৰে যোৰহাট জিলাত এটাও অসম্পূৰ্ণ স্কীম সম্পূৰ্ণ নহল, কেৱল টকাৰ অভাৱত। এতিয়া কেন্দ্ৰীয় চৰকাৰে ৰুৰেল ডেভেলপ-মেণ্ট বিভাগক যথেষ্ট পইচা দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত পৰিপুৰক দাবী আনিছে। এম, এন, পিৰ অধীনত পানী যোগানৰ ক্ষেত্ৰত চেণ্টাৰৰ পৰা ১৪ কোটি ৰাজ্য চৰকাৰে অনুদান পাইছিল। ৰাজ্য চৰকাৰৰ এই শিতানত বাজেটত ধাৰ্য্য আছিল মুঠ ৩৮ কোটি ৪৬ লাখ টকা ১৯৯৪-৯৫ বৰ্ষত ৰাজ্য চৰকাৰে নিজা পইচা এই শিতানত দিব নোৱাৰিলে, সেয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা আগৰ ১৪ কোটি ২২ লাখৰ উপৰি পুনৰ ২৪ কোটি ২৪ লাখ টকাৰ সাহায্য অনুদান হিচাবে পোৱাৰ বাবে চেষ্টা চলাইছে। এই টকা পোৱা সম্ভৱ হ'লে যাতে খৰচ কৰিবৰ বাবে সুবিধা হয় তাৰ বাবে পানী যোগান বিভাগৰ বাবে মুঠ ২৪ কোটি ২৪ লাখ টকাৰ পৰিপূৰক মঞ্জুৰী দাবী উত্থাপন মন্ত্ৰী ডাঙৰীয়াই কৰিছে।

উপাধ্যক্ষ মহোদয়, পানী যোগানৰ বাবে বাজেট কৰা ধনৰ ৫০ শতাংশ

যদি আমাৰ ষ্টেটে দিয়ে আৰু ৫০ শতাংশ যদি চেণ্ট্রেল এচিচটেঞ্চ পায় সেইটো ভাল কথা। যোৱা জানুৱাৰী মাহত চেণ্ট্রেলৰ পৰা কৰেল ডেভেলপ চেক্রেটৰী আহি এটা সম্পৰ্কত এখন মিটিং পাতিছিল আৰু কৈছিল যে পানী যোগানৰ দিশত আপোনালোকে কেন্দ্ৰৰ ওচৰত ন্যায্য দাবী উত্থাপন কৰিব পৰা নাই। আজি তেওঁলোকৰ অফিচাৰ আহি আমাক কব লগা হৈছে। পইচা পাতিব ক্ষেত্ৰত আমি কেন্দ্ৰক হেচাঁ দিব পাৰিব লাগে। কিন্তু হেচাঁ দিব পৰা নাই। আজি আমি চাপ্লিমেণ্টৰী দিমাও অহাৰ বাবেহে সাৰ পাইছো। যোৱা ৩ টা বছৰত আপোনালোকে চেণ্ট্রেল এচিচটেন্স আনিব পৰা নাই। গতিকে অসমৰ বিভিন্ন আঁচনি বিলাক আপোনালোকে মেৰামতি কৰিব পৰা নাই। অকামিলা হৈ গৈছে। আজি মোৰ নিজৰ সমষ্টিতে অ গ প চৰকাৰে ১৬ লাখ টকাৰ কেইবাটাও পাইপ স্কীম কবি থৈ গৈছে। কিন্তু ৰাইজেও ১০/২০ টকা তুলি আৱশ্যকীয় মেৰামতি কৰিব নোৱাৰে। মই ৰাইজক কৈছো এখন উন্নয়নশীল দেশত সকলো বস্তু বিনামূলীয়াকৈ পোৱা কথাটো চিন্তা কৰিব নালাগে। আঁচনি বিলাক পৰিচালনা কৰাৰ বাবে ৰাইজৰো মনোযোগ নাই। ২/৩ হেজাৰ টকাৰ অভাৱত কেইবাটাও পাইপ স্কীম অকামিলা হৈছে, ৰাইজে নিজে নকৰে এতিয়া অসমত আৰু এটা আঁচনি লৈছে সেইটো হৈছে আগতে গ্ৰাম্যাঞ্চলত পানী যোগান পাইপেৰে ৰাস্তাৰ কাষত ধৰা হৈছিল আৰু এতিয়া পাইপ ঘৰৰ ভিতৰলৈ নি গ্ৰাম্যাঞ্চলত গৃহ সংযোগৰ আচনি লোৱা হৈছে। এইটো আচনিৰ কথা আনুষ্ঠানিক ভাবে আগেও প্ৰথমবাৰৰ ব'বে ১৯৯৩ চনৰ ৬ আগষ্ট তাৰিখতে ঘোষণা কৰা হৈছিল। চৰকাৰে আমাৰ ভিতৰত কেৱল মোৰ সমষ্টিৰ ৫ ঠাইত এম্পেৰিমেণ্টেল বেচিচত পাইপ স্কীমৰ দ্বাৰা গাঁৱঁৰ মানুহে ঘৰতে পাইপৰ পানী পোৱাৰ বাবে ব্যৱস্থা কৰিছে। আমাৰ ৰাইজে মিটিং পাতি চুপাৰিনটেনদেণ্ট ইঞ্জিনিয়াৰক পানী যোগানৰ এনে আচনি ৰূপায়ণৰ বাবে তদাৰক কমিটি বাচি দিছে। কিন্তু চৰকাৰৰ পৰা এই আচনি ৰূপায়ণৰ তদাৰক কমিটি তাৰা পাম্পৰ অৰ্হিত হব লাগে বেলেগৰ অসুবিধা হৈছে। উক্ত আৰ্হিত কমিটিত থাকে গাওঁবুঢ়া এজন, এগৰাকী নার্চ। প্ৰাইমেৰী স্কুলৰ শিক্ষক আৰু অঙ্গনবাদী মহিলা এগৰাকী। কিন্তু যিবিলাক চেমি আৰৱান এৰিয়া গ্ৰাম্য পানীযোগান আচনিয়ে সামৰিছে আৰু য'ত

তদাৰক কমিটি এনে অৰ্হিত গঠন হৈছে বাইজে সহাঁৰি জনোৱা নাই। তদাৰক কমিটি সমূহ উপযুক্ত লোকৰে গঠন কৰাত বাধা থাকিব নালাগে। কাৰণ এনে ধৰণৰ কমিটি বিলাকত য'ত উপযুক্ত লোক নাথাকে বাইজে সহযোগ কৰিব নিবিচাৰে। সেইকাৰণে আঁচনি বিলাক লওতে ইমপ্লিমেণ্ট কৰাৰ কাৰণে বিধায়ক সকলৰ লগত আলোচনা কৰিব লাগে। কেৱল চৰকাৰী নিৰ্দেশেই সকলো নহয়। চৰকাৰী আঁচনি সমূহ তদাৰকৰ বাবে বাইজক জড়িত কৰা প্ৰয়োজন। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে আপোনালোকে যিখিনি টকা বিচাৰিছে সেই টকা খৰচ কৰি অকামিলা হৈ থকা আঁচনি বিলাক কৰ্মক্ষম কৰিব লাগে। মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো এক্সপেৰিমেণ্টেল বেচিচত এটা সমষ্টিত একোখন পঞ্চায়তত বিশুদ্ধ খোৱা পানীৰ যোগানৰ আঁচনি লওক। নহলে ২ হেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য যিটো কথা কোৱা হৈছে সেইটো হৈ নুঠিব। অ'ত ত'ত সিচি আচনিৰ দ্বাৰা খোৱা পানী যোগান সম্ভৱ নহয় পানী বিশেষকৈ সকলো জনসাধাৰণে খোৱা পানী পোৱাতো সুনিশ্চিত কৰাৰ আঁচনি লব লাগে। তলৰ অফিচাৰ সকলৰ কাম কাজতো দুখ পাইছো। এন জ'ন আখ্যা য'ত খোৱা পানীৰ কোনো ব্যৱস্থা নাই তাত এইবাৰ ৩০ টা পাম্প স্কীম দিছে। যোৰহাটত ইঞ্জিনিয়াৰে কৈছে যে ২০ টা মাৰ্ক ২ আৰু তাৰা পাম্প ১০ টা দিয়া হব। গতিকে ৩১ মাৰ্চৰ আগতে পিন পইণ্ট দেখুৱাই দিয়ক। সেইমতে আমি ঠাই সমূহ বাচি দিছো, কিন্তু এতিয়া এডিশ্যনেল চিফ ইঞ্জিনিয়াৰে কৈছে যে টেকনিকেল চেংচন দিয়া নাই বাবে টিউবেল সমূহ বহুৱাব নোৱাৰি। চিফ আৰু এডিশ্যনেল চিফ ইঞ্জিনিয়াৰৰ মাজত কি কাজিয়া আছে নেজানো। চিফ ইঞ্জিনিয়াৰে কৈছে টেকনিকেল চেংচনত আৱশ্যক নাই। তেনে টিউবেল বহুৱাত পলম কৰাৰ বাবে এডিচনেল চিফ ইঞ্জিনিয়াৰে যোৰহাটলৈ এই নিৰ্দেশ কিয় দিছে? এনে নিৰ্দেশ শীঘ্ৰে উঠাই লব লাগে। বৰ্ত্তমান চৰকাৰৰ দিনত ১৯৯১-৯২ চনতে ১২ টা হেণ্ড টিউবওৱেল, ১৯৯২-৯৩ চনত ৬ টা হেণ্ড টিউবওৱেল আৰু ১৯৯৩-৯৪ চনত ২ টা হেণ্ড টিউব-ওৱেল মুঠ ৩ বছৰত ২০ টা হেণ্ড টিউবওৱেল দিছে। এনে পৰিস্থিতিত কাম

কোনো জনসাধাৰণক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিব পাৰিব লাগিব। মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যে, এই শেষৰ বছৰটোত অন্ততঃ আপোনালোকে প্রতিজন বিধায়ককে আস্থাত লৈ একোখন পঞ্চায়তত এক্স-পেৰিমেণ্টেল ৰেচিচত হলেও সম্পূর্ণ ভাবে বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ চেষ্টা কৰক। নহলে খোৱাপানীৰ দপ্তৰ থকাৰ কোনো মূল্য নাই। মাননীয় সদস্য যতীন মালী ডাঙৰীয়াই কৈছে যে বহুতো খোৱা পানী পাইপ যোগান আচনিত আজি ২ বছৰে ইলেকট্রিচিটিৰ কানেকচন দিব নোৱাৰা কাৰণে এনেয়ে নষ্ট হৈ গৈছে। গতিকে এ, এচ, ই, বি আৰু পি, এইচ, ই মন্ত্রীৰ মাজত কো- অর্ডিনেচন থাকিব লাগে যাতে এনে নহয়। আজি দিজেল পাম্প দিছে কিন্তু বিভাগে দিজেল কিনাৰ বাবে পইচা দিয়া নাই। ফলত এই আঁচনি সমূহো অকামিলা হৈ আছে। গতিকে এ, এচ, ই, বি, মন্ত্রী আৰু পি, এইচ, ই মন্ত্রীয়ে সমিল মিল ভাবে যাতে ৰাইজৰ সেৱা কৰিব পাৰে তাৰ বাবে এটা গঠনমূলক দৃষ্টি ভঙ্গী লৈ কাম কৰিবলৈ অনুৰোধ কৰিলো যাতে হৈ থকা আঁচনি সমূহে সুফল দিব পাৰে। এই বছৰ কেন্দ্রীয় চৰকাৰৰ পৰা টকা পোৱাৰ পিচত যাতে অহা বছৰ আৰু টকা আনিব পাৰে তাৰ বাবে মন্ত্রী ডাঙৰীয়াই এতিয়াই চিন্তা কৰিব লাগে। বিশুদ্ধ খোৱা পানীৰ অভাৱৰ বাবে আজি গেষ্ট এনট্রাইটিচ বেমাৰ বেছি হৈছে। বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিব নোৱাৰিলে এই বেমাৰ দূৰ নহব। বাগান বিলাকত আমি মেনেজমেণ্টক হেচাঁ দিব পাৰো কিন্তু গাওঁ বিলাকতে এই বেমাৰ দূৰ কৰাৰ বাবে বিভাগে খোৱা পানী দিব লাগিব। বিভাগীয় অফিচাৰ সকলৰ মাজতো কিছু খেলিমেলি হৈছে এইটো দূৰ কৰিব লাগে। সকলো বিলাক পাৰ্টিৰ মানুহ লৈ এটা কমিটি কৰি খোৱা পানী যোগানৰ দিশত জনসাধাৰণকে অংশীদাৰ কৰাৰ চেষ্টা কৰিব লাগে। কেৱল চৰকাৰী প্রচেষ্টাত সকলো সম্ভৱ এই চিন্তা চৰকাৰে বাদ দিব লাগে। আজি এই শিতানত যি কাট মোচন উত্থাপন হৈছে সেইটো সমর্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Dy. Speaker: Now I request Hon'ble member Sri Abdul Zalil Ragibi to speak.

শ্রীআব্দুল জলিল ৰাগিবী: মাননীয় উপাধ্যক্ষ মহোদয়, জনস্বাস্থ্য

কাৰিকৰী বিভাগৰ ফালৰ পৰা আজি এই সদনত যি অৰ্থ মঞ্জুৰী বিচৰা হৈছে, ইয়াৰ ওপৰত কৰ্ত্তন প্ৰস্তাব অনা হৈছে। মাননীয় বিৰোধী দলৰ কেইজনমান বিধায়কৰ ফালৰ পৰা। আৰু এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি তেখেত সকলৰ ফালৰ পৰা কিছু বক্তব্যও ডাঙি ধৰা হৈছে— মই শুনি ভাল পাইছো যে বিৰোধী পক্ষৰ কেইবাজনো মাননীয় সদস্যই আজি গঠন মূলক পৰামৰ্শ সমালোচনা আগবঢ়াইছে। এনেকৈ হৈ থাকিলে মই ভাবো বিৰোধী পক্ষই তেখেত সকলৰ দায়িত্ব সঠিক ভাবে পালন কৰিছে। উপাধ্যক্ষ মহোদয়, তেখেত সকলে যি কেইটা অভিযোগ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাম-কাজৰ ওপৰত উত্থাপন কৰিছে, এই সম্পৰ্কত মোৰ হাতত কিছু তথ্যপাতি আছে আৰু মই নিজেও কিছু কথা জানো— সেই সম্পৰ্কতে মই কিছু কথা কব খুজিছো। এটা কথা মই সকলোকে জনাব খোজো যে অসমত গাৱঁৰ সংখ্যা ১৯৭১ চনৰ পিয়ল মতে আছিল ২১৭০৫ খন। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ফালৰ পৰা এই ২১৭০৫ খন গাৱঁলৈ পানী যোগান ধৰাৰ ব্যৱস্থা হাতত লৈছে। আৰু মই যিমান খিনি তথ্যপাতি সংগ্ৰহ কৰিছো ইয়াৰ পৰা জনা গৈছে যে মাত্ৰ ৪ খন গাওঁ বাদে বাকী সকলো-লৈকে পানী যোগান ধৰাৰ ব্যৱস্থা হাতত লৈছে। পানী যোগান দিয়া হৈছে। অৱশ্যে কিছুমান চুবুৰীত পানী যোগান ধৰিবলৈ বাকী আছে। এই চুবুৰীৰ সংখ্যা হৈছে ১৭৪৯৩ টা। এই চুবুৰীবোৰতো পানী যোগানৰ ব্যৱস্থা বিভাগৰ ফালৰ পৰা হাতত লোৱা হৈছে আৰু বৰ্তমানৰ চলিত বছৰত সকলোখিনি গাওঁ তথা চুবুৰীলৈ পানী যোগানৰ ব্যৱস্থা কাৰ্য্যকৰী কৰা হব বুলি মোৰ বিশ্বাস। মই ভাবো জনস্বাস্থ্য কাৰিকৰী বিভাগে ইয়াক এক প্ৰত্যাহ্বান হিচাবে লৈ জনসাধাৰণক বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থাটো সম্পূৰ্ণ কৰি তুলিব এই বছৰত। জনসাধাৰণক বিশুদ্ধ খোৱাপানী যোগান ধৰাটো চৰকাৰৰ তথা বিভাগৰ এক মৌলিক দায়িত্ব। আহাৰৰ পিচতে খোৱাপানী যোগানৰ দায়িত্ব চৰকাৰৰ মৌলিক দায়িত্ব। আজি এই সদনত কেইবাজনো মাননীয় সদস্যই এই বিভাগৰ বিভিন্ন অঁচনিৰ ক্ষেত্ৰত সুনিৰ্দিষ্ট কেইটামান অভিযোগ উত্থাপন কৰিছে, মই আশা কৰিছো বিভাগীয় মন্ত্ৰী মহোদয়ে এই অভিযোগ সমূহ তদন্ত কৰি চাব। আজি অসমত ৩ হেজাৰ পাইপ লাইনৰ

যোগেদি পানী যোগান ধৰা হৈছে, খোৱা পানী। ১ লাখ ২০ হেজাৰটা হেণ্ড টিউবৱেল মার্ক -টু আৰু বহুতো ৰিং ওৱেলৰ জৰিয়তে জনসাধাৰণলৈ খোৱা পানী যোগানৰ ব্যৱস্থা কৰি আহিছে। য'ত পাইপ আচনি বিফল হৈ আছে বিভাগে সোনকালে সেইবোৰ ঠিক কৰাৰ ব্যৱস্থা কৰিব লাগে। এটা কথা মাননীয় বিৰোধী দলৰ বিধায়ক এজনে স্বীকাৰ কৰিছে যে পানী যোগানৰ ক্ষেত্ৰত বিদ্যুত বিভাগৰ সহযোগ একান্ত প্ৰয়োজন। এইটো সঁচা কথা। মই কিন্তু বিদ্যুত বিভাগৰ এই ক্ষেত্ৰত অসুবিধা নাই বুলি কব খোজা নাই, বিদ্যুত বিভাগৰ আন্তৰিকতা থকা স্বত্বেও বিজুলীৰ নাটনিৰ কাৰণে বহুত ক্ষেত্ৰত জনস্বাস্থ্য বিভাগক পানী যোগানৰ কাৰণে যিমান বিজুলীৰ প্ৰয়োজন সিমানখিনি যোগান ধৰিব পৰা নাই। এই ক্ষেত্ৰত আমি বিদ্যুত বিভাগৰ ওপৰতে নিৰ্ভৰ কৰি নেথাকি অন্য পন্থাৰ কথা চিন্তা কৰিব লাগে। এখন আচনি বিদ্যুতৰ কাৰণে বন্ধ হৈ থাকিলে তাক ডিজেলেৰে চলোৱাৰ ব্যৱস্থা কৰিব লাগে। মই জনাত জনস্বাস্থ্য কাৰিকৰী বিভাগে এনে ব্যৱস্থা ইতি-মধ্যেই হাতত লৈছে আৰু ডিজেল দি পাম্প চলাই পানীও দিছে কিছু কিছু ঠাইত। আমাৰ কিছুমান আঁচনি ত্ৰুটিপূৰ্ণ হৈ আছে সেইবোৰ সোনকালে মেৰামতি কৰি সফল কৰি তুলিব লাগে বিভাগে। লগতে সুনিৰ্দিষ্ট যিবোৰ অভিযোগ উত্থাপিত হৈছে বিভাগীয় মন্ত্ৰীয়ে এইবোৰৰ অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই কেইটামান ভাল পৰামৰ্শ আগবঢ়াইছে আমি ভাল পাইছো। এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ফালৰ পৰা প্ৰত্যেক ঘৰে ঘৰে পাইপৰ যোগেদি পানী যোগান ধৰাৰ ব্যৱস্থা কৰি আছে। মাননীয় সদস্য শ্ৰীগোস্বামীৰ ফালে কেনেকুৱা হৈছে কব নোৱাৰো আমাৰ ফালে কিন্তু এইটো কৰা হৈছে। আমাৰ তাত পানী যোগানৰ কাৰণে গাঁৱৰ গণ্য-মান্য, মুৰব্বী লোকক লৈ একোখন কমিটি গঠন কৰা হৈছে। মই এটা কথা এই খিনিতে কব খোজো যে অসমৰ দৰে এখন পিচপৰা ৰাজ্যই খোৱাপানী যোগানৰ ক্ষেত্ৰত যিমানখিনি সাফল্য ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে কৰিব লাগিছিল সিমানখিনি কৰিব পৰা নাই কিন্তু আমাৰ চৰকাৰে চেষ্টাৰ ত্ৰুটি কৰা নাই। পাইপ ওৱাটাৰৰ হাউচ কানেকচনৰ কাৰণে বিভাগে এটা নিৰ্দিষ্ট ফিজ ধাৰ্য্য কৰিছে বুলি

মই জানো। শ্রীগোস্বামীয়ে হয়তো এইটো কথা জনা নাই। 'হাউচ কানেক্স-নৰ' কাৰণে এটা ফিজ ধৰা হৈছে। প্ৰায় ৬০০ টকা ধৰা হৈছে আৰু মাহিলী ৬০ টকাকৈ ফিজ ধৰা হৈছে। এই ফিজ খিনি সংগ্ৰহ কৰিবৰ কাৰণে একোখন লোকেল কমিটি কৰা হৈছে। ৰাইজৰ এজন মুখীয়াল মানুহক সভাপতি কৰা হৈছে আৰু কমিটিত ইঞ্জিনিয়াৰজনো থাকে। এই সভাপতি আৰু ইঞ্জিনিয়াৰজনৰ নামত বেংকত যুটিয়া একাউন্ট থাকিব আৰু ৰাইজৰ পৰা সংগ্ৰহ হোৱা টকা খিনি এই একাউন্টত জমা থাকিব আৰু প্ৰয়োজন হলে এই টকাখিনি ৰাইজৰ কামত ব্যৱহাৰ কৰা হ'ব। গতিকে মিচ এপ্রপ্রিয়েচনৰ যিটো আশংকা তেখেতসকলে কৰিছে সেইটো অমূলক।

মাননীয় উপাধ্যক্ষ : আপুনি 'কনক্লুড' কৰক, মিনিষ্টাৰে উত্তৰ দিব লাগিব।

আব্দুল জলিল ৰাগিবী : এইটো যি ব্যৱস্থা হৈছে বৰ ভাল ব্যৱস্থা হৈছে, তেখেত সকলৰ সমষ্টিত কি হৈছে মই কব নোৱাৰো অন্ততঃ মোৰ সমষ্টিত ভাল কাম হৈছে। কমিটি বিলাক গঠন কৰোতেও ৰাইজৰ গণ্য-মান্য ব্যক্তিক লৈ গঠন কৰা হৈছে আৰু এই কমিটিত ৰাইজৰ অৱিহনা আছে। তেখেত সকলে আৰু এটা অভিযোগ ইয়াত উঠিছে যে বানপানীৰ সময়ত বিভাগৰ তৰফৰ পৰা ৰাইজক খোৱাপানী যোগান ধৰা হোৱা নাই। কিন্তু মই যিখিনি জানো বানপানীৰ সময়ত বিভাগৰ তৰযৰ পৰা টিউব-ওৱেল আদিৰ জৰিয়তে মানুহক খোৱাপানী যোগানৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় উপাধ্যক্ষ : আপুনি 'কনক্লুড' কৰক, বেচি সময় নাই, মন্ত্ৰীয়ে উত্তৰ দিব লাগিব।

আব্দুল জলিল ৰাগিবী : উপাধ্যক্ষ মহোদয়, এই বিভাগক যি সমালোচনা কৰা হৈছে বিভাগৰ ওপৰত যিখিনি অভিযোগ আনিছে সেই অভিযোগ সম্পূৰ্ণ সত্য নহয়। আমাৰ চৰকাৰৰ তৰফৰ পৰা বিভাগৰ তৰফৰ পৰা পানী যোগানৰ ক্ষেত্ৰত সামগ্ৰীক ভাৱে যথেষ্টখিনি কৰিছে আৰু মাননীয় দলৰ সদস্য সকলে এই সদনত যি চিত্ৰ দাঙি ধৰিছে যে খোৱা পানীৰ অভাৱত অসমৰ ৰাইজে পিয়াহত চটফটাই আছে, সেই চিত্ৰ সঠিক নহয়। ধন্যবাদ।

Mr. Dy. Speaker : Now Hon'ble Minister for PHE

will reply.

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী, মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, আজি 'ৰোৱেল ওৱাটাৰ চাপ্লাই আৰু চেনিটেচনৰ ওপৰত ভালেকিছুমান আলোচনা মূলক কৰ্ত্তন প্রস্তাৱৰ মাজেদি আমাৰ মাননীয় বিধায়ক সকলে তুলি ধৰিছে। আজি এই কৰ্ত্তন প্রস্তাৱৰ যোগেদি ১৪ জন সন্মানীয় বিধায়কে তেখেত সকলৰ তৰফৰ পৰা বহুখিনি প্রস্তাৱ আগবঢ়াইছে আৰু এইখিনি মই ভাল পাইছো। আজি কৰ্ত্তন প্রস্তাৱৰ যোগেদি যিখিনি গঠনমূলক আলোচনা হ'ল এই আলোচনাক লৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যি দায়িত্ব সেই দায়িত্ব কিমান ভাল কৰিব পৰা যায় আৰু ৰাজ্যখনত বিশুদ্ধ খোৱা পানী যোগানৰ ক্ষেত্রত নিজৰ দায়িত্ব পালনত বিভাগে যথেষ্ট উপকৃত হব বুলি মই ভাবিছো। উপাধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগে আমাৰ ৰাজ্যখনত বিশেষকৈ গাওঁ অঞ্চলত বিশুদ্ধ খোৱা পানী যোগানৰ বাবে সততা আৰু আন্তৰিকতাবে কাম কৰি আহিছে। আজি সমষ্ট অসমত যি খোৱা পানীৰ সমস্যা আছে, মই এইখিনি কব খোজো যে গোটেই বিলাক সমস্যা সমাধান কৰিব নোৱাৰিলেও বেচিখিনিয়েই সম্পূর্ণ কৰা হৈছে। আজি আলোচনাৰ মাজত সন্মানীয় বিধায়ক গোস্বামী ডাঙৰীয়াই কেইটামান অভিযোগ তুলি ধৰিছে। আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ওপৰত যি অভিযোগ আনিছে, এই অভিযোগ পোৱাৰ মূল কাৰণ হ'ল যে আজিলৈকে আমাৰ জনস্বাস্থ্য বিভাগে পাইপ স্কীম, ৰোৱেল ওৱাটাৰ চাপ্লাই, টিউবওৱেল প্রায় ১ লাখ ২০ হাজাৰ কৰা হৈছে আৰু এইখিনি 'মেইনটেনেঞ্চ' কৰাটো অলপ টান হৈ পৰিছে। অধ্যক্ষ মহোদয়, ১৯৭১ চনৰ চেনচাচ মতে ২১ হাজাৰ ৭ শ ১৫ খন সমস্যা বহুল গাওঁ আছিল। আজি তাৰ ভিতৰত ২১ হাজাৰ ৭ শ ১১ খন গাওঁত পানী যোগানৰ কাম সম্পূর্ণ কৰা হৈছে। মাত্র ৪ খন গাৱঁত বিশেষকৈ টংলা ডিভিজনত কৰিব পৰা হোৱা নাই। এইখিনি কৰিবৰ বাবেও বিভাগীয় ব্যৱস্থা গ্রহণ কৰা হৈছে। আমাৰ গোস্বামী ডাঙৰীয়াই কোৱা মতে চেণ্ট্রেল এচিষ্টেঞ্চৰ কাৰণে বিগত তিনি বছৰে টকা আনিবৰ বাবে আমাৰ চৰকাৰে চেষ্টা কৰা নাই। কিন্তু আমাৰ চৰকাৰৰ ফালৰ পৰা কেন্দ্রীয় চৰকাৰৰ বহুতবাৰ প্রস্তাৱ দিয়া হৈছে। কিন্তু কেন্দ্রীয় চৰকাৰৰ

যিটো নীতি সেই নীতি বহির্ভূত কৰি কেন্দ্রীয় চৰকাৰে আমাক সাহায্য দিয়া নাই। কেন্দ্রীয় চৰকাৰৰ হিচাপ মতে যিখিনি কাম কৰিব লাগে সেই খিনি কৰা হৈছে। ইতিমধ্যে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ চার্ভে কৰি ১৮ হাজাৰ ৭ শ ৯৩ খন 'এন' কেটেগৰীৰ সৰু সৰু চুবুৰী হিচাপে চার্ভে কৰিছে। কিন্তু গভর্ণমেণ্ট অৱ ইন্দিয়াৰ চার্ভে মতে ১৩ হাজাৰ ৬ শ ৬৬ খন 'এন' কেটেগৰীত ফিক্স কৰিছে। ১৯৯৭ চনৰ ভিতৰত এই বিলাক সম্পূর্ণ কৰি বিশুদ্ধ পানী যোগান ধৰাৰ ব্যৱস্থা কৰা হব বুলি ঘোষণা কৰা হৈছে। অধ্যক্ষ মহোদয়, আজি অতিৰিক্ত ২৪ কোটি ২৪ লাখ টকা পৰিপূৰক মঞ্জুৰী অনাৰ কাৰণ হ'ল নতুন চার্ভে মতে যি ১৩ হাজাৰ ৬ শ ৬৬ খন সৰু সৰু চুবুৰী ওলাইছে সেইবোৰত পানী যোগানৰ ব্যৱস্থা কৰা। আমাৰ যিমান বিলাক আঁচনি আছে সেইখিনি মেইণ্টেনেন্স কৰাত অসুবিধা আহিছে। আমাৰ বিধায়ক সকলে এই ক্ষেত্রত যিখিনি অভিযোগ বিলাক বিভাগৰ ফালৰ পৰা গুচোৱা হৈছে আৰু যিখিনি বাকী আছে সেই খিনি আঁতৰ কৰা হব। মাজে মাজে এই বিষয়ে অভিযোগ দিয়া হয়। আমি, আমাৰ বিভাগে এইবিলাক সমাধান কৰাৰ কাৰণে চেষ্টা কৰো। কিন্তু বহুখিনি এতিয়াও কৰিব পৰা নাই। আমাৰ বিভিন্ন আঁচনি আছে। অসমত তিনি হাজাৰ পাইপ ওৱাটাৰ চপ্লাই স্কীম আছে। এক লাখ ২০ হাজাৰ Tubewell আছে আৰু সেইবোৰ maintain কৰোতে বছৰত ৩৬ কোটি টকাৰ প্রয়োজন হয়। কিন্তু আমি মেইণ্টেনেন্স হেডৰ নন প্লেনৰ পৰা ২ কোটি ৫০ লাখ টকা আৰু প্লেন বাজেটৰ ১০ শতাংশ ধৰিলেও ৮ কোটি হয়। আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মেইণ্টেনেন্সৰ ৩ খন মেডিকেল কলেজও আছে। ২০০ PHC আৰু Medical Sub-center আছে। কিন্তু এই খিনিত কোনো বাজেট প্রভিজন নাই।

(Hon'ble Speaker entered the House and occupied the Chair.)

শ্রীনগেন শর্মা : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অৱ অর্ডাৰ, মন্ত্রী মহোদয়ে জনাব নেকি এই যে হেলথ চেণ্টাৰ বিলাকত খোৱা পানী যোগান ধৰি আছে এইবিলাক ফিল্টাৰ পানী নে ? আমি সকলোৱে জানো যে

ডমকল আমাৰ যিবিলাক আছে সেইবিলাকৰ পানীত অত্যধিক আইৰণ আছে। সেই আইৰণ নাইকিয়া কৰাৰ কিবা ব্যৱস্থা লৈছেনে ?

শ্রীদীনেশ প্রসাদ গোৱালা (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্রত কোনো প্রভিজন নাই। মেইন্টেনেন্সৰ ক্ষেত্রত ২০ কোটি টকা আছে যদিও আমাৰ বাজেটত কোনো প্রভিজন নাই। আমাৰ মাননীয় বিধায়ক শ্রীমিলন বড়ো ডাঙৰীয়াৰ এলেকাৰ স্কীম বেষ্টোৰ কৰাৰ কথা কৈছে। আমি এতিয়াও বেষ্টোৰ কৰিব পৰা নাই। সেই টকাখিনি ৰেভিনিউ ডিপোজিটত আছে। মাননীয় সদস্য নিজামুদ্দিন খান ডাঙৰীয়াই যোৰহাটত পানী যোগান আঁচনিৰ অভিযোগ আনিছে। তাৰ আঁচনি এতিয়ালৈকে বন্ধ হৈ আছে। আজি দুবছৰ হ'ল ফাইনেন্স বিভাগে তাত ৰাটাৰ চাপ্লাইৰ বাবে কোনো পইচা দিয়া নাই। আমাৰ মাননীয় সদস্য শ্রীমালী ডাঙৰীয়াই মেটেৰিয়েলচৰ নিম্ন মানৰ কথা কৈছে। পি এইচ ইৰ মেটেৰিয়েলচ বিলাক পি এইচ ই কোৱালিটি কন্ট্রল এক্তত পৰীক্ষা কৰাৰ পিচতহে লোৱা হয়। Tara Pump নতুন Sytems ৰ Pump আৰু maintenance ৰ কাৰণে খুব সহজ হয়। বর্ত্তমান কামৰূপ জিলাত দিয়া হৈছে। ইয়াত সফল হলে অন্যান্য ঠাইত দিয়া হব। আমাৰ বিশ্বাস এই টাৰা পাম্পে বহুখিনি সফলতা লাভ কৰিব পাৰিব। মাননীয় সদস্য বাবু ৰংপি ডাঙৰীয়াই অভিযোগ আনিছে ডিষ্ট্রীক কাউন্সিলৰ আচনি সম্পর্কে। ডিষ্ট্রীক্ট কাউন্সিলৰ যি আঁচনি আছে সেই আঁচনিৰ গোটেই টকা ডিষ্ট্রীক্ট কাউন্সিলক দিয়া হয়। ডিষ্ট্রীক্ট কাউন্সিলে এই বিলাক কাম চলায়। মাননীয় সদস্য শ্রীআলাউদ্দিন সৰকাৰ ডাঙৰীয়াই হেভিটেচনৰ ভুল তথ্য আনিছে। হেভিটেচনৰ কম্পিউ-টেৰাইজত কিছুমান ভুল তথ্য মডিফাই কৰাৰ কাৰণে বিভাগে পঠিয়াইছে। কিন্তু গোটেই তথ্য ভুল নহয়। এই লিষ্টৰ কম্পিউটেৰাইজৰ কিছুমান ভুল আছে। সেই বিলাক শুদ্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে। টিউব ৱেলৰ দ্বাৰা যি পানী দিয়া হয় ইয়াত কম বেছি পৰিমানে আয়ৰণ থাকে। এই আইৰণ ৰিমুভ কৰাৰ প্লেন আছে। সেইটো কেন্দ্রীয় চৰকাৰলৈ পঠিওৱা হৈছে। কেন্দ্রীয় চৰকাৰে ফাইনেন্স গ্রান্ট দিলে সকলো কৰা হব। আৰু এই ক্ষেত্রত স্পেচিফিক প্রপোজেল আছে। মাননীয় সদস্য শ্রীপৰমেশ্বৰ ব্রহ্ম

ডাঙৰীয়াই অভিযোগ আনিছে ডোকমোকা পানী যোগান আঁচনি কি কাৰণে কৰা হোৱা নাই। এইটো কৰাৰ কাৰণে বিহিত ব্যৱস্থা কৰা হব। শ্রীগোস্বামী ডাঙৰীয়াই ভিলেজ কমিটিৰ কথা হৈছে। এই উদ্দেশ্য সন্মুখত ৰাখিয়ে চৰকাৰে প্রতিকাৰৰ ব্যৱস্থা গ্রহণ কৰিছে। সেই বাবে পর্যায়ক্রমে ভিলেজ কমিটি গঠন কৰি দিয়া হৈছে আৰু এই কমিটি সমূহক পাইপ স্কীম মেইন্টেনেন্সৰ সম্পূর্ণ দায়িত্ব দিয়াৰ বাবে প্রস্তাৱ লোৱা হৈছে। এই প্রস্তাৱ আৰম্ভণিতে ভিলেজ কমিটি জড়িত কৰা হৈছে। গাওঁৰ যিবিলাক মানুহ সামাজিক উন্নয়নৰ লগত জড়িত সেইসকল লোকক এই কমিটিত ৰখাৰ ব্যৱস্থা কৰা হৈছে। প্রত্যেক গাওঁতে দেখা যায় অঙ্গনবাদী কর্মী, নার্চ, ডাক্তৰ, প্রফেচাৰ আদিক জড়িত কৰাৰ বাবে অধিক মডিফাই কৰিব বিচৰা হৈছে। ভিলেজ কমিটি কৰি তেওঁলোকৰ ওপৰত ষ্টাটাৰ চাপ্লাইৰ দায়িত্ব দিয়াৰ ব্যৱস্থা লোৱা হৈছে। এই ক্ষেত্রত ৰাজ্য চৰকাৰৰ ফাণ্ডেৰে বিশুদ্ধ খোৱা পানী যোগান ধৰা সম্ভব নহয়। কেন্দ্রীয় চৰকাৰৰ ফাণ্ড পালেও সম্ভব নহয়। সেয়েহে এই কামত জনসাধাৰণক জড়িত কৰিব বিচৰা হৈছে। আজি কেইদিনমান আগতে পানী যোগান ব্যৱস্থা পঞ্চায়তক হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি এই পৰিপূৰক দাবী মঞ্জুৰী অনাৰ মূল কাৰণ হল যোৱা ইংৰাজী ৯-১-৯৫ তাৰিখে আমাৰ অসমলৈ কেন্দ্রীয় চৰকাৰৰ 'ৰুৰেল ডেভেলপমেণ্টৰ' চেক্রেটৰী আহিছিল। উত্তৰ পূর্বাঞ্চলৰ ৰাজ্য কেইখনৰ সম্পর্কে মিটিং হৈছিল। সেই মিটিং আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে উদ্বোধন কৰিছিল আৰু সেই মিটিঙত মই উপস্থিত আছিলো। এইখিনি সমুখত ৰাখি আমি কেন্দ্রীয় চৰকাৰৰ ওচৰত দাবী ৰাখিছিলো যে আমাৰ আগৰ কাম বিলাক সম্পূর্ণ হোৱাৰ পিচত 'এডিশ্যনেল এমাউণ্ট' প্রয়োজন হব। আমাৰ ৰাজ্য পৰিকল্পনা শিতানত ৩৮ কোটি ৪৬ লাখ আছে। সেই অনুপাতে কেন্দ্রীয় অনুদান হব লাগে আৰু তাৰ ভিতৰত কেন্দ্রীয় অনুদান এই খিনি সম্পূর্ণ কৰি আৰু কামত আগবাঢ়িব পাৰিম। 'চেণ্ট্রেল এচিচটেণ্ট' বর্ত্তমান মাত্র ১৪'২২ কোটি আছে। এতিয়া ২৪ কোটি ২৪ লাখ টকা ৰিলিজ কৰাৰ বাবে এই 'চাপ্লিমেণ্টৰী' আনিছো। এক পইচাও

পোৱা নাই। ৩১ মাৰ্চৰ ভিতৰতে ২৪ কোটি ২৪ লাখ টকা বিলিজ কৰাৰ কাৰণে 'চাপ্লিমেণ্টৰী' অনা হৈছে। অভিযোগ বিলাক যি পোৱা হৈছে তাৰ বিহিত ব্যৱস্থা লোৱা হব। এই চাপ্লিমেণ্টৰী ডিমাণ্ড চেণ্ট্রেল গভৰ্ণমেণ্টৰ অনুদান পালে বেগুলাৰ কৰা হব। তেতিয়া আমি একমোডেশ্যন কৰিব পাৰিম। সেয়ে মাননীয় সদস্য সকলক অনুৰোধ জনাইছো যে কৰ্ত্তন প্রস্তাব উঠাই লব লাগে।

* শ্রীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে 'হেদ কোৱাটাৰতে' আছে। আমাৰ ধুবুৰীলৈ যোৱাৰ কথা আছিল। তেখেত নগল। আজি তেখেতে ধুবুৰীলৈ যোৱাৰ প্রতিশ্রুতি দিব লাগে।

শ্রীদীনেশ প্রসাদ গোৱালা (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই ধুবুৰীলৈ যোৱাৰ প্লেন কৰিছো। অহা এপ্রিল মাহৰ ভিতৰতে যাম।

* শ্রীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রীয়ে যিখিনি কথা কলে তাত এটা কথা পৰিষ্কাৰ নহল। পানী যোগানৰ ক্ষেত্রত হেণ্ড টিউবেল, ডিপটিউবেল আদিত যিমান টকা খৰচ কৰা হৈছে আৰু তেনে ধৰণে এভিয়া ২/৪ টা নতুনকৈ দি আছে। কিন্তু এই আঁচনিৰ অন্তৰ্ভুক্ত বস্তু বিলাক বেয়া হলে তাক মেৰামতি কৰা নহয়। এতিয়া মন্ত্রী মহোদয়ে জনাব লাগে যে এই ২৪ কোটি ২৪ লাখ টকাৰে এইবোৰৰ মেৰামতিৰ কাম কৰিবৰ বাবে এটা গাইড লাইনৰ ব্যৱস্থা কৰি মেৰামতি কৰাৰ আশ্বাস মন্ত্রী মহোদয়ে দিব লাগে।

* শ্রীদীপেন্দ্র বংপী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডিষ্ট্রিক কাউন-চিলক চাব নেকি। ডিফুত এনেকুৱা এটা স্কীম কৰিব লাগে।

* শ্রীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জানে যে ধেমাজি অঞ্চলটো বান পিড়িত অঞ্চল। তাত এটা 'স্পেচিয়েল' ব্যৱস্থা গ্রহণ কৰিব নেকি যে সেই অঞ্চলত 'বিং ওৱেল'ৰ ব্যৱস্থা গ্রহণ কৰি। কিয়নো অসম চৰকাৰৰ কোনো ধৰণৰ সুবিধা নিদিয়াৰ কাৰণে বৰ্ডাৰ এৰিয়াৰ মানুহ বিলাকে অৰুনাচলৰ ইলেকশ্যনত অৰুনাচলৰ মানুহ হৈ ভোট দিছে। বৰ্ডাৰ এৰিয়া বুলি এইটোত অগ্রাধিকাৰ দিয়াৰ

* Speech not corrected.

ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু এই বিষয়ে চৰকাৰে শ্বেতপত্ৰ প্ৰকাশ কৰিব লাগে।

* শ্ৰীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়ে, বড়ো অধ্যুষিত অঞ্চলটো এই আঁচনি লৈছিল। যিবিলাক জিলাত আঁচনিৰ কাম কৰা হৈছে তাৰ 'কণ্ট্ৰেকটৰ' সকলে এই আঁচনিৰ পইচা পোৱা নাই কিয়নো সেই পইচা বিলাক 'ৰেভিনিউ ডিপজিত'ত আছে। সেই ধনখিনি 'ৰেভিনিউ ডিপজিতৰ' পৰা মুকলাই দিব নেকি ?

* শ্ৰীচন্দন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চিডিল কাষ্ট প্লেন কমপ্লিচ কৰা হৈছে। এই ক্ষেত্ৰত কোটি কোটি টকা খৰচ কৰা হৈছে, কিন্তু 'ডিজেল'ৰ অভাব। ডিজেল মেচিন বিলাক ডিজেলৰ অভাবৰ কাৰণে বহি আছে বুলি অভিযোগ আহিছে। সেই বিলাকত ডিজেল যোগানৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীক্ষীৰেণ বৰগয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, ভূটান সীমান্ত অঞ্চলৰ মানুহে ভূটানৰ পানী খাই আছে। সেই অঞ্চলৰ মানুহে অসমৰ পানী খোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেক ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যি আশ্বাস বিচাৰিছে সেইখিনি মিলামিচা কৰি দিয়া হব। ডিফুৰ কথাটো যি কৈছে সেইটো 'আৰবান বৰ্ডৰ আণ্ডাৰত'। আৰু ৰেভিনিউ ডিপজিতৰ টকাৰ কথা কৈছে— ৰেভিনিউ ডিপজিতৰ টকা 'ৰিলিজ' হলে টকা বিলাক পাব। আৰু অন্যান্য বিলাকো বিবেচনা কৰি ব্যৱস্থা গ্ৰহণ কৰা হব।

Mr. Speaker : Now it is 1-30 P.M. and I guillotine all the remaining Cut Motions.

Now, I Put all the remaining Supplementary Demands for Grants Nos. 30, 29, 2, 3, 6, 7, 9, 11, 12, 13, 14, 15, 17, 18, 19, 21, 22, 23, 25, 26, 27, 31, 33, 34, 35, 36, 38, 39, 40, 43, 45, 46, 49, 50, 51, 52, 55, 56, 58, 60, 63, 64 and 70 for approval of the House.

---

* Speech not corrected.

Those who are in favoure say 'Ayes'
Those who are in against say 'Noes'
'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Supplementary Demands for Grants Nos. 30, 29, 2, 3, 6, 7, 9, 11, 12, 13, 14, 15, 17, 18, 19, 21, 22, 23, 25, 26, 27, 31, 33, 34, 35, 36, 38, 39, 40, 43, 45, 46, 49, 50, 51, 52, 55, 56, 58, 60, 63, 64 and 70 are passed.

Now, Item No. 4 (a)

The Assam Appropriation (No). 1) Bill, 1995 be circulated.

(After circulation of the Bill)

Now Minister, Finance to move the motion for introduction of the Bill.

(After the Motion is moved)

Is it the pleasure of the House go grant leave to introduce the Bill ?

(After a pause)

Leave is granted.

There is a message from the Governor of Assam.

Rajbhawan,
Gauhati.

"Under the provisions of Article 227(1) of the Constictution of India. I Shri Loknath Misra, Governor of Assam recommend introduction in the Assam Legislative Assembly the Assam Appropriation (No. 1) Bill, 1995."

Loknath Misra,
Governor of Assam

Introduction Consideration and Passing of
The Assam Appropriation (No. 1) Bill, 1995

Now, Minister Finance is to introduce the Bill.

INTRODUCTION CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (No. 1) BILL 1995.

Shri Jiba Kanta Gogoi (Minister Finance) : Sir, I beg to introduce "The Assam Appropriation (No. 1) Bill, 1995.

Mr. Speaker : Now item No. 4 (b).

There is a message from the Governor of Assam.

Rajbhawan,
Gauhati
dated 16-3-95

"Under the provisions of Article 207 (3) of the Constitution of India, I Shri Loknath Misra, Governor of Assam recommend the Assam Financial Appropriation Bill, 1995 be taken into consideration by the Assam Legislative Assembly."

Sd/-
Loknath Misra,
Governor of Assam

Now, Minister, Finance to move.

Shri Jiba Kanta Gogoi (Minister Finance) : Sir, I beg to move that "The Assam Appropriation (No. 1) Bill 1995" be taken into consideration.

Introduction, Consideration and Passing of The Assam Appropriation (No. 1) Bill, 1995

শ্রীপ্রমোদ গগৈ ঃ অধ্যক্ষ মহোদয়, এই বিলখন কনচিডাৰেচন ষ্টেজত এটা বিষয়ত মাননীয় বিত্তমন্ত্রী ডাঙৰীয়াৰ যোগেদি চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো । যিহেতু আমি স্বাস্থ্য বিভাগৰ বিষয়ে সদনত আলোচনা কৰিবলৈ নাপালো সেই কাৰণে এটা বিষয় সম্পর্কে মই চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিম আৰু সেইটো হৈছে ভুৱনেশ্বৰ বৰুৱা কেন্সাৰ ইন্‌ষ্টিটিউট সম্পর্কে। এই বিষয়টো আমি আগতে কেইবাবাৰো সদনত আলোচনা কৰিছো । কাৰণ, উত্তৰ পূৰ্ব অঞ্চলৰ ভিতৰত এইখনেই একমাত্র কেন্সাৰ প্রতিস্থান যিটো ১৯৭৪ চনতে প্রতিষ্ঠা হৈছিল আৰু এই প্রতিষ্ঠানটোৱে উত্তৰ পূৰ্ব অঞ্চলৰ কেন্সাৰ ৰোগী সকলক চিকিৎসা প্রদান কৰি আহিছে । ইয়াৰোপৰি এটা কথা উল্লেখ কৰিব লাগিব যে এই প্রতিষ্ঠানটোৱে যিখিনি প্রাপ্য সুবিধা পাব লাগে সেইখিনি পোৱা নাই । তাৰোপৰি বিভিন্ন সময়ত এই প্রতিষ্ঠানটোত মিচ মেনেজমেণ্ট হৈছে আৰু সেই বিষয়ে কেইবাবাৰো সদনত আলোচনা কৰা হৈছে । ইতিমধ্যে এই প্রতিষ্ঠানটোৰ ক্ষেত্রত যিটো অডিট হৈছে সেইটো হৈছে ৩১ / ৩ / ৯৪ তাৰিখলৈকে আৰু বোধকৰো আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে সেইটো পাইছে । এই অডিট ৰিপর্টত প্রতিষ্ঠানটোৰ বহুখিনি অনিয়মৰ কথা উল্লেখ কৰা হৈছে । ভ্রমণ বাবদ ক্ষেত্রতো তাৰ ডিৰেক্টৰ জনৰ যিখিনি মঞ্জুৰী থাকিব লাগে তাতকৈ বেছি ভ্রমণ বাবদ হিচাবে খৰচ কৰা ক্ষেত্রত ডিৰেক্টৰজনে উপযুক্ত কাৰণ দর্শাব পৰা নাই । তাৰ বাহিৰেও গাড়ী মেৰামতি, কর্মচাৰী সকলৰ দৰমহা আদিৰ ক্ষেত্রতো বহুখিনি কথা এই ৰিপর্টত উল্লেখ কৰা হৈছে । আমি আশা ৰাখিছো আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে এই কথা বিলাকৰ ভালদৰে বিবেচনা কৰিব । এই বিষয়টোত মই এই কাৰণেই উত্থাপন কৰিছো যে ইয়াৰ আগতে কেইবাজনো মাননীয় সদস্যই দাবী কৰিছিল যে বর্ত্তমান যিজন ডিৰেক্টৰ তাত আছে তেওঁৰ বিৰুদ্ধে নানাবোৰ অনিয়ম আৰু কর্মচাৰী সকলে মাজে সময়ে কৰি অহা আন্দোলনৰ প্রতি লক্ষ্য ৰাখি তেওঁক আৰু পৰা অপসাৰণ কৰিব লাগে আৰু তাত এজন নতুন ডিৰেক্টৰ নিয়োগ কৰিব লাগে । এই ক্ষেত্রত আমাৰ মাননীয় সদস্য শ্রীচন্দ্রমোহন পাটোৱাৰী আৰু কেইবাজনো মাননীয় সদস্যই পূর্বৰ ডিৰেক্টৰ

শ্রীগাজী আহমেদক পুনৰ ডিৰেক্টৰ হিচাবে আনিবলৈ অনুৰোধ কৰিছিল। এই সম্পর্কত ১৯৭৩ চনত মুখ্য মন্ত্রী ডাঙৰীয়াই এই সদনক আশ্বাস দিছিল যে তেখেত যদি আহিবলৈ বাজী হয় তেনেহলে চৰকাৰে তেখেতক অনাৰ ব্যৱস্থা কৰিব আৰু এই আলোচনাৰ পিচত ১৯৯৩ চনৰ ১১ অক্টোবৰ তাৰিখে মুখ্যমন্ত্রী ডাঙৰীয়াই তেখেতলৈ এখন চিঠি দিয়ে আৰু সেই চিঠি মর্মে তেখেত তালৈ অহাৰ ইচ্ছা প্রকাশ কৰিছিল। কিন্তু আজিলৈকে এই বিষয়টোৰ সংক্রান্তত চৰকাৰৰ পক্ষৰ পৰা কোনো সিদ্ধান্ত লোৱা নাই।

চৰকাৰৰ লগত আৰু এই প্রতিষ্ঠানৰ লগত ট্রিপাৰটাইট এগ্রিমেন্ট হয় ১৯৯১ চনত। সেই এগ্রিমেন্টত এটা ক্লজ আছে যে চৰকাৰে সাধাৰণতে আপত্তি কৰে, সেই আপত্তিৰ স্থল নাই, ক্লজ নং ১১ ট্রিপাৰটাইট এগ্রিমেন্ট মতে ভাৰত চৰকাৰ আৰু অসম চৰকাৰেও চহী কৰিছে। সকলোৱে এগ্রি কৰিছে গতিকে এনেকুৱা এটা সমস্যা ট্রিপাৰটাইট এগ্রিমেন্টৰ ১১ নম্বৰ ক্লজত আছে। এই ক্ষেত্রত চৰকাৰে হস্তক্ষেপ কৰাৰ ব্যৱস্থা আছে।

অধ্যক্ষ ডাঙৰীয়া, মই সময় লব বিচৰা নাই, মই চৰকাৰক আপোনাৰ যোগেৰে অনুৰোধ কৰিছো যে যিজন বিজ্ঞ লোকক অনাৰ কাৰণে সদনত আলোচনা হৈছিল আৰু মুখ্যমন্ত্রী ডাঙৰীয়াইয়ো আশ্বাস দিছিল আৰু সেইজন লোকেও ইচ্ছা প্রকাশ কৰিছে সেয়ে তেখেতক চৰকাৰে নিয়োগৰ ব্যৱস্থা লব লাগে। তেখেতে ১৯৮৩ চনতে মুখ্যমন্ত্রী ডাঙৰীয়ালৈ চিঠি লিখি ইচ্ছা প্রকাশ কৰিছিল। এই ক্ষেত্রত বিলম্ব নকৰি তেখেতক নিয়োগ কৰাৰ কাৰণে চৰকাৰক অনুৰোধ কৰিছো। এই ক্ষেত্রত মুখ্যমন্ত্রী বা স্বাস্থ্যমন্ত্রী ডাঙৰীয়াই যাতে স্পষ্ট উত্তৰ সদনক দিয়ে।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন বিল নং ১ উত্থাপন কৰা হৈছে এই পৰিপ্রেক্ষিতত কর্তন প্রস্তাবো উত্থাপন হৈছে। এই দিশত মই দুটামান কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছো। পইচাখিনি খৰচ কৰিলে তাত আপত্তি কৰিবলগীয়া একো নাই, সদনৰ পূর্ণ সমর্থনত পইচা পোৱা যাব। লোকসেৱা আয়োগৰ বিৰুদ্ধে বহুত খিনি কথাই সদনত উত্থাপিত হৈছে। মন্ত্রীৰ পুতেক হলে চাকৰি নাপাব এনে কথা নহয়,

চাকৰি পাব পাৰে। কিন্তু প্ৰশ্ন হৈছে ইনডিপেনডেণ্ট বডিৰ বিৰুদ্ধে কোনো কথা কব নোৱাৰি, মাত মাতিব নোৱাৰি। তেখেত জৰিত আছিল, অসম লোক সেৱা আয়োগৰ ভিতৰত খেলি মেলিৰ সৃষ্টি হৈছে, এইটো বৰ দুৰ্ভাগ্য-জনক কথা। মোৰ কবলৈ বহুত তথ্য আছে, কিন্তু সিমানখিনি কবলৈ সময় নাপাম, সেয়ে কবলৈ বিচৰা নাই। অসম লোকসেৱা আয়োগৰ বিষয়ে যেনেকৈ সদনত প্ৰতিবেদন দাখিল কৰাৰ কথা মাননীয় সদস্য শ্ৰীগিয়াছুদ্দিন আহমেদ ডাঙৰীয়াই সদনৰ মজিয়াত কৈছিল, লোকসেৱা আয়োগৰ এটকা নোখোৱা আগৰ যি পৰম্পৰা সেই পৰম্পৰা ৰক্ষা কৰা উচিত। আনকি এনেকুৱা কথাও উত্থাপিত লৈছে মই নাম নকও বিশ্বাসত কৈছে কিন্তু প্ৰয়োজন হলে আলোচনা কালত কোৱা হব। কোনোবা এজন সদস্যই মিটিঙত কৈছে যে তেখেতক টেলিফোনত কৈছে যে তেখেতৰ প্ৰাৰ্থী চিলেকচন কৰিছে। টকা পইচাৰ ক্ষেত্ৰত এক ডেৰ লাখ খৰচ হয়, সাধাৰণ বেট আছে। এই কথাটো আলোচনা হোৱাত তেখেতে কলে যে মোক কিয় বকিছে চৰকাৰৰ বিৰুদ্ধে কওক, মোৰ বিৰুদ্ধে নকব। এই কথাখিনি কৈ থকা অৱস্থাত মই উপস্থিত আছিলো। কিছুমান মানুহৰ দ্বাৰা দালালৰ সৃষ্টি কৰিছে, সেই বিলাক চৰকাৰে বিচাৰ কৰি চাওঁক। আপোনালোকৰ দায়িত্ব আছে আগতে লিষ্টখন হে থাকে কোনে চাকৰি পাব বা নাপাব দালাল বিলাকে জানে। মই লোকসেৱা আয়োগক এজন ল'ৰাৰ চাকৰিৰ কাৰণে সুধিছিলো। সেই ল'ৰাজনৰ ঘৰৰ অৱস্থা বেয়া, হোষ্টেল ডিউজ, কাপোৰ কানি আদি খৰচৰ বাবে মাকে লোকৰ ঘৰত ধান বানি খৰচ দিয়ে। ল'ৰাজনে ইঞ্জিনিয়াৰিঙত ফাষ্টক্লাচ পাইছিল শতকৰা ৮৭ ভাগ নম্বৰ পাইছিল। তেতিয়া মোক কলে যে এই বিলাক কথা কৈ লাভ নাই আপুনি আগতে ফিটিং কৰিছিল নেকি ? তেতিয়া মই ভাবিলো যে আমি এম, এল, এ, বিলাকে পইচা দিব লাগে, ফিটিং কৰিব লাগে। আমি ৰাইজৰ প্ৰতিনিধি হৈও পইচা দিব লাগে নেকি ? লোকসেৱা আয়োগৰ এই অৱস্থা পাইছে, গতিকে মই ভাবো লোকসেৱা আয়োগ ভঙ্গ কৰি দিব লাগে। এইখিনি অসম বিধান সভাৰ মজিয়াৰ বাহিৰে আলোচনা কৰিব নোৱাৰি। যিজন লোকসেৱা আয়োগৰ সদস্য দিব তেওঁৰ মিনিমাম

ইন্‌টিগ্রেটি থাকিব লাগে ।

মাননীয় অধ্যক্ষ : মই যিমান দূৰ জানো লোকসেৱা আয়োগ সম্পৰ্কত এনেকুৱা আলোচনা হোৱা নাই। যি মেম্বাৰৰ কথা কৈছে There is no scope to furnish reply আজিলৈকে হোৱা নাই, মই এইটো খৰৰ লৈছো। I order to expunge the portion.

* শ্রীচন্দ্রমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, সেইটো বেলেগ কথা, আমি চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিছো লোকসেৱা আয়োগৰ যিবিলাক নতুন সদস্য দিয়া হব তেওঁলোকৰ ইন্‌টিগ্রেটি থাকিলে ভাল হয় ।

Mr. Speaker : I request the members of the press also not to publish it. This is to be expunged.

শ্রীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এটা পইণ্ট অৰ অর্ডাৰ আছে। মই ইনটাৰফেয়াৰ কৰিব খোজা নাই । এ, পি, এচ, চিক কোৱাচি জুডিচিয়েল বুলি কোৱা হয়, অলপ তলৰ থাপৰ । এই সম্পৰ্কে পণ্ডিত জৱাহৰলাল নেহেৰুৱে কি কৈছিল সেইটো মই অলপ কৈ দিব খোজো। point of order. কথাটো এনেকুৱা আছে ।

One quotation from Pandit Jawaharlal Nehru "No Supreme Court, no Judiciary can spend any judgement over the sovereign will for the Parliament representing the will of the entire community. It can pull up this sovereign will if it goes wrong. But in the ultimate analysis where the future of the community is concerned, no judiciary can come in the way. Ultimately the fact remains that the legislature must be supreme and must not be interferred with by the court of Law in such measures as social reforms.

মাননীয় অধ্যক্ষ : এই ক্ষেত্রত বহুত কথা লগা হয় । পার্লিয়ামেণ্টত আইন অনা হয় Parliament is the Supreme Constitution in the Sovereign. পার্লিয়ামেণ্ট আইন আনিলে নহব, কোৱাচি জুডিচিয়েলৰ আমি ডিচ্‌কাচন কৰিব পাৰো। সংবিধানত যি কথা আছে সেইমতে চলিলে হ'ব।

ড° জয়নাথ শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি যি কৈছে সেইটো হয়। সদনত চিনিয়ৰ মেম্বাৰ আছে, পার্লিয়ামেণ্টৰী মিনিষ্টাৰো আছে। চাপ্লিমেণ্টৰী ডিমাণ্ডৰ যিবিলাক গ্রাণ্ট আলোচনা কৰা হোৱা নাই সেই বিলাক গ্রাণ্ট এপ্রোপ্রিয়েচন বিলাকৰ সময়ত আলোচনা কৰিব পৰা যায়। অসম লোকসেৱা আয়োগ সম্পর্কে স্পষ্টকৈ কোৱা আছে পেজ নং ১১১ ত। তাত চলিত বিভিন্ন বছৰৰ মাহ কেইটাত আয়োগৰ সভাপতি, সদস্য আৰু কর্মচাৰী সকলৰ দর্মহা দিবলৈ ১০ লাখ ২৫ হাজাৰ অতিৰিক্ত ধনৰ আৱশ্যক হয়। গতিকে আমি অসম লোকসেৱা আয়োগৰ কথাটো আলোচনা কৰিব পাৰো। যিহেতু সদস্য কর্মচাৰী সকলক দর্মহা দিয়া হব আৰু সেইটো গ্রাণ্টত আলোচনা হোৱা নাই গতিকে ইয়াত আলোচনা কৰাৰ স্কোপ আছে। মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো ডিচকাছন কৰিব নোৱাৰে বুলি মই কোৱা নাই। কিন্তু ব্যক্তিগত ভাৱে সমালোচনা কৰিব নোৱাৰে।

* শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিহেতু লোকসেৱা আয়োগক আমি পইচা দিম গতিকে এই সম্পর্কত আলোচনা কৰাৰ আমাৰ অধিকাৰ আছে।

শ্রীপ্রমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰুলচত কি আছে নেজানো Sir, Sir, one point of clarification. Earlier I was a member of this house. But as a convention we did not discuss about public service commission on the Floor of this Assembly. This is the convention, but we had to pass their budget in the Legislative Assembly. But as a convention we did not discuss it and even for this, you see, even the Governor's expenditure also we have to pass the budget. That is we do not know whether is any definite rule or this is a convention. There can be discussion on the report of the A. P. S. C.

মাননীয় অধ্যক্ষ ঃ মই এইটো কৈছো যে আজিলৈকে এনেকুৱা ধৰণৰ আলোচনা কৰা হোৱা নাই।

Introduction, Consideration and Passing of The Assam Appropriation (No. 1) Bill, 1995

* ডঃ জয় নাথ শর্মা : অধ্যক্ষ মহোদয়, আজিলৈকে কিয় আলোচনা কৰা হোৱা নাই। আগতে লক্ষণ ৰেখা পাৰ হৈ যোৱা নাছিল। এতিয়া ইমান স্বজন প্রীতি বাঢ়িছে যে লক্ষণ ৰেখা পাৰ হৈ গৈছে। গতিকে আলোচনা কিয় নকৰিম।

মাননীয় অধ্যক্ষ : লক্ষণ ৰেখা পাৰ হৈ যোৱা বুলি কৈছে যদিও এইটো পিচতো আলোচনা কৰাৰ স্থল আছে।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় মুখ্য মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। ডঁ ভৱানী শর্মা বি, বৰুৱা কলেজৰ প্রফেচাৰ। তেখেত মেট্রিকত ১ম ডিভিজন, পি, ইউত ষ্টেণ্ড কৰিছে, বি, এচ, চি আৰু এম, এচ, চিত ফাৰ্ষ্ট ক্লাচ পাইছে কিন্তু তেখেত এ, পি, এচ, চিভ ফেইল কৰিছে।

Mr. Speaker : Both were absent

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মই কথাখিনি কৈছোহে ছাৰ সেইটো কথা বাদ দিছো। মেজিষ্ট্রেতে যিহেতু চিলেক্ট কৰিব ভালকৈ কৰিলে ভাল হয়। এতিয়া মই অনা এটা বিষয়লৈ আহিছো। সেইটো হৈছে অসম ৰাজ্যিক লটাৰী। এই বিষয়ৰ আলোচনাই সদনত বহুবাৰ ঠাই পাইছিল। ৰাজ্যিক লটাৰী এটকীয়া, ১০ টকীয়া বহুতো আছে। এই লটাৰী লৈ বহুটো সমস্যাৰ সৃষ্টি হৈছে। এই বিষয়ত আমি মাননীয় মুখ্যমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। ৰাজ্যিক লটাৰী আজি এনে এটা পর্য্যায়লৈ গৈছে যে ই আজি এটা মাফিয়া চক্রত পৰিণত হৈছে। এই বিলাকৰ কাৰণতে আজি মহিলা পৰিষদেও অনশন কৰি আছে। আজিকালি ৰাজ্যিক লটাৰী অসম ভৱনৰ কোনো এটা কমৰ পৰা চলাই আছে। এটা কথা শুনি আপুনি আচৰিত হব যে সিদিনা মই চেলুনত দাড়ি কাটি আছিলো। ঠিক তেনেকুৱা অৱস্থাতে এজন ল'ৰাই চেলুনৱালাক কলে মোৰ কিমান টকা হ'ল। চেলুনৱালাই কলে যে আপোনাৰ ১২ টকা হ'ল। তেতিয়া ল'ৰাজনে কলে যে মই এতিয়া বাৰ টকা দিব নোৱাৰো পিচত দিম। প্রথমতে মোক আপুনি ৩০০ টকা দিয়ক। চেলুনৱালাই কয় মই ৩০০ টকা এতিয়া দিব নোৱাৰো মোৰ পাবলগীয়া টকাখিনি আগতে দিয়ক। তেতিয়া ল'ৰাজনে পুনৰাই কলে যে মোক আপুনি

এতিয়া ৩০০ টকা দিয়ক মই আধা ঘণ্টাৰ পিচতেই আপোনাক ঘুৰাই দিম। মই আজি ৰাতিপুৱাৰ পৰা লচ মাৰি আছো। ল'ৰাজনে মোক চিনি পোৱা নাছিল। মই ল'ৰাজনক শুধিলো কি লচ মাৰি আছাহে। তেতিয়া ল'ৰাজনে কলে যে আজি ১ টকীয়া লটাৰীত ৩৭ হাজাৰ টকা এতিয়ালৈ গ'ল। মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রীজনৰ নাম নকও এই ল'ৰাজন এজন মন্ত্রীৰ পুতেক। ৩৭ হাজাৰ টকাৰ এটকীয়া লটাৰীৰ টিকট কাটি মন্ত্রীৰ পুতেকো ধ্বংস হৈছে। এই কথাটো অৱশ্যে মই মন্ত্রীক কৈছো। গতিকে এই এট-কীয়া লটাৰীৰ যি চিষ্টেম সেইটো তত্তালিকে বন্ধ কৰিব লাগে। লটাৰীৰ কাউণ্টাৰবোৰত আমাৰ দৈনিক লাখ লাখ টকা গৈ আছে। আমাৰ বহুটো উদীয়মান ল'ৰা ছোৱালী এই লটাৰীৰ নামত ধ্বংস হৈ যোৱাৰ উপক্রম হৈছে। গতিকে মাননীয় মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যে অতি সোনকালে এই এক টকীয়া লটাৰী বন্ধ কৰক। অধ্যক্ষ মহোদয়ক যি সময়ত স্বনিয়োজন আচঁনিৰ অধীনত প্রধান মন্ত্রীৰ ৰোজগাৰ যোজনা, ডি, আই, চি লোন ১ লাখকৈ দিয়াৰ ব্যৱস্থা কৰিছে সেই সময়তে কিছুমান ল'ৰাই এই টকা লৈ এটকীয়া লটাৰী খেলি টকা খৰচ কৰিছে। গতিকে এইটো এটা গুৰুত্বপূর্ণ বিষয় হিচাবে লৈ মাননীয় মুখ্যমন্ত্রীয়ে বিহিত ব্যৱস্থা লব বুলি অনুৰোধ কৰিলো। অধ্যক্ষ মহোদয়, মই এতিয়া নগৰ উন্নয়নৰ কথা কব বিচাৰিছো। অসমৰ নগৰ অঞ্চললৈ গলে দেখা যায় যে নগৰত তেনেকুৱা কোনো ধৰণৰ উন্নতি হোৱা নাই। গুৱাহাটীৰ উন্নয়নৰ ক্ষেত্রত কিছুমান খেলিমেলি হৈছে। মন্ত্রী ডাঙৰীয়াৰ মই দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে আজি দৈনিক অসমৰ ৫ পৃষ্ঠাত উথাপিত হৈছে। গুৱাহাটীত ড্রেইন খান্দি আছে। ভৰলু নদীখন যদি খন্দা নাযায় তেতিয়াহলে গুৱাহাটীখন সাংঘাটিক ভাৱে পানীত ডুবি থাকিব। সুভাষ ট্রেডিঙক অপ্যায়িত কৰাৰ কাৰণে ঠিকা দিছে। ইফালে গুৱাহাটীৰ মানুহখিনি বানপানীৰ পৰা ৰক্ষা নাপাব। বানপানীৰ পৰা ৰক্ষা পাবলৈ ভৰলু নদীখন খান্দিবলৈ মই অনুৰোধ কৰিছো। নগৰ অঞ্চলৰ উন্নয়নৰ ক্ষেত্রত অসমৰ কিছুমান ঠাইত দেখিছো বেয়া হৈছে। গুৱাহাটীৰ উন্নতি হৈ আছে আৰু হৈ থাকিবও। কিন্তু অসমত এনে কিছুমান নগৰ আছে— নলবাৰী, গোৱালপাৰা, ধুবুৰী, তেজপুৰ, লক্ষীমপুৰ, গোলাঘাট আদি টাউন বিলাকৰ আজিলৈকে কোনো উন্নতি হোৱা নাই। আমি সৰু ছাত্র অৱস্থাৰ পৰা

দেখিছো আজিও তেনেৱেয়ে আছে। ইনটিগ্রেটেদত টাউন ডেভ'লাপমেণ্টৰ কাৰণে যি টকা পায় তাত অসমৰ এই কেইখন নগৰকো সামৰি লবলৈ অনুৰোধ কৰি মই মোৰ ব্যক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ : আধাঘণ্টা সময় দিয়া হওক।

Sri Golok Rajbongshi : We cannot ask the members to forego lunch. If there is any necessity for discussion there should be lunch break.

* ড° জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে, আমাৰ আলোচনা হ'বই লাগিব। ভাত খোৱাৰ বাবে সময় নিশ্চয় থাকিব আৰু তাৰ বাবে সকলোৰে অধিকাৰ আছে। কিন্তু আপোনালোকে যিমান দুর্নীতি কৰিছে, সেইবোৰ আলোচনা কৰাৰ বাবে আধা ঘণ্টা সময়ে যথেষ্ট নহ'ব। চৰকাৰৰ যি পয়া লগা ব্যৱস্থা হৈছে সেইবোৰ আলোচনা বিলোচনা কৰিবলৈ আধা ঘণ্টা সময়ত কেনেকৈ হ'ব?

মাননীয় অধ্যক্ষ : ২ বাজি ৩০ মিনিটলৈকে সময় দিয়া হ'ল। Reply to be completed by 2-30 P.M.

* শ্রীশশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উদ্যোগ মন্ত্রী মহোদয়ে তেখেতৰ বক্তব্যত যি নতুন উদ্যোগ নীতিৰ পৰিবর্ত্তন কৰা হ'ল বুলি কৈছে, সেই মতে আমাৰ ৰাজ্যখনত প্রদাকচন আৰম্ভ হৈছে। এই সদনত কোৱা হৈছে যে কিছুমান ইণ্ডাষ্ট্রী যেনে – অশোক পেপাৰ মিল, আৰু চিন্থেটিক্স মিলৰ পৰা চৰকাৰৰ কোনো লাভজনক ফল নোহোৱাৰ কাৰণে লোকচান ভৰিব লগীয়া হ'ল। গতিকেই চৰকাৰী প্রতিষ্ঠান দুটা ব্যক্তিগত প্রতিষ্ঠানলৈ পৰিণত হ'ল বিক্রীৰ দ্বাৰা। উদ্যোগৰ ক্ষেত্রত চৰকাৰে নতুন নীতি গ্রহণ কৰাৰ পিছতো ১০ লাখ টকাৰ ঋণ পৰিশোধ কৰিব লগীয়া হ'ল কাক আৰু কিয়? এই কথাখিনিৰ স্পষ্টীকৰণ দিব লাগে। যোৱা ১৭ তাৰিখে আমাৰ মুখ্য মন্ত্রী ডাঙৰীয়াই কৈছে যে এই নতুন উদ্যোগ নীতি গ্রহণ কৰাৰ বাবে অসম চৰকাৰে বছৰি ১২ লাখ টকা পাব। কিন্তু মই জানিব পাৰোনে যে কিমান টকা খৰচ কৰি এইটো লাভ হ'ব বুলি ধৰা হৈছে।

* Speech not corrected

Introduction Consideration and Passing of
The Assam Appropriation (No. 1) Bill, 1995

মাননীয় অধ্যক্ষ : আলোচনা কৰি উত্তৰটো ইমান কম সময়ৰ ভিতৰত আজিলৈকে কেতিয়াও তৎকালীনভাবে দিয়া উদাহৰণ নাই, This is not the thing.

* শ্রীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মই কোনো দীঘলীয়া বক্তব্য দাঙি ধৰিব বিচৰা নাই। কিন্তু ৫৬ নং (পঞ্চায়ত) শিতানৰ পৰিপূৰক দাবীৰ সম্পর্কত অলপ কথা কব বিচাৰিছো যে, গোটেই অসমতে গাওঁ পঞ্চায়ত আছে। কিন্তু মোৰ সমষ্টি বিলাসীপাৰাৰ মহকুমা এটা হ'ল ফকীৰা-গ্রাম। তাত আজিলৈকে কোনো পঞ্চায়ত নাই। তাত অবৈধ ভাবে অন্যান্য কাম চলি আছে। যোৱাবাৰ পঞ্চায়ত নির্বাচন হোৱা কথা আছিল, কিন্তু হাইকোর্টৰ পৰা ৰায় দি ইয়াক বন্ধ কৰি দিয়া হ'ল। ২-৩ বছৰ ধৰি অসমত পঞ্চায়ত নির্বাচন বাতিল কৰি দিলে। কিন্তু হাইকোর্টৰ পৰা পুনৰ নির্দেশ অসম চৰকাৰক দিয়া হ'ল যে বিলাসীপাৰা অন্তর্গত ফকীৰা-গ্রামত নতুনকৈ নির্বাচন পাতিব লাগে। কিন্তু যোৱা তিনি বছৰ ধৰি হাই-কোর্টৰ নির্দেশ অনুযায়ী নির্বাচন পতা হোৱা নাই। মই এই বিষয়ে মাননীয় পঞ্চায়ত মন্ত্রীক ৫০ বাৰ মান অনুৰোধ কৰি আছো যে পঞ্চায়ত নির্বাচন পাতিব লাগে। গতিকে মাননীয় মুখ্যমন্ত্রীকো মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ যোগেদি অনুৰোধ জনালো যাতে, হাইকোর্টৰ নির্দেশ পোৱাৰ পিচতো এই অঞ্চলত নির্বাচন পাতিবনে নাই তাৰ স্পষ্ট ভাবে উত্তৰ এই অধিবেশনতে দিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* ড° জয়নাথ শর্মা : চাৰ, মই কেইটামান বিশেষ কথা জানিব খুজিছো।

* শ্রীযতীন মালি : চাৰ, চৰকাৰৰ পৰা কিছুমান কমিটমেণ্ট লৈ লব লাগে, নহলে পাচ নকৰো।

* শ্রীজীৱকান্ত গগৈ (বিত্ত মন্ত্রী) : যি সকলে আলোচনাত অংশ গ্রহণ কৰিছে তেখেতসকলৰ প্রতি মই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় সদস্য শ্রীপ্রমোদ গগৈ ডাঙৰীয়াই কেইটামান পৰামর্শ দিছে।

Mr. Speaker : Minister, Finance to reply.

* শ্রীদীপেন্দ্র ৰংপী : চাৰ, মোৰ কথা বিত্ত মন্ত্রীৰ পৰা উত্তৰ নাপালে মই সদনত নাথাকো চাৰ। কার্বি আংলং জিলাৰ সেই অতিৰিক্ত প্রয়োজনীয় টকাখিনি পৰিপূৰক বাজেটত দিব বুলি কথা দিছিল এতিয়া বাজেট অধিবে-

* Speech not corrected.

Introduction Consideration and Passing of The Assam Appropriation (No. 1) Bill, 1995

শনৰ পৰিপূৰক বাজেটত সেই টকাখিনি ধৰা দেখা নাই। যোৱা বছৰৰ বাজেটৰ সময়ত এই টকা খিনি পৰিপূৰক বাজেটত ধৰাৰ কথা আছিল।

* শ্রীজীৱকান্ত গগৈ (বিত্ত মন্ত্রী) : ইতিমধ্যে আমি কেন্সাৰ ইন্‌ষ্টিটিউটৰ কাৰণে চিন্তা কৰিছো আৰু ভবিষ্যতে ভাৰতৰ ভিতৰতে এটা অনুষ্ঠান কৰাৰ কাৰণে আমাৰ চৰকাৰে কাম হাতত লৈছে আৰু সেই মতে ব্যৱস্থা কৰা হৈছে। যন্ত্র-পাতি ইতিমধ্যে অনা হৈছে। কিছুমান মিচ মেনেজমেণ্ট হৈছিল যদিও এতিয়া ঠিক ব্যৱস্থা লোৱা হৈছে। এই বিষয়ত মাননীয় সদস্য শ্রীপ্রমোদ গগৈয়ে কৈছে সেইটো আমি চাম। ডাঃ গাজী আহমেদক অনাৰ কাৰণে চেষ্টা কৰা হৈছিল কিন্তু তেওঁ আহিবলৈ ইচ্ছা প্রকাশ কৰা নাই।

* শ্রীদেৱান জয়নাল আবেদিন : এইটো সঁচা নহয় চাৰ। তেওঁৰ চিঠি মোৰ হাতত আছে।

* শ্রীজীৱকান্ত গগৈ (বিত্ত মন্ত্রী) : তেখেত ও-এচ-ডি হিচাবে নাহে। দিয়া হৈছিল।

* শ্রীদিলীপ কুমাৰ শইকীয়া : ডিৰেক্টৰ হিচাবে আনিবৰ কাৰণে আশ্বাস দিছিল এতিয়া ও-এচ-ডি বুলি কৈছে। ডিৰেক্টৰ হিচাবেহে অনাৰ কথা আছিল।

* শ্রীজীৱকান্ত গগৈ (বিত্ত মন্ত্রী) : মাননীয় মুখ্যমন্ত্রীয়ে সদনত কৈছিল এই বুলি যে ডাঃ গাজী আহিব খুজিছে অনা হব।

* শ্রীনগেন শর্মা : ও-এচ-ডি পোষ্ট তেতিয়া নাছিল। এতিয়া কৰা হৈছে। ডিৰেক্টৰ হিচাবেহে অনাৰ কথা আছিল।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : ডাঃ গাজী আহিম বুলি কৈছে। আমাৰ মুখ্যমন্ত্রীয়ে বাঙ্গালোৰৰ পৰা তেতিয়া অতিৰিক্ত মুখ্য সচিব শ্রীৰাওলৈ টেলি-ফোন যোগে কথা পাতিছিল বুলি আমি জানিবলৈ পাইছো। ৰাওৱে আমাৰ অনুষ্ঠানটো আগবঢ়াবলৈ চিন্তা নকৰি মাদ্রাজৰ খন আগুৰাই যোৱাৰ কথা চিন্তা কৰি আছে। গাজী আহিবলৈ সম্মতি প্রকাশ কৰিছে বুলি লিখা

---

* Speech not corrected.

চিঠি গগৈ ডাঙৰীয়াৰ হাততো আছে। তথাপি আগতে হাউচত আশ্বাস দিয়া সত্বেও ডাঃ গাজীক কিন্তু আনিব নোৱাৰে ?

* ড° জয়নাথ শর্মা : ডিৰেক্টৰ হিচাবে অনাৰ কথা আছিল। ডিৰেক্টৰৰ কথা ওলাইছিল আৰু তেওঁক অনা হব বুলি আশ্বাস দিয়া হৈছিল গতিকে ডিৰেক্টৰ হিচাবে অনাটো ইম্পলাইড। এতিয়া এইটো এভইড কৰিব খুজিছে কিয় ?

* শ্রীপ্রমোদ চন্দ্র গগৈ : This is a copy of the letter. This was addressed to Shri Hiteswar Saikia. Hon'ble Chief Minister, Assam dt. 11th October, 1993.

এই চিঠিত পৰিষ্কাৰ ভাবে কৈছে যে তেওঁ আহিবলৈ ইচ্ছুক। গতিকে এই চিঠিখন পোৱাৰ পিচতো বিত্ত মন্ত্রী ডাঙৰীয়াই কৈছে যে তেখেত আহিবলৈ বিচৰা নাই। এইটো হাউচত মিচ লিডিং কৰা হৈছে। তেওঁ লিখা চিঠিৰ কপি আমি দিব পাৰো।

* ডাঃ ভূমিধৰ বর্মণ (স্বাস্থ্যমন্ত্রী) : মাননীয় মুখ্যমন্ত্রীয়ে কোৱা কথা সঁচা যে আহিবলৈ খুজিলে আনিম। সেইটো সঁচা। মাননীয় মুখ্যমন্ত্রীয়ে অতিৰিক্ত মুখ্য সচিবলৈ কোৱাটোও সত্য। কিন্তু ইনষ্টিটিউটটোৰ মেনেজমেণ্টটোৱে তেখেতক অনাটোত পক্ষপাতী নহয়। তাৰ প্রমাণ হ'ল ড° দেশাই আপত্তি কৰিছে সেই কাৰণে আমাৰ চৰকাৰে অকলে কৰিব নোৱাৰো।

* শ্রীনগেন শর্মা : সেই মিটিঙৰ কার্য্যবিৱৰণী হাউচত দাখিল কৰিব লাগে।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : কে-এচ ৰাওৱে এই কথালৈ মিচলিড কৰি আছে।

* ড° জয়নাথ শর্মা : ড° দেশাই অপ'জ কৰিছে। সেই কার্য্যবিৱৰণী দিয়ক। তাৰ পিচত আমি কথাটো কনভিন্স হ'ম। ড° দেশাই অসমৰ প্রতিনিধিত্ব কৰিছে নে আমি কৰিছো। তেওঁ কেনেকৈ প্রতিনিধিত্ব কৰিব। তেখেতে নিয়া ডিচেণ্ট নোট ইয়াত দিব লাগে।

---

* Speech not corrected.

